# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী

# LAKHIMPUR TELAHI KAMALABARIA COLLEGE MAGAZINE

## SESSION 2006-07-08



সম্পাদক ঃ ৰাজু শইকীয়া

# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় আলোচনী

## LAKHIMPUR TELAHI KAMALABARIA COLLEGE MAGAZINE

**SESSION-2006-07-08**




প্ৰতি,

......................................................................................................

......................................................................................................

সম্পাদক

সম্পাদক ঃ ৰাজু শইকীয়া

LAKHIMPUR TELAHI KAMALABARIA COLLEGE MAGAZINE : Session 2006-07-08 : Edited by Raju Saikia Publiched by Lakhimpur Telahi Kamalabaria College Students' Union. Printed at GigaByte Offset, K.B. Road, North Lakhimpur, Assam.

# সম্পাদনা সমিতি

মুখ্য পৃষ্ঠপোষক
ড° লাৱণ্য বুঢ়াগোহাঁই, অধ্যক্ষ

পৃষ্ঠপোষক
ড° হামিদুৰ ৰহমান, উপাধ্যক্ষ

উপদেষ্টা
মীনা বৰা

সম্পাদক
ৰাজু শইকীয়া

শিক্ষক সদস্য
ড° বীনা শইকীয়া, অঞ্জলিকা ৰাজখোৱা
চালেমা বেগম, ৰমেশ কাকতি,বাহাৰুল ইছলাম

ছাত্র সদস্য
দিগন্ত বৰা, ৰাকেশ বৰা

বেটুপাত ঃ জগদীশ বৰা
পৰিকল্পনা আৰু অংগসজ্জা ঃ মীনা বৰা, ৰাজু শইকীয়া আৰু যুগ্মজ্যোতি দত্ত
শব্দ বিন্যাস ঃ মুনিন খাউণ্ড আৰু ইন্দ্র শইকীয়া

মুদ্রণ ঃ গিগাবাইট অফচেট, কে. বি. ৰোড, লখিমপুৰ।

# অৰ্পণ

যি সকল মহানুভৱী আত্মাৰ অশেষ ত্যাগৰ
বিনিময়ত শিক্ষানুষ্ঠানটিয়ে বৰ্তমানৰ
অৱস্থা পাইছেহি সেইসকল
পূণ্যত্মা আৰু নতুন
প্ৰজন্মৰ নামত এই সংখ্যাৰ মুখপত্ৰখনি
অৰ্পণ কৰিলো।

সম্পাদক



# শ্ৰদ্ধাঞ্জলি

কালৰ বুকুত হেৰাই নোযোৱা প্ৰতিভাৰ গৰাকী
কেবাজনো বিশেষ ব্যক্তিক আমি
এই বছৰতে হেৰুৱালো।
তেওঁলোক হ'ল - প্ৰসিদ্ধ সাহিত্যিক
"শীলভদ্ৰ" নামেৰে খ্যাত
ৰেৱতী মোহন চৌধুৰী, বিশিষ্ট নাট্যকাৰ হবিব তনবীৰ,
সৰোদ বাদক আলি আকবৰ খাঁ,
মহাবিদ্যালয় প্ৰতিষ্ঠাপক পৰিচালনা
সমিতিৰ সদস্য ভোগেশ্বৰ দত্ত,
অসমৰ ৰাজ্যপাল শিৱচৰণ মাথুৰ
লগতে আমাৰ মাজৰ পৰা অলপতে হেৰাই যোৱা
মহাবিদ্যালয় উঃ মাঃ প্ৰথম বাৰ্ষিকৰ
ছাত্ৰ প্ৰাঞ্জল কুমাৰ দাস। আৰু গুৱাহাটীকে
ধৰি অসমৰ বিভিন্ন প্ৰান্তত বোমা বিস্ফোৰণত নিহত
হোৱা নিৰপৰাধী ব্যক্তি সকল বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ
আদিত মৃত্যুক সাৱতি লোৱা ব্যক্তিসকললৈ আমাৰ
গভীৰ শ্ৰদ্ধাৰ অঞ্জলি যাঁচিছো।



সম্পাদনা সমিতি

# শুভেচ্ছাবাণী

**Dr. K. Pathak**
**Vice Chancellor**

**Dibrugarh University**
Dibrugarh-786004, Assam
Phone:0373-2370239 (o), 0373-2370323
e-mail : kalendapathak@yahoo.com

## MESSAGE

*Dear Sri Saikia*

*I am glad to learn that you are going to bring out your annual magazine for the year 2007-08-2008-09 very soon. College Magazines are the chronicle of the academic as well as extra curricular activities of an educational institution.*

*I wish the magazine should act as a platform for the students, teachers and other members of your college community for expressing and exchanging their views and ideas on various issues having cultural. Scientific, Social and Economics relevance.*

*I conver my best wishes to all of you.*



Yours Sincerely

(K. Pathak)

**Sri Raju Saikia**
Magazine Secretary
L.T.K. College (N.L.)

# মহাবিদ্যালয়ৰ সংগীত

- কথা- শ্ৰীপৰশ গোস্বামী
- সুৰ- শ্ৰীমৃদুল বৰুৱা

হে নবীন আহা প্ৰবীন
আগবাঢ়ি আমি যাওঁ,
সকলো মিলি গাওঁ আহা
সম্প্ৰীতিৰেই গান
মধু মিলনৰ গান।

জ্ঞানৰ শিখা জ্বলাই আমি
পোহৰাও চৌদিশ আমাৰ
বিভেদ বীজৰ কৰি বিনাশ
শান্তিৰ সুবাস বিলাওঁ।

আহা আমি আগবাঢ়ি যাওঁ
মাতৃৰ মুখ উজ্বলাওঁ
আমাৰ কৃষ্টি হওঁক সুমধুৰ সৃষ্টিৰ বাবে
আমাৰ দৃষ্টি হওঁক দুষ্কৃতি নাশিবৰ বাবে
বিভেদ বীজৰ কৰি বিনাশ
শান্তিৰ সুবাস বিলাওঁ।

আহা আমি আগবাঢ়ি যাওঁ
মাতৃৰ মুখ উজ্বলাওঁ
আমাৰ যুক্তি হওঁক দৰিদ্ৰ জনতাৰ
মুক্তিৰ বাবে
আমাৰ বুনিয়াদ হওঁক সাম্য
মৈত্ৰী আৰু প্ৰগতিৰ বাবে।।






মাননীয় অধ্যক্ষ মহোদয়া

ড° লাৱণ্য বুঢ়াগোহাঁই,

" মহাবিদ্যালয়ৰ উন্নতিয়ে যাৰ কৰ্মজীৱনৰ মুলমন্ত্ৰ।"



মাননীয় উপাধ্যক্ষ মহোদয়

ড° হামিদুৰ ৰহমান

"যি গৰাকী কৰ্মজীৱনৰ অক্লান্ত পথিক।"



অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকলৰ একাংশ।



বিভাগীয় উপদেষ্টা সকলৰ সৈতে ছাত্র একতা সভাৰ সদস্যবৃন্দ।

# সূচীপত্ৰ


- সম্পাদকীয় ঃ উশৃঙ্খলতাৰ বেহুত বৰ্তমানৰ ছাত্ৰ সমাজ ১১


## প্ৰবন্ধ শিতান


| | | |
|---|---|---|
| জ্যোতি প্ৰসাদৰ নাট্য প্ৰতিভা - এটি বিশ্লেষণ | - পাৰুল চেতিয়া | ১৫ |
| প্ৰতিবন্ধী সকলো হ'ব পাৰে প্ৰেৰণাৰ উৎস | - ৰূপালী শইকীয়া (দত্ত) | ১৭ |
| বিৰল ব্যক্তিত্বৰ এগৰাকী মহিয়সী নাৰী | - গীতালী বৰা | ১৮ |
| গছ পৰিবেশ সংৰক্ষণত প্ৰয়োজনীয়তা | - কবিতা শইকীয়া | ২০ |


## উপন্যাসিকা


| | | |
|---|---|---|
| উজাগৰি নিশাৰ আকাশ | - দিগন্ত বৰা | ২১ |


## [illegible]


| | | |
|---|---|---|
| এইখনেই মোৰ দেশ | - অমূল্য ৰাজখোৱা | ২৯ |
| তুমি হেৰাই গ'লা মহানগৰীৰ ব্যস্ততাৰ মাজত | - ৰাজশ্ৰী বৰা | ২৯ |
| বন্ধুৰ প্ৰতি | - লুকুমনী দত্ত | ৩০ |
| মনত পৰেনে তোমাৰ ... | - কৰিস্মা দত্ত | ৩০ |
| জানেনে সঠিক কোনোৱাই | - জীনামনী দত্ত বৰা | ৩১ |
| মোৰ সপোন | - পঙ্কজ মেধী | ৩১ |
| মই আজি মমৰ প্ৰতিমা | - দেৱজিত গগৈ | ৩২ |
| আপোনাক অস্বীকাৰ কৰিব নোৱাৰো | - যোগানন্দ নাথ | ৩৩ |
| আকাংক্ষা তুমি বাৰু ইমান ধুনীয়া কিয় | - গৌতম নাথ | ৩৩ |
| এখন শোকৰ নৈ | - বুলবুলি দাস | ৩৪ |
| হে অৰণ্য | - মুনীন্দ্ৰ দাস | ৩৪ |
| সপোনত এদিন | - সমীৰণ বৰুৱা | ৩৫ |
| সপোন | - প্ৰফুল্ল শৰ্মা | ৩৬ |
| মোৰ জীৱন | - কাকলী বৰা | ৩৭ |
| জীৱন | - পাৰুল চেতিয়া | ৩৭ |


## গল্প গুচ্ছ


| | | |
|---|---|---|
| ৰজাৰ মৃত্যু | - ৰমেশ কাকতি | ৪০ |
| গোপন অশ্ৰু | - লুকুমনী দত্ত বৰা | ৪৩ |
| অপেক্ষা | - পঙ্কজ মেধী | ৪৪ |

## অনুভৱৰ শিল্প ঃ


- "যৌৱন যৌৱন সৃষ্টিৰ যৌৱন" - ধৰ্মেন্দ্ৰ গগৈ ৪৬
- সুসিদ্ধান্তই জীৱন ধুনীয়া কৰে - বৰ্ণালী মহন্ত ৪৭


## প্ৰাচীন পত্ৰিকা শিতান

### গল্প


- সপোন - ধৰ্মেন্দ্ৰ গগৈ ৫০
- ভাগি যোৱা সপোনবোৰ - পুৰন্দৰ গোহাঁই ৫০
- আশ্ৰয়ৰ সন্ধানত - জ্যোতিকা দেৱী ৫২
- বৰষা আগমন - সবিতা গগৈ ৫৩


### প্ৰবন্ধ


- আধুনিকীকৰণ আৰু ভাৰতীয় সমাজত পৰিৱৰ্তন - বন্দিতা সন্দিকৈ ৫৪
- অসমৰ নিবনুৱা আৰু স্বনিয়োজন - দিগন্ত বৰা ৫৫
- সমাজৰ সামাজিক পৰিবৰ্তন - কংকনা সোণোৱাল ৫৫
- আধুনিক সমাজৰ ব্যাধি ঃ অনুশাসনহীনতা - ৰিংকুমনি বৰা ৫৬


### কবিতা


- ব'হাগ আহিবানে - লিলি বৰা ৫৭
- নতুন হাঁহি - বন্তি বৰা ৫৭
- তোমাৰ বুকুৰ উপন্যাস - চুচনা কণ্ডিৰ ৫৭
- দ্বীপ - পৰিস্মিতা শৰ্মা ৫৮
- সংগ্ৰাম - সবিতা দত্ত ৫৮


## ENGLISH SECTION


- GROWTH OF TRIBAL POPULATION IN NORTH EAST INDIA. - **Dr. Hamidur Rahman** 64
- PREVALENCE OF MAGIC AND INCANTATION ON MEDIEVAL ASSAM - **Dr. Bina Saikia** 66
- SOCIAL EMPOWERMENT OF WOMEN - **Dr. Swapna Dutta** 68
- POPULATION AGEING-A SOCIOLOGICAL DISCOURSE OF PRESENT INDIA - **Dr. Runali Goswami** 70
- PARTICIPATION OF WOMEN IN RURAL DEVELOPMENT - **Lupamudra Borgohain** 72


## সম্পাদকীয় প্ৰতিবেদন


- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ৭৬
- লঘূ ও গুৰু ক্ৰীড়া বিভাগ সম্পাদকৰ প্ৰতিবেদন ৭৭
- লঘূ ও গুৰু ক্ৰীড়া বিভাগ সম্পাদকৰ প্ৰতিবেদন ৭৮



উপদেষ্টাৰ মন্তব্য - মীনা বৰা ৭৯

# সম্পাদকীয়






## উশৃঙ্খলতাৰ বেলুত বৰ্তমানৰ ছাত্ৰ সমাজ

সমাজ এখনৰ ভৌগোলিক অৱস্থিত আৰ্থ সামাজিক আৰু ৰাজনৈতিক অৱস্থা তথা ইয়াৰ পট পৰিবৰ্তনে নতুন প্ৰজন্মৰ ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত বিশেষ প্ৰভাৱ পেলায়। সেই ফালৰ পৰা স্বাধীন ভাৰতৰ অন্যতম অংগৰাজ্য আমাৰ উঠি অহা নতুন চামৰ মাজত শেহতীয়াকৈ অপৰাধ প্ৰৱণতা, যুৱ উশৃঙ্খলতা বিকৃত মানসিকতা আদি প্ৰৱণতাই গা কৰি উঠাতো নিঃসন্দেহে এক উদ্দেগজনক বিষয় হৈ পৰিছে আজি সমাজৰ বাবে। ৰাজ্যখনে সকলো দিশতে সমৃদ্ধিশালী হোৱাৰ স্বত্বেও কেন্দ্ৰ অথবা ৰাজ্যচৰকাৰে স্বাধীনতা কালৰে পৰা আচৰ্য্যজনক ভাৱে অদূৰদৰ্শী আঁচনিৰে শোষণ আৰু বঞ্চনাৰে পথ প্ৰশস্ত কৰি ৰাজ্যখনত অনুৎপাদনশীল ব্যৱস্থা কিছুমান গঢ়ি তুলি এক কাৰ্য বিমুখ সংস্কৃতি গঢ়ি তোলাৰ পৰিণতিতেই বৰ্তমান নতুন প্ৰজন্মই সঠিক পথৰ সন্ধান উলিয়াব নোৱাৰি দিশহাৰা হৈ পৰিছে। উক্ত দিশ সমূহত ছাত্ৰ সমাজে এক সুস্থিৰ তথাত অদূৰদৰ্শী ব্যৱস্থা গ্ৰহণ কৰি আমাৰ সমাজ আৰু বৰ্তমান উঠি অহা চামৰ বাবে সঠিক পথৰ সন্ধানৰ প্ৰয়োজন আহি পৰিছে।

বৰ্তমান অসম তথা ভাৰতৰ সামাজিক জীৱন অতি সংকটময়। এই সংকটে ইয়াক কৰি তুলিছে উশৃংখল। এই উশৃংশলতাৰ বাবে যে বহু পৰিমানে দায়ী ছাত্ৰ সমাজ বা যুৱ সমাজ; সেই কথা নুই কৰিব নোৱাৰি। বৰ্তমান সমাজত যি হাৰত যুৱ উশৃংঙ্খলতা বৃদ্ধি হৈছে তাৰ এটা প্ৰধান কাৰণ হৈছে নিৱনুৱা সমস্যা। নিৱনুৱা সমস্যা বৃদ্ধিৰ মূল কাৰণ হ'ল আমাৰ শিক্ষা ব্যৱস্থা।

কিন্তু কেৱল শিক্ষা ব্যৱস্থাকে দুখ দিলে নহ'ব ইয়াৰ বাবে সমানে দায়ী প্ৰতিষ্ঠিত ৰাষ্ট্ৰ ব্যৱস্থা ইয়াৰ ৰক্ষণাবেক্ষণনাত থকা সমাজ ব্যৱস্থা আৰু তাতকৈ বহুগুনে দায়ী কৰ্মবিমুখতা আৰু সমাজৰ আত্মোপলব্ধিৰ অভাৱ।

বৰ্তমান সময়ত স্কুল কলেজ সমূহত ডিগ্ৰীধাৰী শিক্ষাৰ দিয়াৰ ব্যৱস্থা কৰিলে আমাৰ উঠি অহা যুৱক-যুৱতীসকলে কৰ্ম সংস্থাপন মুখী হ'লে আমাৰ দেশৰ উন্নতি হ'ব। অন্যহাতেদি আকৌ প্ৰাইমেৰী বিদ্যালয় সময়ত শিক্ষাৰ নামত যি প্ৰতিকূল পৰিবেশ গঢ়ি উঠিছে সেয়া আমি কোনোমতে সুস্থ বুলি ক'ব নোৱাৰো।

গতিকে চলিত শিক্ষা ব্যৱস্থা পৰিবৰ্তন কামি সমাজৰ তথা দেশৰ উন্নতিৰ সাধনৰ যুঁৱলীখন বৰ্তমানৰ যুৱ প্ৰজন্মই কান্ধ পাথি ল'ব লাগিব। কাৰণ নতুনেহে সদায় নতুনত্ব কঢ়িয়াই আনিব পাৰে। সেয়েহে সমাজ পৰিবৰ্তনৰ ভাৰখন কান্ধ পাতি লোৱাতো সদায় নৱ প্ৰজন্মৰহে দায়িত্ব।

আলোচনীৰ সন্দৰ্ভত ঃ নতুন প্ৰতিভাৰ সন্ধানত ন লেখাকৰ সৃষ্টিৰ উদ্দেশ্যেই প্ৰকাশিত হয় মহাবিদ্যালয় মুখপত্ৰ। মহাবিদ্যালয় মুখপত্ৰ খনিয়ে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী সকলৰ সাধনা পাৰদৰ্শিতা তথা প্ৰতিভা বিকাশৰ সুবিধা প্ৰদান কৰে। এনে প্ৰতিভাধৰ সকলকৈলে এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশৰ সপোন দেখিছিলো সাহিত্য আৰু আলোচনী শাখাৰ সম্পাদক পদ গ্ৰহণ কৰি। কিন্তু কৰ্ম ক্ষেত্ৰত এই কাম যে একেবাৰে সহজ নহয় সেইকথা কামত আগবঢ়াৰ পাছতহে উপলব্ধি হয়। যিহেতু এখন আলোচনী সৰ্বাঙ্গ সুন্দৰ হ'ব বাবে প্ৰয়োজন হয় উৎকৃষ্ট সমলৰ। এই ক্ষেত্ৰত মই বাৰুকৈয়ে অসুবিধাত পৰিব লগা হৈছিল। এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বিশাল জন সমুদ্ৰৰ মাজতো সমল বিচাৰি হাবাথুৰি খাব

লগা হৈছিল। ইয়াৰ কাৰণ হয়তু এটাই সেইটো হ'ল সাহিত্য চৰ্চাৰ প্ৰতি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আন্তৰিকতাৰ অভাৱ। এনে অভাৱৰ অনুভৱ হৈছিল বহুদিন অপ্ৰকাশিত হৈ থকা আমাৰ কাৰ্যকালতে প্ৰকাশিত হোৱা প্ৰাচীৰ প্ৰত্ৰিকা 'অংকুৰৰ'ৰ প্ৰকাশৰ সময়তো। যি কি নহওঁক ইয়াৰ মাজতো লেখক লেখিকাই মুখপত্ৰ খনিৰ বাবে লিখনি আগবঢ়োৱাৰ বাবেহে আলোচনীখনে বৰ্তমানৰ ৰূপ পাইছে।

কৃতজ্ঞতা ঃ প্ৰথমতেই শ্ৰদ্ধাৰ কৃতজ্ঞতা জনাইছো মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়া ড° লাৱন্য বুঢ়াগোহাঁই বাইদেউলৈ। যাৰ পৃষ্ঠপোষকতাত আলোচনীখনে বৰ্তমানৰ ৰূপ পাইছে। আলোচনীখনৰ প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিহা পৰামৰ্শ তথা শাৰীৰিক মানসিক ভাৱে সহায়ৰ হাত আগবঢ়োৱা তত্বাৱধায়িকা শ্ৰী মীনা বৰা বাইদেউক আন্তৰিক কৃতজ্ঞতা জনাইছো। নিজে বিভিন্ন কামত ব্যস্ত হৈ থাকিও আজৰি উলিয়াই দিহা পৰামৰ্শৰে উপকৃত কৰা



শ্ৰদ্ধাৰ উপাধ্যক্ষ ড° হামিদুৰ ৰহমান চাৰলৈ মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মুখপাত্ৰখনিৰ প্ৰকাশৰ সময়ত সহায়ৰ হাত আগবঢ়োৱা সম্পাদনা সমিতিৰ অঞ্জলিকা ৰাজখোৱা বাইদেউ, ড° বীনা শইকীয়া বাইদেউ, চালেমা বেগম আৰু বাহাৰুল ইচলাম, ৰমেশ কাকতি আৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুৰ ওচৰত মই চিৰ কৃতজ্ঞ।

লিখনিৰ আকালৰ সময়তো যি সকল মুষ্টিমেয় লেখক লেখিকাই তেখেত সকলৰ লিখনি আগবঢ়াই মুখপাত্ৰখনি বৰ্তমানৰ ৰূপ দিয়াত সহায় কৰিলে সেই সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। সাহিত্য আৰু আলোচনী সম্পাদক পদৰ জৰিয়তে মহাবিদ্যালয়লৈ সেয়া আগবঢ়ালৈ সুবিধা কৰি দিয়াৰ বাবে প্ৰতিজন এলটিকিয়ানলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

অনুজ সকললৈ ঃ নল মৰে গজালি উঠে। আমাৰ পিছত আহিব লগা অনুজ সকলে হয়তো আমাতকৈও অধিক আগ্ৰহ আৰু আন্তৰকতাৰে এই মহাবিদ্যালয়ৰ বাবে কাম কৰিব। অগ্ৰজৰ পাছত অনুজে দায়িত্ব কান্ধ পাতি লোৱাতো জগতৰ পৰম্পৰা। এই পৰম্পৰা ৰক্ষা কৰি হয়তো মহাবিদ্যালয়ৰ প্ৰতি থকা তেখেত সকলৰ দায়িত্ব স্বীকাৰ কৰি ল'ব। অনুজ সকলৰ প্ৰতি আমাৰ আহ্বান তেওঁলোকে যেন আটাইতকৈ উৎকৃষ্ট মুখপাত্ৰ খনি প্ৰকাশ কৰি উলিয়াই। প্ৰত্যেকেই একো একোজন বিশিষ্ট কবি সাহিত্যিক হোৱা সপোন ৰচে মহাবিদ্যালয়খনিৰ বুকুতেই। আমি আশা ৰাখিছো এইদৰেই মহাবিদ্যালয়ৰ উন্নতি ছাত্ৰ সমাজৰ আশাশুধীয়া প্ৰচেষ্টাৰে অৰিহণা আগবঢ়াব।

এই এবছৰীয়া কাৰ্যকালত ভুল ক্ৰুটিৰ অৱকাশ নথকা নহয়। যদি কিবা ভুল কৰিছো আৰু সেয়া যদি অক্ষমনীয় নহয়; তেন্তে মাৰ্জনা বিছাৰিছো আৰু ভৱিষ্যতে গঠনমূলক সমালোচনাৰে আৰু আত্ম বিশ্লষণৰ পথেৰে মহাবিদ্যালয় খনিক প্ৰকৃতাৰ্থত উৎকৰ্ষতাৰ কেন্দ্ৰ স্বৰূপে গঢ় দিবলৈ সংকল্পবদ্ধ হওঁ আহক। ইয়াকে কামনা কৰি ভৱিষ্যতৰ দিনৰ মহাবিদ্যাসয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

জয়তু লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা

**ৰাজু শইকীয়া**
সম্পাদক
লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়,
ছাত্ৰ একতা সভা।

# প্রবন্ধ বিভাগ



# "জ্যোতি প্ৰসাদৰ নাট্য প্ৰতিভা" এটি বিশ্লেষণ

□ পাৰুল চেতিয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

বুৰঞ্জীৰ সমলেৰে পৰিপূৰ্ণ এডোখৰ ঠাইত খনন কাৰ্য্য চলাই যেনেকৈ নতুন নতুন তথ্যৰ সন্ধেদ পাব পাৰি ঠিক তেনেকৈ জ্যোতিপ্ৰসাদৰ জীৱন আৰু ৰচনা সম্ভাৰ অধ্যয়ন কৰি থাকিলেও ন ন তথ্য আৰু ঘটনাৰ সন্ধেদ পাব পাৰি।

'জ্যোতি প্ৰসাদ' পাঁচোটা আখৰৰ এটি তেজোদীপ্ত নাম, যি নামৰ উচ্চাৰণৰ লগে লগে কাণত বাজি উঠে মন উতলা কৰা বনৰীয়া গান, হৃদয়ত ধ্বনিত হয় চিৰমংগলৰ, চিৰ কল্যাণৰ জয়ধ্বনি, মনৰ থাপনাত উজ্বলি উঠে বিচিত্ৰ বৰ্ণৰ ফুলৰ চাকি, মগজুৱে বিচাৰি পায় সংস্কৃতিৰ বৰ পথাৰত চিন্তা আৰু কৰ্মৰ কঠিয়া। গীত, কবিতা, প্ৰবন্ধ, গল্প, উপন্যাস, শিশু সাহিত্য, জীৱনী, নাটক আদি কৰি সাহিত্যৰ এনে এটা বিভাগ নাই য'ত জ্যোতিপ্ৰসাদৰ কলমৰ পৰশ পৰা নাই।

কবি জ্যোতিপ্ৰসাদ, গীতিকাৰ জ্যোতিপ্ৰসাদ, প্ৰাৱন্ধিক জ্যোতিপ্ৰসাদ, সংস্কৃতিবান জ্যোতিপ্ৰসাদ, সকলোকে একাষৰীয়াকৈ থৈ নাট্যকাৰ জ্যোতিপ্ৰসাদৰ বিষয়েহে আলোচনা কৰা হ'ব।

জ্যোতিপ্ৰসাদৰ বিভিন্ন দিশত প্ৰতিভা বিকশিত হৈছিল যদিও তেওঁৰ স্বাভাৱিক বিস্তৃতি ঘটিছিল নাট ৰচনাত। নাট্য জগতৰ লগত তেওঁৰ পৰিচয় জন্ম লগ্নৰ পৰাই। কলা সংস্কৃতিৰ প্ৰতি অকৃত্ৰিম আকৰ্ষণ আৰু চৰ্চা থকা ঘৰৰ পৰিয়ালটো আছিল জ্যোতিপ্ৰসাদৰ ল'ৰালি কালৰ সাংস্কৃতিক ক্ষেত্ৰ। তেজপুৰৰ বাণ ষ্টেজৰ ঐতিহ্যমণ্ডিত পৰিৱেশৰ লগত আগৰৱালাৰ পৰিয়ালটোৰ ঘনিষ্ঠ সম্পৰ্ক ৰখাৰ বাবেই তেওঁৰ কলাৰ প্ৰতি হেঁপাহ সৰু কালতে বিকশিত হৈছিল। পিতৃ পৰমান্দ আগৰৱালা, পিতামহ ভীস্মপ্ৰতীম ককাদেউতাক হৰিবিলাস আগৰৱালা, বৰ দেউতাক জোনাকী যুগৰ ত্ৰিমূৰ্ত্তিৰ বিখ্যাত কবি চন্দ্ৰকুমাৰ আগৰৱালা, মাতৃ কিৰণময়ীৰ সাহিত্যিক আৰু সংগীতিক প্ৰভাৱ তেওঁৰ ওপৰত জোনৰ পোহৰ পৰাৰ দৰে পৰিছিল। তেওঁ বানষ্টেজত অভিনয় কৰিছিল, সংগীত পৰিচালনা কৰিছিল, মঞ্চৰূপ দি এক অন্তৰংগ যোগসূত্ৰত সোমাই পৰিছিল। ক'বলৈ কুণ্ঠাবোধ নহয় যে তেজপুৰৰ হৰিবিলাস আগৰৱালাৰ সংস্কৃতি পৰম্পৰা বহন কৰা বৃহৎ পৰিয়াল, বানষ্টেজৰ অনুৰাগী পৰিৱেশ আছিল জ্যোতিপ্ৰসাদ আগৰৱালাক পূৰ্ণ সংস্কৃতিকবান নাগৰিকৰূপে গঢ় দিয়া কঠিয়াতলি।

জ্যোতিপ্ৰসাদে নাটক ৰচনাত গুৰুত্ব দিছিল এই কাৰণত যে নাটকীয় ক্ৰিয়া কলাপ সকলো লোকৰে উপভোগৰ মাধ্যম। আখৰ চিনি নোপোৱা, অক্ষৰ পৰিচয়হীন জনৰ পৰা পঢ়া-শুনা কৰা জনলৈকে সকলোৱে নাটক উপভোগ কৰে। নাটকৰ নয়নানন্দ গুণ আছে। নাটকৰ যোগেদি অজস্ৰ হৃদয়ক সংযোগ ঘটাব পৰা যায়। নাটকত এটা বাস্তৱ বা কাল্পনিক ঘটনাক ফুটাই তুলিব পাৰি। নাটকৰ মাজেদি সমাজৰ সকলো শ্ৰেণীৰ মানুহক সামৰি ল'ব পৰা সুবিধা আছে। তেওঁ নাটকৰ ক্ষেত্ৰত কৃতিত্ব লাভ কৰিছিল 'মানুহ' বোলা প্ৰাণীটোৰ ৰহস্যময় জীৱনধাৰা অধ্যয়ন কৰি। তেওঁৰ মানত নাটক আছিল মনুষ্য জীৱনৰ প্ৰকৰণ উপকৰণৰ জীয়া কাহিনী।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক যেনেদৰে নাট্য গুণেৰে পৰিপূৰ্ণ, ঠিক তেনেদৰে বহু দ্বন্দ্বেৰে নিৰ্মিত। তেওঁ অসমীয়া নাট্য সাহিত্যলৈ দিয়া দান স্বৰূপে মূলতঃ নখন নাটক পোৱা যায়। সেইকেইখন হ'ল- 'শোণিতকুঁৱৰী', 'কাৰেঙৰ লিগিৰি', 'ৰূপালীম', 'লভিতা', 'খনিকৰ', 'কনকলতা,' 'সুন্দৰ', 'নিমাতী কইনা' আৰু 'সোণ পখিলী। ইয়াৰ ভিতৰত 'কনকলতা', 'সুন্দৰ কোৱঁৰ আৰু 'সোণ পখিলী', এই কেইখন অসম্পূৰ্ণ।

জ্যোতিপ্ৰসাদৰ প্ৰথম নাট্য প্ৰচেষ্টা হ'ল তেওঁৰ চেঙেলীয়া বয়সৰ ৰচনা 'শোণিতকুঁৱৰী'। তেওঁ স্কুলত পঢ়া বয়সতে অৰ্থাৎ ১৪ বছৰ বয়সতে ইয়াক ৰচনা কৰিছিল যদিও কলেজীয়া জীৱনত হাতফুৰাই যত্ন সহকাৰে ১৯২৪ চনত প্ৰথমে 'বান থিয়েটাৰ'ত মঞ্চস্থ কৰে। হিন্দুস্থানী আৰু বঙলা সংগীতে সেই সময়ত অসমত ৰাজত্ব কৰিছিল। অসমীয়া চহৰীয়া শিক্ষিত সমাজৰ মাজত অসমীয়া বৰগীত, বনগীত, আইনাম, বিহুগীত আদিৰ স-আদৰ নোহোৱা হৈছিল। সেই সময়তে জ্যোতিপ্ৰসাদৰ প্ৰত্যাহ্বান পৰিলক্ষিত হৈছিল তেওঁৰ চালুকীয়া বয়সৰ ৰচনা কৰা প্ৰথম নাট 'শোণিতকুঁৱৰী'ত। অসমীয়া থলুৱা গীত মাতৰে, নাচে ৰগৰে নাটখন গুৰুত্বপূৰ্ণ। ইয়াৰ বিষয়বস্ত পুৰাণ প্ৰসিদ্ধ উষা অনিৰুদ্ধৰ প্ৰণয় কাহিনী। এটা পৌৰাণিক আখ্যানৰ আলমত জ্যোতিপ্ৰসাদে অসমীয়া নাট্য সাহিত্যলৈ এটি নতুন সোঁত বোৱালে। গীতৰ অময়া সমাবেশ নাটখনক অসমীয়া দৰ্শকৰ বাবে এক অভুতপূৰ্ব জাগৰণ আনিলে। এক মানৱীয় অৰ্থাৎ উষাৰ সপোন বা অধিক বাস্তৱভাৱে কল্পনাৰ কামনাক বাস্তৱত ৰূপ দিয়া চিত্ৰলেখাক

ৰূপকোৱঁৰে শিল্পীৰ সত্তাৰ সাৰ্থক ৰূপদান কৰিলে। এই নাটকৰ চৰিত্ৰসমূহত জটিলতা নাই যদিও সৰল মাধুৰ্য্যৰ মাজেৰে অতিপ্ৰাকৃত পৰিৱেশ সৃষ্টি কৰিববলৈ নাট্যকাৰ সক্ষম হৈছে। বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন আৰু উষা অনিৰুদ্ধৰ মিলনেই ইয়াৰ মূল বিষয়বস্তু। নাটকৰ মূল চৰিত্ৰ বান ৰজাৰ জীয়ৰী উষাৰ মাজেদি নাট্যকাৰে পূৰ্ণযৌৱনা নাৰীৰ অন্তৰৰ ভাৱানুভূতি সুন্দৰ ভাৱে অংকিত কৰিছে। নাটকৰ আৰম্ভনিতে 'গছে গছে পাতি দিলে ফুলৰে শৰাই' গীতটোৰেই বসন্ত কালৰ উদ্ভিন্ন যৌৱনা ফুলৰ মৌ চুহিবলৈ কলিয়া ভোমোৰা উৰি অহাৰ আগলি বতৰা দিছে। উষাৰ চৰিত্ৰৰ মাজেৰে চিৰন্তন প্ৰেমিকৰ এখন উজ্বল প্ৰতিচ্ছবি ফুটি উঠিছে।

জ্যোতিপ্ৰসাদৰ দ্বিতীয় নাট্য প্ৰচেষ্টা হ'ল' কাৰেঙৰ লিগিৰী। ১২২৫-২৬ চনৰ ভিতৰত সমাপ্ত কৰা এই নাটকখন এটা নতুন উপস্থাপন ৰীতিৰ পৰীক্ষা মূলক প্ৰচেষ্টা। এই নাটখন জ্যোতিপ্ৰসদাৰ নাট্য ৰচনাৰ উৎকৃষ্ট উদাহৰণ বুলি অনেক বিজ্ঞ সমালোচকে ক'ব খোজে। মানুহে কেনেকৈ ভাগ্যৰ বিড়ম্বনাত কষ্ট ভোগে, কেনেকৈ অহমিকা, বুদ্ধি ভ্ৰংশ আৰু নিজ দুৰাকাঙ্খাৰ ফলত অব্যক্ত দুখত মৰ্মাহত হয় তাৰ দৃষ্টান্ত নাটখনত লক্ষ্য কৰিব পাৰি। এই নাটৰো বিষয়বস্তুৰ প্ৰাচীন সামন্ত সমাজ। জ্যোতিপ্ৰসাদৰ এই নাটৰ আৰম্ভনীৰে পৰা শেষলৈকে বিস্তৃত হৈ আছে দুৰ্বিসহ যাতনা। সামাজিক পৰম্পৰাত বিশ্বাসী ৰাজমাতৃৱে পুত্ৰ সুন্দৰ কোৱঁৰৰ ওপৰত জাপি দিব খোজা বিবাহৰ বোজাই দ্বন্দ নমাই আনিছে। স্বৰ্গদেউ ঈশ্বৰ বুঢ়া হৈ অহাত সুন্দৰ কোৱঁৰে ৰাজ্যভাৰ গ্ৰহণ কৰিব লাগে, কিন্তু তাকে কৰিবলৈ হ'লে ৰাজঘৰীয়া সমাজৰ নিয়ম অনুসৰি সুন্দৰ কোৱঁৰ এই নিয়মৰ অধীন নহয়। সুন্দৰ কোৱঁৰৰ যুক্তি 'বিয়াৰ ৰভাঘৰৰ তলেদি অগ্নিক সাক্ষী কৰি, কন্যাৰ আঁচলৰ গাঠিতহে যদি মোৰ ৰাজমুকুট আহিবৰ বাট তেন্তে সি দূৰতে থাওক।' ইয়াতেই কাৰেঙৰ লিগিৰী নাটকৰ দ্বন্দৰ আৰম্ভনি।

জ্যোতিপ্ৰসাদৰ তৃতীয় নাটক হ'ল 'ৰূপালীম'। ১৯৩৪ চনত আৰম্ভ কৰি তেওঁ ১৯৩৬ চনত শেষ কৰে। এই নাটখনে জনপ্ৰিয়তাৰ শীৰ্ষক স্থান লাভ কৰিছিল। ৰূপালীমৰ কাহিনী কল্পনা মনোৰম। ৰোমান্টিক ভাৱধাৰাৰে পৰিপূৰ্ণ হ'লেও নাটখনত বিপ্লৱী মনৰ গতিবেগ আছে। এই নাটকত ৰূপালীম আৰু মণিমুগ্ধ দুয়ো মূল চৰিত্ৰ। দুয়োটা চৰিত্ৰই প্ৰেম, হিংসা, লোভ আৰু হতাশাত ভুগিছে। এই নাটকত সামাজিক সমস্যা নাই আছে এটা নিভাঁজ প্ৰেমৰ কাহিনী। নাটকীয় উৎকণ্ঠাত মানুহৰ মনস্তাত্বিক দিশ উদঘাটন কৰাত নাট্যকাৰ সফল হৈছে। ঘটনাৰ পৰিক্ৰমাত নাৰী হৃদয়ৰ গভীৰ সহমৰ্মিতা প্ৰকাশ পাইছে। জ্যোতিপ্ৰসাদৰ 'ৰূপালীম' নাটকৰ মাজেৰে নাৰী চৰিত্ৰকেইটি স্বমহিমাৰে মহিমামণ্ডিত হৈছে।

জ্যোতিপ্ৰসাদৰ অন্য নাটক হ'ল ১৯৪৫-৪৬ চনত প্ৰকাশ পোৱা 'লভিতা'। লভিতাৰ পটভূমি বিয়াল্লিছৰ আৰু দ্বিতীয় মহাসমৰৰ সময়ত অসমত ঘটা সঁচা ঘটনাৱলী। লভিতা চৰিত্ৰটোৰ লগত অসমীয়া সাধাৰণ গাৱঁলীয়া ছোৱালীৰ চৰিত্ৰবল দেশপ্ৰেম প্ৰদৰ্শন হৈছে। বীৰংগনা কনকলতা প্ৰতিবিম্ব জিলিকি পৰিছে লভিতাৰ মাজেদি। লভিতা চৰিত্ৰটো একান্ত আদৰ্শ পুষ্ট। এই নাটকখন অগতানুগতিক। লভিতা এনে এক আদৰ্শৰে সৃষ্ট নাৰী, যিয়ে অসীম ধৈৰ্য্য আৰু সাহসিকতাৰে সমাজৰ বিৰুদ্ধে, প্ৰতিকূল অৱস্থাৰ বিৰুদ্ধে যুঁজ দিছে আৰু নানা সংঘাতৰ মাজেৰে গৈ দেশৰ বাবে আত্ম বলিদান দিছে। দেশৰ বাবে নিজৰ জীৱন উৰ্চগা কৰি লভিতা দ্বন্দত ভুগিছে সমাজৰ নীতি নিয়মৰ বাবে।

জ্যোতিপ্ৰসাদৰ অন্য নাটক হ'ল 'নিমাতি কইনা'। এই নাটকখন এখন সাংকেতিক নাটক। ইয়াত অন্তৰ্নিহিত হৈ আছে ৰূপকোৱঁৰৰ প্ৰকৃত জীৱন দৰ্শন। এই নাটকৰ সকলো চৰিত্ৰই হাঁহে, সকলো চৰিত্ৰই সবাক, কেৱল বাকৰুদ্ধ হ'ল নিমাতী। ৰতনপুৰৰ ৰজা সবিতা প্ৰিয়ৰ আদৰুৱা জীয়ৰী। জ্যোতিপ্ৰসাদৰ মতে মানুহৰ সভ্যতাৰ অধিষ্ঠাত্ৰী হৈছে কলালক্ষ্মী, নিমাতীক কলালক্ষ্মী ৰূপত সজাই ৰূপকোঁৱৰৰ পৰশত অৰ্থাৎ সংস্কৃতিৰ পৰশতহে নিমাতীৰ অমাতৰ মাত ফুটি উঠিব তাকে নাটকখনত দৰ্শাইছে।

এই নাটকখনৰ উপৰিও জ্যোতিপ্ৰসাদে 'খনিকৰ' ,'সোণপখিলী', 'কনকলতা', আৰু 'সুন্দৰ কোঁৱৰ', নামেৰে কেইখনমান নাটক ৰচনা কৰিছিল। তাৰ ভিতৰত 'খনিকৰ' নাটখনৰ বাহিৰে বাকীকেইখন অসম্পূৰ্ণ হ'ল। এই নাটককেইখন আগৰ কেইখনৰ তুলনাত সিমান মনোগ্ৰাহী নহ'ল। মানে পাগত নুঠিল। হয়তো তেওঁ পুনৰ হাত ফুৰাবলৈ সময় নাপালে। নিজে আশা কৰা মতে নাটককেইখন সুপ্ৰতিষ্ঠিত কৰিব নোৱাৰিলে। যদিও বিফল হ'ল তথাপিও নাটকেইখন অসমীয়া নাট্য সাহিত্যৰ দলিলৰূপে চিহ্নিত হৈৰ'ল।

জ্যোতিপ্ৰসাদ আগৰৱালাই নিজেই এঠাইত লিখি গৈছিল "বহু সময়ত কোনো কবিয়ে লিখা কবিতাতকৈ কোনো খনিকৰে গঢ়া প্ৰতিমাতকৈ কোনো চিত্ৰ শিল্পীয়ে অকাঁ তেওঁৰ চিত্ৰ পটতকৈ সেই কবি, সেই খনিকৰ বা সেই চিত্ৰশিল্পী নিশ্চয় মহৎ। কবি, শিল্পী বা খনিকৰে যিখিনি ভাবে, যিখিনি অনুভৱ কৰে তাৰ লক্ষ ভাগৰ এভাগহে মাথোন ভাষাৰ মাজেদি প্ৰকাশ পায়।' এই কথাৰ পৰা জানিব পাৰি জ্যোতিপ্ৰসাদে তেওঁৰ মনৰ কথা, সাহিত্য, শিল্পকলা আৰু ভাষণৰ মাজেদি লক্ষ্য ভাগৰ এভাগহে মাথোন উত্তৰ পুৰুষৰ বাবে দি গৈছে। কিন্তু এই খিনিক আমি সহৃদয়ে আয়ত্ব কৰিব পাৰিলেহে জ্যোতিপ্ৰসাদক স্মৰণ কৰাৰ সাৰ্থকতা হ'ব। অসমৰ সামাজিক পৰিস্থিতিটো জ্যোতিপ্ৰসাদৰ চৰ্চা যিমানেই কৰা হ'ব সিমানেই আমাৰ দেশ আৰু জাতিৰ মংগল হ'ব। ❑

## প্ৰতিবন্ধী সকলো হ'ব পাৰে

# প্ৰেৰণাৰ উৎস



□ ৰূপালী শইকীয়া (দত্ত)
পুথিভঁৰাল সহায়িকা

চাৰি বছৰ বয়সতে পলিঅ' ৰোগত আক্ৰান্ত হৈ বাওঁ ভৰিখন অকামিলা হোৱা আমেৰিকা যুক্তৰাষ্ট্ৰৰ উইলিয়াম ৰুডলফে ১৯৫০ চনৰ অলিম্পিকত দৌৰত তিনিটা সোণৰ পদক (১০০ মিটাৰ, ২০০ মিঃ আৰু ৪০০ মিটাৰ বিলে) অৰ্জন কৰিছিল। নখন অলিম্পিকত তিনিটা স্বৰ্ণপদক পোৱা তেওঁ আছিল প্ৰথম আমেৰিকান মহিলা। প্ৰবল ইচ্ছাশক্তি আৰু অনুশীলনৰ বাবে কৃত্ৰিম ভৰি লগাই তেওঁ ৰেকৰ্ড সৃষ্টি কাৰী অলিম্পিক চেম্পিয়ন হয়।

প্ৰখ্যাত বিজ্ঞানী আৰু লেখক ষ্টিফেল হকিং ২১ বছৰ বয়সত এক দুৰাৰোগ্য স্নায়বিক ৰোগত আক্ৰান্ত হয়। তেওঁ লাহে লাহে লৰচৰ কৰাৰ ক্ষমতা আৰু বাক্‌শক্তি হেৰুৱাই। এতিয়া তেওঁ এক বিশেষ ধৰণৰ কম্পিউটাৰৰ সহায়ত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰে আৰু লিখা মেলা কৰে। শাৰীৰিক প্ৰতিবন্ধকতা নেওচি তেওঁ লিখি উলিয়াইছে 'এ ব্ৰিফ হিষ্টৰী অব্ টাইম'' "ব্লেক হ'লছ এণ্ড বেবী ইউনিভাৰ্ছ'' নামৰ বিখ্যাত গ্ৰন্থ।

অসমৰ ৰীতম ডেকা ছবছৰ বয়সতে আক্ৰান্ত হয় "ভুকিন্স মাস্কলাৰ ডিষ্ট্ৰফী'' নামৰ মাৰাত্মক ৰোগত। ৰীতমৰ মাংসপেশীবোৰ লাহে লাহে অসাৰ হৈ হৃদযন্ত্ৰ আৰু আন অংগবোৰো ক্ৰমে অকামিলা হবলৈ ধৰে। দেহত পেচমেকাৰ লৈ পিতৃ-মাতৃ আৰু আত্মীয় স্বজনৰ সহযোগত ৰীতমে বেমাৰৰ বিৰুদ্ধে যুঁজ চলাই গ'ল।

২০০৩ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছটা বিষয়ত লেটাৰ নম্বৰ সহ উত্তীৰ্ণ হৈ মহাবিদ্যালয়ৰ শ্ৰেণীটো নাম ভৰ্ত্তি কৰিলে। কিন্তু উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষাৰ ফলাফল পোৱাৰ আগতেই বেমাৰৰ ওচৰত পৰাজয় স্বীকাৰ কৰি এই পৃথিৱীৰ পৰা আতৰি গ'ল। মৃত্যুৰ পিছত ওলোৱা ফলা-ফল অনুসৰি তেওঁ পৰীক্ষাত প্ৰায় ৯২ শতাংশৰ নম্বৰ পাই উত্তীৰ্ণ হৈছে। অদমীয় ইচ্ছা শক্তিৰে ৰীতমে নিজৰ ছুটি জীৱনটো প্ৰশংসনীয় কৰি থৈ গ'ল আৰু দেখুৱাই থৈ গ'ল আন বহুতক পোহৰৰ বাট। □

* চিগাৰেটৰ এটা মূৰত জুই থাকে, আনটো মূৰত এজন মুৰ্খ থাকে।

  – জৰ্জ বাৰ্ণাডশ্ব'

* পৃথিৱীত সবাতোকৈ সহজ কাম হৈছে আনক সমালোচনা কৰা, সবাতোকৈ টান কাম হৈছে নিজকে সংশোধন কৰা।

  – হেম বৰুৱা

* এশ বছৰ জীয়াই থকা অসৎ চৰিত্ৰৰ আৰু অসংযত লোকৰ জীৱনতকৈ চৰিত্ৰবান, ধৰ্মপৰায়ণ লোকৰ এদিনৰ জীৱনো শ্ৰেয়।

  – বুদ্ধদেৱ

* সন্যাসীৰো যিদৰে অতীত আছে, পাপীৰো সেইদৰে ভৱিষ্যত আছে।

  – ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

সংগ্ৰাহক - শ্ৰীমতী দেৱজানী বৰা, উঃ মাঃ ২য় বৰ্ষ

# বিৰল ব্যক্তিত্বৰ এগৰাকী মহিয়সী

# নাৰী



□ গীতালী বৰা, স্নাতক প্ৰথম বৰ্ষ

যি সময়ত ৰাছিয়া আৰু ব্ৰিটিছসকলৰ মাজত বিখ্যাত ক্ৰিমিয়ান যুদ্ধ হৈছিল, সেই যুদ্ধৰ পটভূমিতে সাহস, বীৰত্ব আদি গুণৰ দ্বাৰা নিজৰ ভাগ্য নিৰ্ণয় কৰিবলৈ এগৰাকী মহিয়সী নাৰীয়ে কৰ্মক্ষেত্ৰত দৃঢ় পদক্ষেপ দিলে। সময়ৰ কি অপূৰ্ব সঁহাৰি যে ক্ৰিমিয়ান যুদ্ধতেই নাইটিঙ্গেল চৰাইৰ দৰে সুন্দৰ আৰু সুললিত কণ্ঠৰ গৰাকী ফ্লৰেন্স নাইটিঙ্গেল বিশ্বৰ ইতিহাসত এগৰাকী মহিয়সী নাৰী হিচাপে চিহ্নিত হৈ ৰ'ল।

যুদ্ধ বতাহ পূৰাদমে চলি থকাৰ সময়তে নাইটিঙ্গলে গাৱঁৰ ঘৰৰ পৰা লণ্ডন চহৰলৈ আহি শৰীৰ বিজ্ঞান আৰু হাস্পাতাল পৰিগৰ্শন কৰি চিকিৎসা বিদ্যাৰ ব্যৱহাৰিক জ্ঞান আহৰণ কৰিছিল। এইদৰে নাইটিঙ্গেলে তেওঁৰ মনোমত বিষয় শৰীৰ বিদ্যা আৰু নাৰ্ছিং জ্ঞানত পাৰদৰ্শিতা লাভ কৰি ১৮৫২ চনত নিজকে নাছিং সেৱাত মনোনিবেশ কৰে। কঠোৰ শ্ৰম, ঘৰুৱা বাধা নেওঁচি নিজ দেশ লণ্ডনৰ ওপৰিও জাৰ্মান দেশৰ কেচাচ্ৱাথৰ প্ৰটাষ্ঠান সকলৰ দ্বাৰা পৰিচালিত নাচিং প্ৰতিষ্ঠানত প্ৰশিক্ষন লয়। ১৮৫৩ চনত তেওঁ পেৰিচ মহানগৰত অৱস্থিত চিষ্টাৰ সকলৰ দ্বাৰা পৰিচালিত দাতব্য চিকিৎসালয় বিলাক কেনেদৰে পৰিচালিত হয়, কেনেদৰে এইবিলাক কাম কৰে তাৰ বিষয়েও বিস্তৃত অধ্যয়ন কৰি নাইটিঙ্গেল গঢ়ি উঠা "এষ্টাব্লিছমেন্ট ফৰ জেন্টেল উইমেন" প্ৰতিষ্ঠানটোৰ অধীক্ষক হয়।

ক্ৰিমিয়ান যুদ্ধত ব্ৰিটিছ সকলে বিজয়ৰ গৌৰৱ আহৰণ কৰিছিল যদিও আঘাট প্ৰাপ্ত সৈনিক সকলে উপযুক্ত চিকিৎসা নোপোৱাৰ বাবে বিজয়ৰ ঢৌ নিমিযতে মাৰ গৈছিল। ৰক্ষণশীল সেই সময়ৰ সমাজত মহিলাই সমানে পুৰুষৰ লগত কাম-কাজ কৰাত নিষেধ আছিল। এনে ক্ষেত্ৰত ইংৰাজ সকল এখোপ চৰাহে আছিল। কিন্তু এনে হলেও অৱস্থা চাই ব্যৱস্থা কৰিবৰ নিমিত্তে সচিব হাৰবাটে ব্ৰিটিছ কেবিনেটৰ অনুমোদন লৈ ফ্লোৰেঞ্চ নাইটিঙ্গেলক যুদ্ধক্ষেত্ৰত সেৱা আগবঢ়াবৰ বাবে নিযুক্তি দিলে।

নিৰ্দেশ পাই নাইটিঙ্গেলে ১৮৫৪৫ চনত ক্ৰিমিয়ান যুদ্ধ ক্ষেত্ৰত উপস্থিত হলগৈ ৩৮ গৰাকী নাৰ্ছ লগত লৈ। নাইটিঙ্গেলে ক্ৰিমিয়াৰ হাস্পাতালত প্ৰৱেশ কৰাৰ ফলত কোনো তৎপৰতাৰ উদ্ভৱ নহলেও তেওঁৰ উপস্থিতি আৰু কৰ্ম সংগঠনৰ প্ৰভাৱ যেন সকলোৱে অনুভৱ কৰিছিল। ক্ৰিমিয়ানৰ বই হাস্পাতালখন যথেষ্ট ডাঙৰ আছিল। কিন্তু ইয়াত পৰিস্কাৰ-পৰিছন্নতা, নিয়ম শৃংখলা বুলিবলৈ একোৱেই নাছিল। ৰোগী সকলে অশেষ যান্ত্ৰণা অনুভৱ কৰি নাৰকীয় অৱস্থাতে থাকিব লগা হৈছিল। কোনোবাই নতুন জীৱন পাইছিল আৰু কোনোবাই হেৰুৱাইছিল। ২০০০ জন ৰোগী আৰু আহত সৈনিক চিকিৎসাধীন হৈ থকা এই হাস্পাতালৰ অপৰিস্কাৰ, অস্বাস্থ্যকৰ পৰিৱেশ নাইটিঙ্গেলে সমূলি সহ্য কৰিব পৰা নাছিল। সেয়ে অলপো সময় অপব্যয় নকৰি তেওঁ নিজৰ গাঁঠিৰ ধন ভাঙি এসপ্তাহৰ ভিতৰতে হাস্পাতালৰ সৌষ্ঠৱ ঘূৰাই আনিছিল। ভাবিলে আচৰিত লাগে যে নাইটিঙ্গেলে নিজে ৰোগীক পুষ্টিকৰ খাদ্য যোগান ধৰি শুশ্ৰূষা কৰিছিল। ৰোগীৰ মনোবল বঢ়াই জীৱনৰ প্ৰতি আস্থা ঘূৰাই আনিছিল।

এমে মানৱ দৰদী সেৱিকা ইতিহাসত একোটা বিৰল দৃষ্টান্ত। বৰ্তমানৰ দৰে সেই সময়তো হাস্পাতালত বেজি, কপাহ আদি পোৱা নগৈছিল। কিন্তু নাইটিঙ্গেলে প্ৰয়োজনীয় বস্তু নিজা উদ্যোগত, নিজা খৰচত এটা গুদাম প্ৰতিষ্ঠা কৰি মজুত ৰাখিছিল। প্ৰয়োজনানুসাৰে সকলো বস্তু পাই চিকিৎসক আৰু চাৰ্জন সকল

নাইটিঙ্গেলৰ প্ৰতি কৃতজ্ঞ হৈছিল। তেওঁ নিয়ম মানি চলিবলৈ ভাল পাইছিল কিন্তু নিয়ম আৰু আহত সৈনিক সকলৰ মাজত মাজে মাজে ধৰ্ম সংকটত পৰিছিল। এনে পৰিস্থিতিত তেওঁ নিয়ম ধোৱা চাঙত তুলি দিছিল। কাৰণ তেওঁ উপলব্ধি কৰিছিল যে আতুৰত নিয়ম নাস্তি।

মানৱ সেৱাৰে জীৱনৰ মূল মন্ত্ৰ বুলি গ্ৰহণ কৰা নাইটিঙ্গেলে এই হাস্পাতালত সেৱা আগবঢ়াই যাওঁতে তেওঁ হৈ পৰিছিল এক বিৰল মহিমা মণ্ডিত নাৰী। কামৰ প্ৰতি থকা তেওঁ স্পৃহা আৰু ধৈৰ্য্যশীলতা দেখি সকলো অবাক হৈছিল। প্ৰতিদিনে প্ৰায় ৮ ঘন্টা থিয় হৈ থাকি আহত সৈনিকৰ ঘা, বেণ্ডেজ কৰি তেওঁলোকৰ গাত নিৰাময়ৰ প্ৰশান্তিপূৰ্ণ হাত বুলাই দিছিল। আনকি কেতিয়াবা কেতিয়াবা তেওঁ শোৱন-খাৱন এৰি একেবাৰে বিশ ঘন্টা জুৰি থিয় হৈ থাকি অপাৰেচনৰ কামত সহায় কৰিছিল। কোৱা বাহুল্য যে আসন্ন-মৃত্যু মুখী সংক্ৰামিত ৰোগীৰ কাষৰ পৰা তেওঁ কাৎচিৎ হে আতৰি আহিছিল। তেনেৰোগীৰ মৃত্যুৰ সময়ত তেওঁ ওচৰত থাকিছিল। দেৱীতুল্য নাৰ্চ নাইটিঙ্গেলক মানুহে পূজা কৰিছিল। নিশা যেতিয়া লেম্পটো লৈ বৰ্ডৰ ৰোগীৰ শাৰীৰ মাজেদি তেওঁলোকৰ খা-খবৰ লৈ আশ্ৰাসৰ বাণী দি নি সহায় প্ৰাৰ্থীজনক সহায়ৰ হাত আগবঢ়াইছিল তেতিয়া ৰোগী সকলে তেওঁৰ হাতত চুমা দিছিল।

এদিন দুদিনকৈ পুৰা দুবছৰ ধৰি চলা এই যুদ্ধখনৰ বিভিষিকা চাই বেদনা গধুৰ অন্তৰেৰে নাইটিঙ্গেল অধিক আগ্ৰহেৰে অপেক্ষা কৰি থাকিল শান্তিৰ কপৌ উৰা দিনলৈ। এই হাস্পাতাল খনতে যন্ত্ৰণাকাতৰ মানুহৰ সেৱা কৰি যাওঁতে কেতিয়া দুটা বছৰ পাৰ হৈ গ'ল তেওঁ যেন গমকে নাপালে। যুদ্ধকালীন অৱস্থাত আহত সকললৈ আগবঢ়োৱা সেৱাৰ বাবে স্বীকৃতি স্বৰূপে ইংৰাজ চৰকাৰে নাইটিঙ্গেলক 'মেন অৱ ৱাৰ' সন্মানেৰে বিভুষিত কৰে।

আহত সৈনিকক নিৰাময়ৰ হাত বুলনিৰে আৰোগ্য কৰা নাইটিঙ্গেলৰ কিন্তু নিজৰ বাকী জীৱন অক্ষমতাই নিঃশেষ কৰি পেলালে। পঙ্গুৰতাই তেওঁৰ জীৱনৰ ৰথৰ চকা স্তব্ধ কৰি দিলে। এনে দুসাহসিক কষ্টসাধ্য মানৱ সেৱাৰে নিৰ্দশন দেখি ব্ৰিটিছ সাংসদ লৰ্ড ষ্টেলিয়ে এইদৰে কৈছিল "এগৰাকী মহিলাই হৈয়ো প্ৰচলিত ৰীতি-নীতি তথা অন্ধবিশ্বাস আৰু কুসংস্কাৰ মষিমূৰ কৰি নাইটিঙ্গেলে যি সাহসিকতাৰ পৰিচয় দিলে সেয়া ইতিহাসত সোণালী আখৰে জিলিকি থাকিব। তেওঁ নাৰীসকলৰ কাৰণে এটা নতুন বৃত্তিৰ দিগন্ত সূচনা কৰিলে।

এই বিশাল কৰ্মময় জীৱন বহু কষ্ট আৰু যান্ত্ৰণাৰ মাজেদি অতিবাহিত কৰাৰ পাছত ৯০ বছৰ বয়সত নাইটিঙ্গেলে ইহলোক ত্যাগ কৰে। তেওঁৰ দেহাৰ সমাধি ঘটে সঁচা কিন্তু তেওঁ মানৱ সেৱাৰ স্মৃতি আমাৰ মাজত চিৰদিন হৈ ৰ'ব।

বিৰল প্ৰতিভাৰ অধিকাৰী, হে দেৱী আমি সহস্ৰ বাৰ তোমাক প্ৰণাম জনালোঁ। □

* বেয়া চিন্তা বোৰ কোনো কালেই মনলৈ আহিবলৈ নিদিবা।

- লক্ষ্মীনাথ বেজবৰুৱা

* যি জনৰ নিজৰ ওপৰতে বিশ্বাস নাই, তেওঁ কোনো কামতে সফ হ'ব নোৱাৰে।

- নেপোলিয়ন বোনাপাৰ্ট

* ঈশ্বৰৰ কোনো ধৰ্ম নাই।

- মহাত্মাগান্ধী

* এজন অবিশ্বাসী বন্ধুতকৈ এজন বিশ্বাসী শত্ৰু ভাল; পৰক আপোন কৰিবলৈ প্ৰতিভাৰ প্ৰয়োজন।

- ৰবীন্দ্ৰ নাথ ঠাকুৰ

* শিক্ষাই হৈছে মূল উপায় যি মানৱ জীৱনলৈ সুখ-শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।

- এৰিষ্টটল

সংগ্ৰাহক - শ্ৰীযুগ্মজ্যোতি দত্ত
প্ৰাক্তন ছাত্ৰ

# গছ পৰিৱেশ সংৰক্ষণত প্ৰয়োজনীয়তা



□ কবিতা শইকীয়া
স্নাতক প্ৰথম বৰ্ষ

প্ৰত্যেক জীৱক জীয়াই থাকিবৰ বাবে এক নিজস্ব পৰিৱেশ লাগে। পৰিৱেশ বুলিলে আমি সাধাৰণতে জীৱ এটা জীয়াই থাকিবৰ বাবে প্ৰয়োজনীয় বায়ু,পানী, মাটি, চাপ, তাপ, জলবায়ু, বাসস্থান, আহাৰ আদিক লৈ চৌপাশে সৃষ্টি হোৱা অৱস্থাকে বুজো।

জীৱ জগতৰ দুভাগ জীৱৰ এভাগ হ'ল উদ্ভিদ আৰু আনভাগ হ'ল প্ৰাণী। বৈচিত্ৰময় জগতত উদ্ভিদ আৰু প্ৰাণীৰ বিভিন্নতাৰ বাবে জীৱ বৈচিত্ৰ্যৰ সৃষ্টি হৈছে। বৰ্তমান যুগত পৰিৱেশ দূষিতকৰণ তথা অৰক্ষয়ৰ বাবে জীৱ বৈচিত্ৰ্যতা অটুট ৰখাটো অসম্ভৱ যেন হৈ পৰিছে। গতিকে ভৱিষ্যতৰ বাবে প্ৰাকৃতিক পৰিৱেশৰ সংৰক্ষণ অতি জৰুৰী হৈ পৰিছে। সেইবাবে প্ৰকৃতিৰ এক অনন্য উপাদান গছ-গছনিৰ সংৰক্ষণৰ যোগেদি আমি পৰিৱেশ সন্তুলিত কৰি ৰখাৰ এক উপায় চিন্তা কৰি এই প্ৰবন্ধটি আগবঢ়াইছো।

আমি জানো যে গছ-গছনি, ফলে ফুলে পৰিৱেশ অতি সুন্দৰ কৰে। গছে বায়ু, বিশুদ্ধ কৰে। নিৰ্মল বায়ু সেৱন কৰিলেহে প্ৰাণীসমূহো সুস্থভাৱে জীয়াই থাকিব পাৰে। কিন্তু আমি দেখিছো দিনে দিনে পৃথিৱীত মানুহৰ সংখ্যা বাঢ়ি আহিছে, যাৰ ফলত বাসস্থান বা খাদ্যবস্তু বিচাৰি বা জীৱিকা উৰ্পাজনৰ পথ হিচাপে মানুহে জধে-মধে গছ কাটি, বনাঞ্চল ধ্বংস কৰিছে। ফলস্বৰূপে বনাঞ্চলবোৰত বন্যপ্ৰাণীৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছে।

আনহাতে কল-কাৰখানা আৰু যান-বাহনৰ সংখ্যা বাঢ়ি অহাৰ বাবে বায়ু প্ৰদূষণ, মাটি প্ৰদূষণ, শব্দ প্ৰদূষণ ইত্যাদিৰ প্ৰভাৱত মানুহ তথা অন্য প্ৰাণী জীয়াই থকাৰ বাবে অস্বাস্থ্যকৰ পৰিৱেশ সৃষ্টি কৰি জীৱ জগতৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। এই অস্বাস্থ্যকৰ পৰিৱেশক প্ৰদূষণ মুক্ত কৰি প্ৰাণীকুলৰ বাবে অনুকূল পৰিৱেশ সৃষ্টিৰ বাবে আমি গছ-গছনিসমূহ সংৰক্ষণ কৰিব লাগিব। তাৰবাবে আমি কেইটামান উপায় উল্লেখ কৰিছো।

১। গাৱেঁ-ভূঞে, চহৰে নগৰে গছ-গছনিৰ ৰোপন কৰা।
২। জুই জ্বলাবলৈ ব্যৱহাৰ কৰা খৰিৰ পৰিবৰ্তে অন্য ইন্ধন ব্যৱহাৰ কৰা।
৩। কৃষিজাত সামগ্ৰীৰ ব্যৱহাৰ বৈছিকৈ কৰা। যেতিয়া বিভিন্ন শস্যৰ উৎপাদন বাঢ়িব আৰু গছ-গছনিও ৰোপন কৰা হ'ব।
৪। ফল-মূল আৰু শস্যৰ উদ্যানৰ পৰিমান বঢ়াবলৈ যত্ন কৰিব লাগিব।
৫। প্ৰকৃতিৰ পৰা হেৰাই যাব ধৰা গছ-গছনিবোৰ যাতে সংৰক্ষণৰ বাবে গছবোৰ পুনৰ ঠায়ে ঠায়ে ৰোৱাৰ ব্যৱস্থা কৰিব লাগে।

এইদৰেই আমি গছ-গছনিয়ে পৰিৱেশ সংৰক্ষণত বিশেষ সহায় কৰিব বুলি আশা কৰিলো। □

**কৌতুক ঃ**

এদিন হেলিকপ্টাৰ আৰু ৰকেটে কথা পাতি আছিল। কথাৰ মাজতে হেলিকপ্টাৰে ৰকেটক ক'লে -

হেলিকপ্টাৰ ঃ ৰকেট ককাই তুমি ইমান কিয় বেগাই উৰিব পাৰা ?

ৰকেট ঃ টিকাত জুই লাগিলেহে গম পাবি।

সংগ্ৰাহক ঃ হিৰকজ্যোতি দত্ত




# উজাগৰি নিশাৰ আকাশ

❐ দিগন্ত বৰা
স্নাতক তৃতীয় বৰ্ষ

টেবুলৰ ওপৰৰ এচট্ৰেটোত চিগাৰেটৰ প্ৰান্তিকখিনি পেলাই বৰষুণৰ মাজেৰে মাথাউৰি গড়ি অন্ধকাৰৰ মাজেৰে দিগন্ত ব্যাপি থকা আকাশ খনলৈ চাই পঠিয়ালো মোৰ মনটো ভাৱনাত বিভোৰ হৈ পৰিল।

এনেকুৱাই এদিন শীতৰ সন্ধ্যা লগ পাইছিলো মেঘ জাক, মই যিদিনা ওলাই গৈছিলো ঘৰৰ নাতিরুৰলৈ, নিয়ন্ত্ৰণ কৰি অনা নৰব্ধপা থিয়েটাৰৰ অভিমুখে। নাটক আৰম্ভ হোৱাৰ ১৫ মিনিট মানৰ আগতেই মই মোৰ চিটটোৰ ওচৰ পালোহি। দেখিলো মোৰ চিটটোৰ কাষৰ চিটকেইতাত কইবাজনীও ছোৱালী বহি আছে। সিহঁতে হাঁহি আৰু কথাত মচগুল হৈ আছে। ভাৱিছিলো নাটক ভালদৰে চাম, কিন্তু কাষৰ চিটকেইটাত দেখি মনটো কুঁচখাই গ'ল। থতাপি বহিলো, সেই বৰ লাজুকীয়া আৰু আত্মঅভিমানী স্বভাৱৰ। সেই কাৰণেই মই কাৰোলগত Freeআৰু Frankhy কথা পাতিব নোৱাৰো। বিশেষকৈ ছোৱালীবোৰৰ লগত। দেখিলেই যেন মোৰ এলাজি হোৱা নিচিনা লাগে। মোৰ তেতিয়া সংগী আছিল মাত্ৰ উপন্যাস আৰু Computer Game । মই তেতিয়া স্নাতক দ্বিতীয় বৰ্ষ ছাত্ৰ। কিয় ! জানো সিদিনা মোৰ মনটো কিছুমান অদ্ভুত ভাৱনাৰ ভাগৰৰ পৰা মই সাৰ পাই উঠিছিলো। দেখিলো কাষৰ চিটটোত বহি থকা ছোৱালীজনীয়ে মোকে উদ্দেশ্যি মাত লগাইছে।

ঃ অ' এইয়া। (ছোৱালীজনীক চিনি নোপোৱাৰ স্বত্বেও মই মাতষাৰ দিলো)।

ঃ আকাশ দা ভালনে আপোনাৰ, এই কেইদিন কলেজ কিয় অহা নাই।

(ছোৱালীজনীয়ে মোক কলেজৰ কথা সোধোতেই মই অনুমান কৰিলো এইজনী সম্ভৱ আমাৰ কলেজৰে ছোৱালী।)

ঃ নাই বিশেষ একো নাই, এনেই অহা নাই। ছোৱালীজনীয়ে আকৌ প্ৰশ্ন কৰিলে, আপুনি বাৰু আমাৰ লগৰ ৰুণিৰ ঘৰৰ ওচৰৰ নেকি ?

মনটোক যেন কিবা এটাই বৰ বেয়াকৈ আৱৰি ৰাখিছে, অনিচ্ছা স্বত্বেও স্বয়ংক্ৰিয় ভাৱে কিতাপখন মেলি ললো। অলপ সময় কিতাপখনৰ ওপৰে ওপৰে পাঠবোৰ চাই বাহিৰলৈ ওলাই আহিলো। লাহে লাহে মই বাৰাণ্ডাৰ সিটোমূৰত থকা আৰামী টকীখনৰ ওচৰ পালোহি আৰু তাতে গাতো অলস ভাৱে এৰি দিলো। বতৰটো অলপ গোমা গোমা যেন লাগিছে আকাশখনলৈ দৃষ্টি নিক্ষেপ কৰিলো। দেখিলো কলিয়া ডাৰৰবোৰে গোটেই দিগন্ত ঘুৰি চানি পেলাইছে। হঠাৎ Mobile ৰ Ringtone টো বাজি উঠিল-(পাখি লগা মনে কিয় বাৰে বাৰে.....) Number টো অচিনাকি যেন লাগিছে তথাপি receive কৰিবলৈ লওঁতেই Cut খাই গ'ল ভাৱিলো কোনো বা Missed call হ'ব পাৰে। ভাৱি ভাৱি আকৌ টেবুলৰ ওচৰৰ পালোহি। ঘৰত কোনো নাছিল বাবে মনটো বেয়া লাগিছল আৰু একো কৰিবও মন যোৱা নাছিল। আকৌ বাহিৰলৈ ওলাই আহিলো, দেখিলো তিনি আলিৰ কাষতে থকা তপন পান ভাণ্ডাৰ খন খোলা আছিল। মই কিবা এটা ভাৱিয়েই তাত পালোগৈ। তপনৰ পৰা চিগাৰেটৰ পেকেট এটা লৈ আকৌ ঘৰলৈ ঘুৰি আহিলো। ঘৰ সোমাওঁতেই লাহে লাহে বৰষুণ জাক আহিছিলেই। দেখিলো বাৰাণ্ডাৰ সিটো মুৰত থকা চকীখনে যেন মোৰ কাৰণেই অপেক্ষাতৰত। আকৌ অলস ভাৱে পৰি যি জেপত থকা চিগাৰেত উলিয়াই জ্বলাই ললো। চিগাৰেটৰ দিঘল হোপাটোৱে যেন মোৰ মনটোক অলপ হলেও ভৱিষ্যতৰ ফালে আগুৱাবলৈ সাহস দিছে। আৰামী চকীখনৰ নিচেই কাষতে থকা

হয়, মোৰ ঘৰ তাই ঘৰৰ ওচৰতে।

মই অলপ লাজো পাইছিলো। মোৰ ঘৰৰ পৰ্যন্ত চিনি পোৱা ছোৱালীজনীৰ মই নামটোৱেই নাজানো। কেনেকৈ তাই নামটো জানিব পাৰি মই ভাৱি থাকোতেই নাটক আৰম্ভ হ'ল। নাটকৰ প্ৰায় দুটামান দৃশ্য যোৱাৰ পাছত আকৌ ছোৱালীজনীয়ে মাত লগালে, আকাশদা কেনেকুৱা লাগিছে নাটক চাই।

মই তাই ফালে চাই এটা বেকা হাঁহিৰে কলো, ভালেই লাগিছে আৰু তোমাৰ।

তাই এটা মিঠা হাঁহিৰে মোৰ উত্তৰ দিলে বেচ্ ভাল লাগিছে।

তাই আকৌ কথা কবলৈ আৰম্ভ কৰিলে, আকাশ দা আপুনি নিশ্চয় মই কথা পাতি থকাৰ বাবে আমনি লাগিছে ন।

ঃ নাই নাই, নাই হোৱা, কিয় আমনি লাগিব।

ঃ বেয়া নাপাব, মোক ৰুণিয়ে কৈছিল, আপুনি বোলে বেছিকৈ কথা পতা মানুহ বেয়া পায়।

নাই নাই ৰুণিয়ে মিছা কথা কৈছে। এনেকৈয়ে কিছু সময়ৰ বিৰতিৰে বিৰতিৰে কথা পাতি থকাৰ পাছত নাটক শেষ হ'ল। সকলো দৰ্শকৰ লগতে আমিও ওলাই আহিছিলো। তাই মোৰ কাষে কাষে কিবা কৈ গৈ আছিল। কিছুমান প্ৰশ্নৰ মই উত্তৰ দিছিলো আৰু কিছুমানৰ মাত্ৰ হাঁহি বা মুৰ জোকাৰিছিলো। হঠাৎ তাই উজুতি খাই ধলিপৰিবলৈ ধৰিছিল। মই ঘপকৈ তাইৰ হাতখনত ধৰি ল'লো।

তাই কলে 'Thanks' মই তাই হাতখনত ঘপককৈ ধৰি লোৱাৰ বাবে মানসিক ভাৱে যদিও অপ্ৰস্তুত আছিলো তথাপি তাই 'Thanks' বুলি কোৱাত মই কলো "ভালদৰে খোজ কাঢ়িবা", নহলে উজুতি খাবাই। তাই এটা লাজুকি হাঁহিৰে মোৰ কথাৰ সহাঁৰি জনালে আৰু বাই বুলি কৈ মোক বিদায় জনালে।

তেতিয়া প্ৰায় ৰাতি ১১ ৰ মান বাজিছিল। মই খোজ কাঢ়ি ঘৰৰ পদুলি মুখ পালোহি। ঘৰৰ ভিতৰত মোমাই কাপোৰ কানিবোৰ change কৰি লাহেকৈ বিচনাখনত ধলি পৰিলো। বহু ৰাতি হৈছিল যদিও মোৰ টোপনী অহা নাছিল। কিয় জানো ছোৱালীজনীক প্ৰথম দেখাৰে পৰা আৰু তাই অৰ্নগল প্ৰশ্নবোৰে মনটোক হেন্দুলনি দি ধৰিছিল। মই মোৰ মনত ধৰাদি গ'ল বহু দিনৰ আগতে পঢ়া উপন্যাস খনত লিখা সেই বাক্যফাকিৰ কথা। - "গাভৰুৰ চখিত্ৰ দাপোনত প্ৰতিফলিত এখনি ছবি জাক চাব পাৰি চুব নোৱাৰি।" নাই নাই মই কেতিয়াও প্ৰেমত পৰিব নোৱাৰো। কিন্তু মনতোক বুজাব পৰা নাই। তাই প্ৰথম চাৱনিতে মোৰ মনটোক এজোপা প্ৰটবৃক্ষৰ শিপাই যি দৰে মাটিৰ গৰ্ভীৰৰ পৰা গৰ্ভীৰ অংশলৈ আৱৰি ধৰে ঠিক তেনেদৰেই মোৰ মনটোকো তাই গৰ্ভীৰৰ পৰা গৰ্ভীৰলৈ আবৰি পেলাই ছিল। তথাপি মোৰ আত্মভিমানী মনতোৱে কেতিয়াও এজনী ছোৱালীৰ ওচৰত ভালপোৱা স্বীকাৰ কৰিব নোৱাৰো। কিন্তু মানবীয়তাৰ খাতিৰত ছোৱালীজনীৰ নামটো জনাৰ প্ৰয়োজন।

ৰাতিপুৱা মোৰ শুই উঠা পলম হৈছিল। যদিও খৰ খেদাকৈ গা-পা ধুই কলেজলৈ বুলি ওলালো। কলেজলৈ গৈ সিদিনা মোৰ ক্লাছ কৰাৰ মানসিকতা নাছিল, আছিল মাত্ৰ ছোৱালীজনীৰ নামটো জনাৰহে ইচ্ছা। সেই দিনা চিপ চিপিয়া বৰষুণ দি আছিল। কলেজ পাই মোৰ চকুযোৰে অকল নাটকত লগ পোৱা মোৰ কাষৰ চিতত বহি থকা ছোৱালীজনকৈ বিচাৰি আছিল।

চাহ একাপ খাই লও বুলি কেন্টিনৰ ফালে আগবাঢ়িলো। দেখিলো কেন্টিনত ৰুণি আৰু ছোৱালীজনী বহি আছে। মোক দেখি ৰুণিয়ে প্ৰায় চিঞৰিয়েই মাতিলে 'অ' আকাশদা এইফালে আহাছোন।

মই কলো অ' ৰ'বা গৈছো।

মই গৈ সিহঁতৰ ওচৰ পোৱাৰ লগে লগে ৰুণিয়ে এটা বৰ বেলেগ ভংগীৰে কলে- আকাশদা কালি নাটক চাই কেনে লাগিল।

মই হাঁহিলো আৰু কলো- 'ভালেই লাগিল'।

কালি তোমাৰ লগত মেঘাই নাটক চাইছিল ন' ৰুণীয়ে কলে-

কোন মেঘা? মই কৌতুহলেৰে সুধিলো।

ৰুণি- 'এয়া অ' তোমাৰ সন্মুখত মিচ মেঘা বৰুৱা। চিনি নোপোৱা ভাও যুৰিছ যে।

মই অলপ লাজ পোৱাৰ দৰে পালো, কালি ইমান সময় একে লগে বহি থাকিলো তথাপি ছোৱালীজনীৰ নামটোকে সুধা নহ'ল। তাই মানে মেঘায়েও অলপ লাজ পোৱাদি পালে। মই কোন মেঘা বুলি কোৱাত।

মই কলো, নহয় মানে তুমি কাৰোবাৰ বেলেগৰ কথা কৈছা বুলি ভাবিছিলো।

নাই বেলেগৰ কথানো কিয় কম তোমাকতো এতিয়া এইটো নাম ক'বই লাগিব।

মানে..... মই বুজি পোৱা নাই।

ৰুণিয়ে কথা সলাই ক'লে, বাৰু তোমালোক বহা মোৰ ক্লাছ আছে মই যাওঁ।

ৰুণিক যোৱা বুলি কৈ মই মেঘাক প্ৰশ্ন কৰিলো।

"মেঘা তোমাৰ ক্লাছ নাই নেকি?

তাই মোৰ ফালে শিলপোৱা কপৌতোৰ দৰে তধা লাগি চাই আছিল। মই প্ৰশ্ন কৰাত তাই চক খাই উঠি কলে- আছে।

ঃ তেনেহলে যোৱা ক্লাছ কৰাগৈ।

ঃ নাই আজি মোৰ ক্লাছ কৰাৰ মোদ নাই।

ঃ তেতিয়াহলে ব'লা লাইব্ৰেৰি লৈকে যাওঁ।

ঃ ব'লক।

লাইব্ৰেৰি লৈ গৈ থাকোতেই মেঘাই ক'লে 'আকাশদা আপোনাৰ লগত মোৰ কথা এটা আছিল'।

ঃ মোৰ লগত!! কোৱা কি কথা। মই নিৰ্বিকাৰভাৱে কলো।

ঃ নহয় মানে কথাটো.... হব বাৰু পিছত কম।

ঃ হ'ব যেতিয়া মন যায় ক'বা।

ঃ আকাশদা আপুনি বাৰু কিবা ভাবি থাকে নেকি?

ঃ মেঘাই মোক প্ৰশ্ন কৰিলে।

ঃ মই তাইলৈ চাই সুধিলো, কিয় সুধিলা।

ঃ নহয় মানে আপুনি খুওৱ কমকৈ হাঁহে আৰু কিবা ভাবি থকা নিচিনা লাগে।

ঃ হয় মই কমকৈ হাঁহো কাৰণ বেছিকৈ হাঁহিলে মোৰ মুৰতো বিষোৱা নিচিনা লাগে।

ঃ মোৰ মোদ বোৰ বৰ সোনকালে সলনি হৈ থাকে কোন সময়ত কিয় হয় নিজেই নাজানো। মই ভাবিলো ছোৱালীজনীয়ে যেন মোৰ লগত বৰ বেছিকৈ ফ্ৰি হব বিচাৰিছে আৰু মোৰ আত্মভিমানী মনটোৱে কেতিয়াও এজনী ছোৱালীক ইমান কাষ চাপিব নিদিয়ে।

মই কথাৰ প্ৰসংগ সলাই ঘপক কৈ কিবা এটা মনত পৰাৰ দৰে কলো 'মেঘা' I am Sorry আজি মোৰ ঘৰলৈ মাহী অহা কথা আছিল। তুমি ৰোৱা, মই যাওঁ।

মেঘাই যদিও কিবা কবলৈ লৈছিল মই তাৰ আগতেই সেই ঠাই ত্যাগ কৰিলো। মাথো মোৰ ফালে লক্ষ্য কৰি ৰৈ আছিল।

দুদিন কলেজ বন্ধ। সোমবাৰ সেইদিনা মই মোৰ দুটামান ক্লাছ কৰি কেন্টিনৰ ফালে গৈছিলো। চাহ একাপ খোৱাৰ উদ্দেশ্য বাহিৰত ঝিৰ ঝিৰ বৰষুণৰ শব্দ তাতেই আকৌ গৰম গৰম চাহৰ লগত গৰম গৰম গজাৰ সজাই বেলেগ। এনেতে ৰুণি মোৰ ওচৰ পালেহি-

ঃ আকাশদা তুমি ইয়াতেই আছা। মেঘাই তোমাক ইমান সময়ৰ পৰা বিচাৰি আছে।

ঃ মোক !!! কিয়?

ঃ আকাশ দা , বুজিও নুবুজাৰ ভাওঁ ধৰিব নালাগে দিয়া। আকাশ মেঘা মিলি যাব কিন্তু। এনেয়েও আকাশৰ লগত মেঘাৰাণী থাকেই।

ঃ Please Stopedit ৰুণি, এইবোৰ কি বলিয়া বলকিছা তুমি।

ঃ মই একো বলকা নাই, তোমালৈ মেঘাই Common Room ৰ ওচৰত ৰৈ আছে তুমি যোৱা।

ঃ মই কি যাম, কাৰোবাৰ প্ৰয়োজন হ'ব নিজেই আহিব। অলপ খংৰেহে কলো।

ঃ আকাশদা তোমাক মেঘাই খুওৱ ভালপায়।

ঃ মোক ভাল পায়, কিন্তু কিয়?

ঃ সেইবোৰ তোমাক মোতকৈ মেঘাই ভালদৰে ক'ব পাৰিব। তুমি অন্য একো কথা নাভাবিলেও অন্ততঃ মানৱীয়তাৰ খাতিৰত এবাৰ মেঘাৰ ওচৰলৈ যোৱা Please আকাশদা Please......

মই অলপ সময় ভাবি চিন্তি চায় অলপ সংকোচ মনেৰে হ'লেও মেঘাৰ ওচৰ পালোগৈ।

মই গৈ পোৱাৰ লগে লগে মেঘাই একো নামাতিলে, ময়ো লাজে ভয়ে হাতত লৈ থকা এখন ভাজ কথা কাগজ মোৰ ফালে আগবঢ়াই দিলে।

মই কিংকৰ্তব্য বিমুখ হৈ বৈদ্যুতিক মানৱৰ দৰে তাই আগবঢ়াই দিয়া কাগজখন মোৰ হাতত তুলি ললো। মেঘাই মই কিবা কোৱালৈ বাট চাই নাথাকি কুৰা-কুৰিকৈ কেন্টিনৰ ফালে গুচি গ'ল। মই এবাৰ তাই যোৱাৰ ফালে আৰু মোৰ হাতত তুলি থৈ যোৱাৰ যে কাগজখনৰ ফালে চাই থাকিলো। সেইদিনা আৰু ক্লাছ কৰা মন নাথাকিল। ঘৰলৈ ঘুৰি আহি ইউনিৰ্ফম যোৰ নোখোলাকৈয়ে বিচনাখনত বাগৰি পৰিলো। মা হতে মাহীক ফুৰাবলৈ নিছিল বাবে সেই সময়ত ঘৰত কোনো নাছিল। মই লাহেকৈ জেপৰ পৰা কাগজখন ওলিয়াই আলফুলে ভাজতো মেলি চালো তাত লিখা আছিল-

মৰমৰ

আকাশ দা,

পত্ৰৰ দ্বাৰা মোৰ মৰমবোৰ ল'ব। জীৱনত বহুতো ঘটনা নজনাকৈয়ে ঘটি যায়। ময়ো তুমি নজনাকৈয়ে তোমাক ভাল পাই পেলালো.....

ইতি

মেঘা

এইখনেই আছিল আকাশ মানে মোৰ জীৱনত মেঘাৰ প্ৰথম প্ৰেমৰ বৰষুণ।

এই আকাশকো কোনোবাই প্ৰেমৰ প্ৰস্তাৱ দিব পাৰে মই ভাবি আচৰিত হলো। বুকুতেই চিঠিখন থৈ কিবা কিবি ভাবি থাকোতেই কেতিয়ানো মোৰ টোপনী আহিলে মই গমকে নাপালো।

বতাহে কোবাই খিৰিকিখনত প্ৰচাত শব্দ কৰিছিল তেতিয়হে মোৰ টোপনী ভাঙিল। ঘপকৈ চিঠিখনলৈ মনত পৰি জপিয়াই উঠিলো আৰু চিঠিখন পঢ়ি আলফুলে ভাজে ভাজে জাপি আকৌ পকেটত ভৰাই থবলৈ লওঁতেই পিচফালৰ পৰা মাত লগালে-

ঃ অ' তই আহিলি, ভাতপানী খালিনে

ঃ নাই খোৱা অলপ পিছত খাম। মই কলো।

ঃ হ'ব তেনেহলে, মই ভাত টেবুলতে ঢাকি থৈছো, তই খাই লবি...

ঃ তোৰ বাৰু গা বেয়া কৰিছে নেকি? মাকে সুধিলে।

নাই নাই কৰা।

তেনেহলে কাপোৰ কানি নসলোৱাকৈয়ে বিচনাত পৰিলিহি।

অলপ ভাগৰ লাগিছে। বিযে। একো হোৱা নাই। মায়ে আৰু প্ৰশ্ন কৰে বুলি মই মুখখন সিফালে দি শুই পৰা ভাওঁ জুৰিলো। সিদিনা ৰাতি আহাৰে মোৰ খোৱা নহল। টোপনীও নাহিল। ৰাতিতো উজাগৰে পাৰ কৰি ৰাতিপুৱা মাত্ৰ এটাই চিন্তা কিদৰে ছোৱালীজনীক বুজাব পাৰোঁ। ভাল পাই জীৱনত একো লাভ নাই। আছে মাথো দুখৰ পিড়া। কাৰণ জন্ম মৃত্যু বিবাহ এই তিনিটা ক'ত কেতিয়া কেনেকৈ হৈ যায় কোনেও কব নোৱাৰে।

এইখিনি কথাকে মই মেঘাক কিদৰে বুজাই কম ভাৱি থাকোতেই প্ৰায় আঠ মান বাজিছিল। মই লৰালৰিকৈ কলেজলৈ ওলাই গলো। দেখিলো তাই কলেজ গ্ৰেটট ৰ সন্মুখত ৰৈ আছিল। মই অনিচ্ছা স্বত্বেও কিছু সাহস গোটাই তাইৰ ওচৰত ৰলোগৈ-

কি হ'ল মেঘা তুমি ইয়াত যে ৰৈ আছা-

ঃ আপোনালৈকে ৰৈ আছিলো (তাই তলৰ পৰা ওপৰলৈ মুৰ

ঃ নদঙাকৈয়ে উত্তৰতো দিলে)

ঃ মোৰ কাৰণে ৰৈ আছা, কিন্তু কিয়?

ঃ আপোনাৰ উত্তৰৰ বাবে। তাই স্পষ্ট কৈয়ে কলে।

মই অলপ সহজ হৈ ক'লো, শুনা মেঘা ভাল পাব পাৰি, কিন্তু ভাল পোৱাটো এটা নিস্পাপ শিশুৰ দৰে যি অকল মৰম বিচাৰে। কিন্তু সমাজখনে ভালপোৱাতো এটা কলংক বুলি ভাৱে আৰু মই আকাশে কেতিয়াও এজনী ছোৱালীৰ চৰিত্ৰত কলংক সানিব নোৱাৰো। কাৰণ এজনী ছোৱালীৰ চৰিত্ৰত কলংক সনা মানে তাইক জীৱনৰ বাবে পংগু কৰি পেলোৱা।

তেনেহলে আপোনাৰ উত্তৰ?

আপুনি মোক ভাল পাব নোৱাৰে?

মই নিমাত হৈ ৰৈ আছিলো।

আপুনি যদি মোক ভাল পাব নোৱাৰে তেনেহলে এই জীৱনটোও মোৰ বাবে নিৰুৰ্থক। কাৰণ জীৱনত প্ৰেম এজনৰ লগত হয় হাজাৰ জনৰ লগত নহয়।

মই তলমূৰ কৰি তাই কোৱা কথাবোৰকে পাগুলি থাকোতেই তাই মোৰ ওচৰৰ পৰা বহুদূৰ পালেগৈ....।

কিন্তু এইজনী মেঘাই যে এদিন কাৰোবাৰ কথাত ভুল গৈ এটা ধনী ঘৰৰ লৰাৰ লগত বিয়া হৈ গুচি যাব আৰু মোক যি যাব দুখৰ বুকুৰ বঙা বিষাদৰ ভাৰ। শোক মই কঢ়িয়াই ফুৰিবলৈও অসমৰ্থ।

কেনেকৈ পাৰিলে বাৰু তাই। কেনেকৈ পাৰিলে বাৰু। হঠাৎ ওপৰৰ টিংখনৰ পৰা নিগৰি অহা পানীৰ টোপাল এটা পৰি গ'ল মোৰ কপাল আৰু নাকৰ মধ্যভাগত। মই চকীখনৰ পৰা ঠট মট খাই সাৰ পাই উঠিলো। শুনিলো দুৰৈৰ কোনোবা গাওঁ এখনত কুকুৰাই দাক দিছে, ৰাতি পুৱাবলৈ আৰু বেছি সময় নাই।

সময়বোৰ গৈ আছিল কিন্তু মোৰ প্ৰশ্ন উত্তৰ দিওতা কোনো নাছিল। আকৌ এটা চিগাৰেট জ্বলাই ললো আৰু বহি পৰিলো মোৰ প্ৰশ্ন উত্তৰ বিচাৰি।

কেনেকৈ পৰিল বাৰু তাই?

কেনেকৈ পৰিল বাৰু তাই?

কেনেকৈ পৰিল বাৰু তাই ? □

1. *WISDOM Wisdom makes but a allow defence against trouble, though at last a sure one.*

**-Oliver Goldsmith**

2. *WAR In war actions of great importance are (often) result of trivial causes.*

**- Tutius Caesar**

3. *RELIGION, Religion is the best armour, but the worst clock.*

**- Thomas Fuller**

4. *HAPPINESS The first requisite for the happiness of the people is the abolition of religion.*

**- Karl Marx**

5. *CHANGE It is the best, not to swap horses while crossing the river.*

**- Abraham Lincoln**

6. *Be LIFE be not afraid to life, Believe that life is worth living, and your belief will help create the fact.*

**-William Tamus**

Collector : Jyotika Devi, H.S. 2nd year.

# সম্পাদনা সমিতি



মুখ্য পৃষ্ঠপোষক
ড° লাৱণ্য বুঢ়াগোহাঁই



পৃষ্ঠপোষক
হামিদুৰ ৰহমান



অঞ্জলিকা ৰাজখোৱা
শিক্ষক সদস্যা



বাহাৰুল ইছলাম
শিক্ষক সদস্য



ৰমেশ কাকতি
শিক্ষক সদস্য



মীনা বৰা
উপদেষ্টা



ৰাজু শইকীয়া
সম্পাদক



ড° বীনা শইকীয়া
শিক্ষক সদস্যা



চালেমা বেগম
শিক্ষক সদস্যা



ৰাকেশ বৰা
ছাত্ৰ সদস্য



দিগন্ত বৰা
ছাত্ৰ সদস্য



নৱাগত আদৰণি সভাত সমবেত সংগীত পৰিৱেশনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ একাংশ।




হস্তশিল্প প্ৰদৰ্শনীৰ এটি দৃশ্য।



অভিভাৱক সন্মিলনৰ এটি মুহূৰ্ত।



পৰম্পৰাগত প্ৰথা অনুসৰি নৱাগত আদৰণি সভাত সমবেত সংগীত পৰিৱেশনত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকল।



৩০ অক্টোবৰত গনেশগুৰিত সংঘটিত হোৱা অমানৱীয় বোমা বিস্ফোৰণৰ প্ৰতিবাদত অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিবাদী সমদল।



মহাবিদ্যালয়ৰ কেন্দ্ৰীয় প্ৰাচীৰ পত্ৰিকা 'অংকুৰ'ৰ উন্মোচনৰ এটি মুহূৰ্ত।



## এইখনেই মোৰ দেশ

-অমূল্য ৰাজখোৱা
স্নাতক ৩য় বৰ্ষ

বাতৰি কাকতত
চকু ফুৰালে
চকু কপালত উঠে,
বোমা বাৰুদৰ বিস্ফোৰণত
আহত নিহত
কিম্বা গুলিয়াই হত্যাকৰা
শিৰোনামা দেখি।
এইখনেই মোৰ দেশ,
য'ত ৰাঙলী হয়,
নিৰীহ জনৰ তেজেৰে
সেউজীয়া মাটি,
সৰ্বহাৰা হয়, আজলি আইৰ
সেউজীয়া আঁচল।
কিমান বোৱাবা তেজ
খেলিবা তেঁজৰ ফাঁকু
পাৰা যদি বন্ধ কৰি
গঢ়ি তোলা একতাৰ সাঁকো,
দুৰ্নীতি দুস্কৃতি





## তুমি হেৰাই গ'লা মহানগৰীৰ ব্যস্ততাৰ মাজত

-ৰাজশ্ৰী বৰা
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

মহানগৰীৰ কোনোবা ঠাই, বৰষুণত ভূমিস্খলন হৈছিল।
হৈছিল নিৰ্য্যাতিত বহুজন বহুতো স্থানত,
তুমি তাৰ খবৰ ৰাখিলানে?
জনালানে সমবেদনা সেই নিৰ্য্যাতিত জনক।
তোমাৰ ঘৰৰ কাষতে থকা কৃষ্ণচূড়া জোপা
শুকাই মৰহি গ'ল,
তেজ ৰঙা কৃষ্ণচুড়াবোৰ এতিয়া মাটিত মিলিল
অকনমান আহৰি পালানে এবাৰ চাবলৈ?
তোমাৰ সন্মুখত থকা ডাষ্টবিনটো
আৰ্বজনাৰে ভৰি দুগন্ধ ওলাইছে
কেতিয়া সময় পাবা, চাফা কৰিবলৈ?

তুমিতো এতিয়া মহানগৰীৰ ব্যস্ততাৰ মাজত
বিশাল জন অৰণ্যত নিজকে হেৰুৱালা,
খৰাং বাটৰ বোকাৰ দৰে
শূন্যতাই তোমাৰ ব্যস্ততাৰ চৈতন্য,
আধ্যৱন্ত পদ আৰু বিলাসী ব্যৱস্থাপনাৰ কাষত
ব্যস্ততাৰে হেৰাই গৈছা, মনৰ পৰা
ছন পৰা বকৰাণিৰ মাজত
নয়নৰ সান্নিধ্যতাৰ পৰা
উন্মাদ্ মনটোৰ স'তে
হেৰাই গ'লা, মহানগৰীৰ ব্যস্ততাৰ মাজত।

# বন্ধুৰ প্ৰতি

-লুকুমনী দত্ত
স্নাতক প্ৰথম বৰ্ষ

বন্ধু...,
সৃষ্টিৰ বাবেই তোমাৰ জন্ম
ধ্বংসৰ বাবেতো নহয়,
কঠিন বাস্তৱৰ,
সমস্যাৰ পাহাৰ ভাঙি
বিশাল আকাশখন দেখা কৰি
অনুভৱ কৰাচোন সমাজৰ যন্ত্ৰণা।

ভীৰু দৰে
পলায়ন বাদী সৈনিক ৰূপত
ৰং সানি ভাল পোৱাতেই
জীৱনৰ পূৰ্ণতা বিচাৰি
ধুমুহাতো নহবাই, বতাহো নহবা,
সৃষ্টিৰ বাবেই তোমাৰ জন্ম
ধ্বংসৰ বাবেতো নহয়।



# মনত পৰেনে তোমাৰ...

-কৰিস্মা দত্ত
স্নাতক প্ৰথম বৰ্ষ

হৃদয়ৰ গভীৰ কোণত
অহোৰাত্ৰী ছবি আঁকি আঁকি
তোমাৰ,
তোমাকে সুধিছো,

মনত পৰেনে বাৰু
শেষ বাৰ লগ পোৱা কথা,
একেই আছেনে আজিও
মোৰ প্ৰতি তোমাৰ অনুকম্পা?
ভৰ দুপৰীয়া বিদায় পৰত
চকুত থৈ অব্যক্ত হৃদয়
দুয়ো ওঠ কামুৰি
ঢাকিলা বিষাদ ভৰা
এটি হুমুনিয়াহ।

বহু দিন পাৰ হৈ গ'ল
ক'ত থাকা
কেনে আছা,
তোমাৰ হৃদয় এলবামত
স্মৃতিৰ ৰঙীনতাৰ সতে
আছেনে মোৰ ছবি।

মই কিন্তু মাথো তোমাৰেই
দিন-ৰাতি, জাৰ-জহ
কিম্বা সপোনত
মোৰ হৃদয় ব্যাপি
তুমি বিৰাজমান।

## জানেনে সঠিক কোনোৱাই

-জীনামনী দত্ত বৰা
প্ৰাক্তন ছাত্ৰী

কিমান ওচৰ চাপিলে
দুখন হৃদয়
আৰম্ভ হয় সঁচা ভালপোৱা,
কিমান খিনিত
বিশ্বাস বাঢ়ে বা কমে
জীয়াই থাকিব পাৰে প্ৰতিশ্ৰুতিবোৰ
হব পাৰি সুখী
জানেনে সঠিক কোনোৱাই?

কিমান সততা থাকিলে
সঁচা ভাল পাব পৰা যায়
প্ৰতিশ্ৰুতি সঁচা হৈ ৰয়।
হৃদয়ৰ কোনটো কোণত
ঘৰ সাজিলে
ভালপোৱা সজীৱ হয় নাইবা
মৰহী শুকায়
জানেনে সঠিক কোনোৱাই?
তথাপিও বাসনা আমাৰ
সুখী যেন অভিনয় কৰি
এবোজা দুখেৰে সাঁজো
আশাৰ ঘৰখনি।





## মোৰ সপোন

- পঙ্কজ মেধী
স্নাতক প্ৰথম বৰ্ষ

অঘৰী মই...,
যাবও নোৱাৰো
সপোনৰ গাড়ীত
ওৰে দিন ঘুৰি ফুৰো
দিশ হাৰা হৈ
বেলি মাৰ গ'ল কি নগ'ল
মই গলো আন্ধাৰত বুৰ।
সেউজী ধৰণীত, আন্ধাৰতে
আবেগৰ আঙুলিৰ পৰশ বুলাই
কোনেও নুশুনে জানা মোৰ,
অঘৰীৰ গীত।

# মই আজি মমৰ প্ৰতিমা

- দেৱজিত গগৈ
প্ৰাক্তন ছাত্ৰ

দুখৰ দিনবোৰত মৰমবোৰ দিব পৰা কোনো নাছিল,
সেই সময়ত বুকুৰ ভগাব নোৱাৰিলে
জন অৰণ্যতো অকলশৰীয়া হয়।
দুখত ভাগি পৰিছিলো যেতিয়া তুমি আঁতৰি গৈছিলা।
যেতিয়া তোমাৰ প্ৰতিচ্ছবি ভাঁহি আহে
আকাশখন যেন হাউলি পৰি এই ভূমিত শুকাই যায়।
যাৰ দুচকুত আছিল স্বপ্নাতুৰ দুটা ৰূপালীতৰা
যাৰ বুকুত ভৰি আছিল অনাবিল প্ৰেমৰ পবিত্ৰ শুভ্ৰতা,
সেই আকাশ নহয় এয়া!
কস্মিন কালেও ভাবিব নোৱৰা বিচিত্ৰ অবিশ্বাস্য ৰূপত ঘূ
পশ্চিমৰ পৰা ধীৰে ধীৰে উঠি আহিছে কাজল কলা এখন
মেঘৰ আচ্ছাদন।
ভাৰ হৈছে যেন নাট্যমঞ্চৰ যৱনিকাৰ আৰকাপোৰখনহে
নামিবলৈ ধৰিছে।
অৱশ্যে বিজুলীৰ চমকণি বা ঢেৰেকণিৰ শব্দ নাই।
অকচমাত সেমেকা শীতল বতাহ এছাটিয়ে হৃদয়ৰ বেদনা
উত্তাপ বহুখিনি পাতলাই পেলালে।
বাৰাণ্ডাৰ পৰা এখোজ দুখোজকৈ পদূলিৰ বকুল
জুপিৰ তলত থকা বেঞ্চ খনত বহি পৰিলো,
দুয়ো কথা পতা দিনবোৰ হৃদয়ত গুজিলৈ।
ক্ষুদ্ৰ ক্ষুদ্ৰ বৰষুণৰ টোপাল কিছুমান আহি গালে
মুখে পৰিলেহি।
অনুভৱ কৰিলো বৰষুণ টোপালবোৰ নিদয়াভাৱে
সমষ্ট শৰীৰটো ভিজাই পেলাইছে।
দুখবোৰে যেন মোৰ বুকুত হ্ৰদত আৱদ্ধ
বিশাল জলৰাশিৰ ৰূপ লৈছে।
এতিয়া যেন কোনোৱাই সেই হ্ৰদৰ পাৰ কাটিহে দিলে
ঢল বাগৰি নামি আহিলে দুখৰ নদী।
কান্দোন হৈ, চকুলো বৈ।
মই আজি মমৰ প্ৰতীমা
বুকুখন দেখোন বৰকৈ বিষাইছে।



# আপোনাক অস্বীকাৰ কৰিব নোৱাৰো

-যোগানন্দ নাথ
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)



আপুনি এটা বৰেণ্য কবিতাৰ দৰে
আপোনাৰ শাব্দিক উপস্থাপন শৈলীত ধনয়মান হয়
পাঠকৰ অনুভুতি
আপোনাৰ সৌম্য দুচকুত পাঠকে পঢ়িব পাৰে
অব্যক্ত ভাষাবোৰ
এটা বৰেণ্য কবিতাৰ শিৰোনামাৰ দৰে...
আপোনাৰ ক্ষুদ্ৰ অনুকম্পাত
উদ্বেক হৈ উঠে কাৰোবাৰ অনুভৱৰ নৈ
আপুনি কাৰোবাক ইচ্ছাকৃতভাৱে আৱিষ্ট কৰিব পাৰে
প্ৰেমাস্পদৰ শীতল প্ৰচ্ছায়াত
সেয়েহে অস্বীকাৰ কৰিব নোৱাৰো আপোনাক
আপুনি এটা প্ৰিয়ম্বদ কবিতাৰ দৰে...



# আকাংক্ষা তুমি বাৰু ইমান ধুনীয়া কিয়

- গৌতম নাথ
স্নাতক ২য় বৰ্ষ (বিজ্ঞান শাখা)

আকাংক্ষা তুমি বাৰু ইমান ধুনীয়া কিয়
আকাংক্ষা তুমি বাৰু কিয় আকাংক্ষিত,
আকাংখিত হলেও তুমি মোৰ শ্বাশ্বত।
প্ৰতি পল, অনপুলত মোৰ বিৰাজমান।
তোমাৰ প্ৰেম মন্থনত ওলোৱা,
প্ৰতিটো অস্থায়ী মৰম অমৃতক
পান কৰি আজি মই অমৰ।
অনিদ্ৰা, স্বপ্নত হতাশাৰ খোজ পেলাই
বিছনাত বাগৰি তোমাৰ কথা ভবাই
যেন আজি মোৰ ঠিকনা
তোমাৰ কথা ভাৱিলেই মোৰ খৰাং হৃদয়ত
মুষলধাৰে বৰষুণ হয়, বানপানী বয়।
আকাংক্ষা তুমি বাৰু ইমান ধুনীয়া, কিয়।
মোৰ হৃদয়ৰ আখৰহীন শব্দবোৰ পঢ়িবাছোন,
তাৰ মাজত তোমাক বিছাৰি বাছোন, নিশ্চয় পাবা।
যেনেকৈ প্ৰেমিক আকাশে, প্ৰেমিকা সাগৰৰ
নিৰ্মল বুকুত বিছাৰি পায় তাৰ অকৃত্ৰিম ভালপোৱা
আকাংক্ষা তুমি সচাঁয় ধুনীয়া, সচাঁই ধুনীয়া।

# এখন শোকৰ নৈ

- বুলবুলি দাস
উঃ মাঃ দ্বিতীয় বৰ্ষ

জীৱনৰ ৰংবোৰ তুমিয়ে
আঁকি দিছিলা
আজীৱন তোমাৰ লগৰী হম বুলি
প্ৰতিশ্ৰুতিয়ো দিছিলা
আশা, সপোন, কল্পনা সকলোবোৰ দিছিলা
এতিয়া আশাবোৰ মৰুভূমিৰ মৰীচিকা
হৈ গ'লা
সপোনবোৰ নীল সাগৰত বিলীন
হৈ গ'ল
কল্পনাবোৰ সাগৰৰ কোবাল সোঁতত
ভাঙি চুৰমাৰ হৈ গ'ল
এতিয়া মাথোঁ মোৰ দুচকুত বৈ
আছে এখন শোকৰ নৈ।



# হে অৰণ্য

- মুনীন্দ্ৰ দাস
স্নাতক দ্বিতীয় বৰ্ষ

মোৰ মন হৰিব পৰা
তুমি চিৰ সেউজ
নাম তোমাৰ অৰণ্য!
তুমি য'ত থাকা
মোৰো থাকিব মন যায়,
তুমি য'ত নাথাকা
ত'ত কোনো নাই।
অতুলনীয় তোমাৰ শক্তি
বৰষুণ দিব পৰা শক্তিও
তোমাৰ আছে।
সেই নাম বৰষাৰণ্য।
তোমাক দেখিলেই ভাঁহি আহে
মোৰ গোপন কবিতা।
যুগ যুগ ধৰি ৰহস্য
হৈ আছা মানৱ জাতিৰ।
শিলাময় হৃদয়ৰ ঋষি মুণিৰ
অন্তৰৰ সুপ্ত প্ৰতিভা
জাগ্ৰত কৰা শক্তিও
তোমাৰ আছে।
ৰাখিছা সংৰক্ষণ কৰি, জৈৱ বৈচিত্ৰ
চিত্ৰ-বিচিত্ৰ জ্ঞানৰ পবিত্ৰ।
জন্তু, পখী, কীট পতংগৰ
তুমি আশ্ৰয় দাতা, তুমি উদাৰ।
আমি নহ'লেও তুমি থাকিব পাৰা
তুমি নহ'লে আমি,
কেনেকৈ থাকিম।
ডালৰ আঁৰত পাতৰ আঁৰত
অসংখ্য কীটৰ শান্তি ঘৰ।
তুমি য'ত থাকা
ত'ত বৰষুণ থাকিব।
তুমি য'ত থাকা
ত'ত জলাশয় থাকিব।
পখীৰ অ-কৃত্ৰিম সুললিত
ধ্বনি তাত থাকিব।
প্ৰতি বিহানে বিহানে
তোমাক জগাব।
মই তোমাৰ লগত বলিয়া
তুমি যেতিয়া ফুল ফুলা
আৰু যেতিয়া ফল ধৰা
তুমি যোগমীয়া প্ৰকৃতিৰ
পুৰণি সভ্যতা।
বৈ আছা তুমি, বৈ থাকা
বৈ আছা তুমি, বৈ থাকা।।

*সপোনত*

# এদিন

-সমীৰণ বৰুৱা
প্ৰাক্তন ছাত্ৰ

(এক)

দুপৰ নিশা
দুৱাৰত টক...... টক........ টক....
শীতৰ শেতেলীৰ মোহ এৰিব নোৱাৰি
বিৰক্তিৰে সুধিলো ....... কোন!
দুৱাৰখন খোলকচোন.......
কাতৰ ভাষাৰ এটা কণ্ঠ........

প্ৰচণ্ড বিৰক্তিৰে দুৱৰখন খুলিলো
লাইটটো জ্বলাব লওতে আগন্তুকে ক'লে
অনুগ্ৰহ কৰি লাইটটো নজ্বলাব, আন্ধাৰতেই বহো।

বিশৃংখল ৰূমৰ একমাত্ৰ চকীখনত বহি আগন্তুকে ক'লে
পানী এগিলাচ খুৱাব নেকি....... ?
পানী এগিলাচ দিলো

চকা মকা জোনাকত দেখিলো
অবিন্যস্ত কুন্তলৰ মাজত অনুত্তেজ আনন
কোটৰত সোমাই থকা এহাল শেতা নয়ন।

উৎকণ্ঠাৰ অন্তিমক্ষণত আগন্তুকে ক'লে
বহুত দুৰৰ পৰা আহিছো
সোনকালেই আহিছিলো
মানুহৰ ঘৰ বিচাৰি ফুৰোতে পলম হ'ল।
সকলো ফালেই মানুহৰ ঘৰ
কৌতুহলেৰে মই কলো



ঈষাৎ হাঁহিৰে ক'লে
মই মানুহৰ কথা কৈছো
মানুহ নামৰ সাৰ্থক মানুহ
মানৱীয়তাৰে সজা অন্তৰৰ মানুহ
সকলোকে মৰম দিব়জনা মানুহ
সপোন দেখা মানুহ
বিবেকৰ দ্বাৰা পৰিচালিত মানুহ
কল্পনাৰ ঘোঁৰাত উঠি চৌদিশ ফুৰা মানুহ
সৎ মানুহ
হৃদয়বান মানুহ ....
তেনে মানুহটো এতিয়া নাপাবা

মইও তেনেদৰেই ভাবিছিলো
নিৰাশ হওঁতেই তোমাক পালো
জানা
বহুত মানুহৰ ঘৰত মোক ভিক্ষাৰী বুলি খেদিলে
বহুত মানুহে মোৰ পিছত কুকুৰ লগালে
বহুত মানুহে গতিয়াই দিলে
বহুত মানুহে মোক বলীয়া বুলি হাঁহিলে
মইটো আপুনি বিচাৰি ফুৰা মানুহ নহয়।
তুমি জোনাক ভালপোৱা
বৰষুণ ভালপোৱা
মুকলি আকাশ ভালপোৱা
আন্ধাৰ ভয় কৰা নহয়নে।।
আপুনি আচলতে কোন, বহলাই কওঁকচোন।
মই এজন মানুহ
জোনাকভালপোৱা
বৰষুণ ভালপোৱা
মুকলি আকাশ ভালপোৱা
আন্ধাৰ ভয় কৰা মানুহ।

(দুই)

দিনহাজিৰা কৰি আই-পিতায়ে মোক পঢ়োৱাইছিল
আই-পিতাইয়ে সপোন দেখিছিল
মই ডাঙৰ মানুহ হোৱাৰ সপোন
গাঁৱৰ বিদ্যালয়ৰ হেডচাৰৰ দৰে শিক্ষক হোৱাৰ সপোন
নিশা আই-পিতাইৰ সপোনৰ সোৱৰণে
মোক শক্তিশালী কৰিছিল।
সাৰ-পানী দি জিপাল কৰিছিলো সপোন
সপোন ঠন ধৰি উঠোতেই
সপোন দুচকুত লৈয়েই
পিতাই গ'লগৈ উভতি নহাৰ দেশলৈ

মই স্নাতক হ'লো
পিছে আই-পিতায়ে ভবাৰ দৰে
শিক্ষক হ'বহে নোৱাৰিলো

নিৰাশ হোৱা নাছিলো যদিওবা
আইৰ সুখৰ হাঁহি হেৰাই যোৱা দেখিছিলো
টিউচন কৰিয়েই ঘৰখন চলাই আছিলো
আয়ে ছোৱালী চাইছিল একমাত্ৰ পুতেকৰ বিয়াৰ বাবে
গাঁৱৰে মিনতিক ভালপাঁও বুলি জনাত বিয়া পাতিবলৈ জোৰ দিছিল

যথাসময়ত বিয়া পাতিলো
লাহে লাহে টিউচনৰ পইচাই ঘৰ নচলা হ'ল। কাম বিচাৰি
ওচৰেৰে চহৰ গুৱাহাটীলৈ আহিলো।
কোম্পানীত কাম কৰি ঘৰখন চলাব পৰা হ'লো।

আই-পিতাইৰ দৰে মই-মিনতিয়ে সপোন দেখিলো
আমাৰ সন্তান ডাঙৰ হ'ব, সৎ হ'ব!
তাৰ নাম জোনাক, হ'ব হৃদয়বান হ'ব!!

সিদিনা কামলৈ আহোতে গণেশগুৰিব্ৰীজ পাৰ হওঁতেই
চাইকেলৰে সৈতে উফৰি পৰিলো, চ্চ অহাত দেখিলো
চাৰিওফালে তেজৰ ডোঙা
কাৰোবাৰ মূৰ নাই
কাৰোবাৰ হাত নাই
কাৰোবাৰ ভৰি নাই
কাৰোবাৰ বুকুৰ এফাল নাই
চাৰিওফালে মানুহৰ বিননি
পোৰা পোৰা গোন্ধ
আহঁতৰ আৰ্তচিৎকাৰ

চাইকেলখন বিচাৰোতে দেখিলো তেজৰ ডোঙাত দেখোন
মইও পৰি আছো, পিঠিখনত দ গাঁত, ভৰি এটা নাই।
এহাতত তেতিয়াও আছে মিনতিয়ে দুপৰীয়া খাবলৈ দিয়া
টিফিনৰ বেন্দেলডাল।

বৰ দুখ লাগিল
মোৰ আৰু তাত থকাৰ সাহ নহ'ল।
যদি মিনতি আহে
মই পলালো
কথাবোৰ ক'বলৈ মানুহ বিচাৰিলো, কিন্তু মানুহ নাপালো
যন্ত্ৰৰ দৰে মানুহবোৰে অনুভৱবোৰক চিনিবকে নোৱাৰিলে
তোমাক হৃদয়ৰ কথাবোৰ কলো, এতিয়াহে অন্তৰখন শান্ত
পৰিছে।
তিনি
হঠাৎ সাৰ পালো
সৰ্বশৰীৰ ঘৰ্মাক্ত
ভয়ত শুব নোৱাৰি মাৰ কাষ পালোগৈ
টোপনিৰ আড়ষ্টতাৰে মায়ে সুধিলে

কি হ'ল.........!
কুচিমুচি মাৰ বুকুত সোমাই ক'লো
সপোন দেখিলো মা
বৰ বেয়া সপোন।।।



# সপোন

- প্ৰফুল্ল শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ

সপোন
মই চাৰিওফালে
দেখিছো সপোন
ই জানো বাস্তৱত হ'ব পৰিণত
গোপনে গোপনে আহি সোমালা হিয়াত
দিবানে সপোন মোক মৰমৰ মাত
সপোন, সপোন সঁচাই তুমি মোৰ হিয়াৰ আপোন
সপোন তুমি কাঢ়ি নিলা মোৰ জীৱন বাটৰ
অলিক সপোন।
তুমি আনি দিয়া, পুনৰ কাঢ়ি নিয়া
শতজনৰ আশাৰ ৰেঙণী
যেনেদৰে পুৱাৰ সুৰুজে ধুৱাই
সেউজী ধৰণী।
তোমাৰ নাই আকাশ তোমাৰ নাই পৰিধী
যুগে যুগে ধাৱবানে
অশ্ৰুৰে মোৰ সমাধী।

# মোৰ জীৱন

-কাকলী বৰা
উঃ মাঃ দ্বিতীয় বৰ্ষ

মই যেতিয়া এই জীৱনৰ
মায়া এৰি গুচি যাম,
আশা কৰো মোৰ চিতাৰ কাযত
তোমাৰ সহাৰি পাম।
নালাগে মোৰ সোঁৱৰণী কথা
নালাগে মিছা নাম,
তোমাৰ অকণমান মৰম পালেই
মই পাম মোৰ কাম।
তোমাৰ কথা কৈ কৈ
তোমাক পাহৰিব নোৱাৰো,
সেয়েহে হ'বলা আধৰুৱা জীৱনতো
তোমাক নাপালো।
সেই কথাই মোক পুৰিছে আজি
শান্তি কঁতনো পাম?
তোমাৰ অকণমান মৰম পালেই
মই পাম মোৰ কাম।
মোৰ জীৱনৰ সংগ্ৰামখিনি
ফঁহিয়াই চালে পাম,
তুমি নিদিয়া মৰমখিনিতে
আছিলে তোমাৰ মান।





# জীৱন

-পাৰুল চেতিয়া
উঃ মাঃ দ্বিতীয় বৰ্ষ

মোৰ হাতৰ আঙুলিৰ ফাঁকত আজি তোমাৰ আঙুলি
সোমাই পৰিছে
তোমাৰ কলিজাৰ মাজত মোৰ নিশ্বাসে
স্থান লৈছে।
নিশ্বাস সম্পূৰ্ণ
সম্পূৰ্ণ আমাৰ স্পৰ্শ
আন্ধাৰত হৈ আছিলো অসীমৰ যাত্ৰী
তুমি কৰিব খুজিলা
তোমাৰ পথৰ সাৰথি।
জোনাক! আজি এই অমাৱস্যাত
সেয়ে সুখী আজি
এই জীৱনত।



# গল্প ঝাঁপি

# ৰজাৰ মৃত্যু

□ ৰমেশ কাকতি,
অধ্যাপক, অৰ্থনীতি বিভাগ

মটৰ চাইকেল খন উলিয়াই ষ্টাৰ্ট দিও বুলি ভাৰি ভালদৰে বহি ভগৱানৰ নাম লৈ সেৱা এটা কৰিছোহে মাথোন, চাবিটো অনলৈ নি কিক ডালত ভৰিটো থবলৈ, লওতেই ৰাস্তাৰ ফালৰ পৰা আহি থকা বিপিনে গেটখনৰ সিটো যাবলৈ থমকি ৰৈ মাত লগালে।

দাদা যাবলৈ ওলালে হ'বলা? ভালে কুশলে আছে?? এতিয়া চাগৈ অফিচলৈহে যাব???

ইমানবোৰ প্ৰশ্নৰ সন্মুখীন হৈ উত্তৰ কেনেকৈ দিম চিন্তা কৰি অন কৰি থোৱা চাবিটো পুনৰ অফলৈ পাক এটা দি বিপিনৰ চকুত থৈ মিচিকিয়াই হাঁহি এটা মাৰি তোমাৰ ভালে বুলি সুধিব ধৰোতেই পুনৰ দুখোজমান আগবাঢ়ি আহি আমাৰ গেট খনৰ লোহা দুডালত দুয়োটা হাতেৰে খামুচি ধৰি পুনৰ ক'লে-

দাদা, কথাটো গম পাইনে নেপাই?

ময়ো আচৰিত হৈ লগে লগে সুধিলো, কি কথা?

মই একো গম পোৱা নাই। কোৱাচোন।

কেলেই এই বিশ মিনিট কি পচিঁশ মিনিট মানৰ আগৰ কথা। কোৱা আকৌ কিনো কথা, মই কথাটো জানিবলৈ বৰ উৎকণ্ঠিত হৈ পৰিলো।

সেই যে আমজোপাৰ এই পাৰৰ সেই ভাঁজটো তাৰ সিপাৰৰ পৰা জয় মানে আমাৰ জয়ৰাম আহি আছিল। ক'ৰবালৈ গৈছিল চাগৈ, ঘুৰি আহিছিল। আম জোপা ঠিক পাৰ হ'ল কি নহ'ল, হঠাৎ পিচ ফালৰ পৰা ৰজাই আক্ৰমন কৰিব বিচাৰি জাপমাৰি গাত পৰেই আৰু... পিচে জয়ৰাম হঠাৎ হে বুলি কৈ ৰৈ দিলে। ৰজাই নিজকে চম্ভালিব নোৱাৰি অকনমান আগত পৰিলগৈ।

ঘটনাটো ময়ো ৰস বিচাৰি পুনৰ সুধিলো, তাৰ পিচত? জয়ৰামৰ ভাগ্য ভাল আছিল, একো নহ'ল। ময়ো স্বস্তিৰ নিশ্বাস এৰিলো আৰু কলো, হওক তেওঁ মই আকৌ কিবা ডাঙৰ অঘটন হোৱা বুলিহে ভাৰিছিলো।

অঘটন ডাঙৰেই দাদা, কথা চহকী বিপিনে আওঁ পকীয়া কথাযাৰ কৈ মোৰ চিন্তাত পুনৰ আউললগাই দিলে। মোৰ মনটো পুনৰ অনুসন্ধিৎসু হৈ পৰিল।

খুউৰ তীব্ৰ বেগেৰে ক'ৰবাৰ চেঙেলীয়া লৰা দুটাই মটৰ চাইকেল লৈ আহিছিল। এটা কথা মন কৰিছেনে দাদা, এই মখাই কিমান স্পিটত মটৰ চাইকেল চলায়? বাপেক-মাক বোৰে কেলেই জানো সিহঁতক মটৰ চাইকেল কিনি দিয়ে। মৰিব কিন্তু দাদা, মৰিছেই নহয়। বাতৰি কাকতত দেখোন সদায় সেইবোৰ কথাই।

মই প্ৰকৃত ঘটনাটো জানিবলৈ ব্যগ্ৰ হৈ পৰি কলো, বাৰু সেইবোৰ বাদ দিয়া, কি হ'ল আচল কথাটো কোৱাচোন।

মটৰ চাইকেল খনৰ ব্ৰেক ধৰিবলৈ সময়েই নেপালো। ৰজাক এক খুন্দা লগাই দিলে। অলপ দুৰলৈ আঙুলিৰে মোৰ দৃষ্টি আৰ্কষণ কৰি সি পুনৰ ক'লে একেটা খুন্দাতে ৰজা গৈ সৌ ঢেকীয়া জোপা মানলৈ চিটিকি পৰিল। লৰা দুটা কিন্তু নপৰিল। অকনমান আগত গৈ চাৎ কৰে মটৰ চাইকেল খন ৰখাই দিলে। একদম মোৰ চকুৰ আগতে গোটেই ঘটনাটো ঘটি গৈছে। মদনৰ দোকানৰ সন্মুখৰ পৰা চকুৰ পলক, নপৰাকৈ মই গোটেই ঘটনাটো চাই আছো। আমি বহু কেইজন মানুহ আছিলো।

ৰজাৰ কি হ'ল, কিমান দুখ পালে সি? প্ৰথমতে আমি ভাৰিছিলো সি মৰিল। একে খুন্দাতে বিকৃত চিঞৰ এটা মাৰি ৰাস্তাৰ একদম সোঁ মাজতে পৰিলগৈ। মাত বোল নাই মানে চেতনাই নাই। মাত্ৰ জীৱ টো আছে। কোনোবা এজনে পানী অকনমান আনি চকুৰে মূখে মাৰি দিলে। এনেবোৰ কৰাত ক্ষন্তেক পিচতে সি চকু মেলি চালে যদিও লৰচৰ কৰিব পৰা নাই। ক'ৰ পৰা জানো দাদা, ইমান মানুহ গোট খালে। গোটেই মখা মানুহে তাক বেৰি ধৰিলে।

আমি দুজনমানে বৰ সাৱধানে তাক দাঙি আনি ৰাস্তাৰ পাৰত বনৰ ওপৰত শুৱাই দিলো। তাৰ বাওঁ ভৰিটো ওলমি গ'ল। হাড় ভাঙি দুটুকুৰা হ'ল। মোৰ ৰুমান খনেৰে তাৰ ভগা দুখৰত টানকৈ বান্ধি দিলো। ককালতো বহুত দুখ পাইছে। ভাঙি যাবও পাৰে। তাৰ পিচত? মই গোটেই কথাবিলাক খৰচি মাৰি জানিবলৈ বৰ ইচ্ছুক হৈ পৰিলো।

লাহে লাহে সি কেকাবলৈ ধৰিলে। তাৰ কেকনি ক্ৰমশ বাঢ়ি আহিল। এটা সময়ৰ পিচত সি ইমান ইনাই-বিনাই দুখ লগাকৈ কান্দিবলৈ ললে নহয় তাত গোট খাই থখা মানুহ বোৰৰো চকু পানী ওলাল। ময়ো সহ্য কৰিব নোৱাৰিলো। চকুপানী ওলাই

আহিল। মানুহবোৰে ল'ৰা দুটাক মাৰপিত কৰা নাই যদিও গাড়ী এখন আনিবলৈ পঠাই মটৰ চাইকেলখন ৰাখি থৈছে। আচলতে কি জানিছে, এনেকুৱা কেঁকুৰি বোৰত দুৰ্ঘটনা হয়েই। গতিকে গাড়ী-মটৰবোৰ স্পীড অলপ কমাব লাগে নহলে যাব, মৰিব এই মখা।

তেনেহলে ৰজা বাচিব।

নাই দাদা, আশা কৰিব নোৱাৰি। আৰু যদি বাচি যায়, তেতিয়ানো তাক কোনে প্ৰতিপাল কৰিব? কষ্ট খাই মৰিব লাগিব। মই অহালৈকে তাক ডাক্তৰৰ ওচৰলৈ নিয়া নাই। চিঞৰ বাখৰ কৰি আছে।

খবৰটোৱে মোৰ মনটোক উগুল-থুগুল লগাই দিলে। মটৰ চাইকেল খনৰ পৰা নামি ষ্টেণ্ড ডাল লগাই বিপিনক কলো, ব'লাচোন বিপিন এবাৰ নিজে চাই আহো।

এস দাদা, মই এইমাত্ৰ আহিছোহে। বাৰু বলক আকৌ যাওঁ। দুয়ো আমজোপাৰ ফালে খোজ দিলো। বিপিনে কৈ গ'ল সি দাদা এনেকৈ চিঞৰি চিঞৰি বিনাইছে নহয়, আপোনাৰো অন্তৰ গলি চকুলো ওলাব।

বিপিনৰ চকুলৈ চালো, তাৰ দুয়োটা চকু সেমেকি উঠিছে।

মোৰো হৃদয়ৰ কোনোবা কোনত অলপ হলেও দুখৰ ছাঁ পৰিছে। মোৰ মনটোৱেও হাহাকাৰ কৰি উঠিল। তথাপি বিপিনক উদ্দেশি কলো।

দেখিছা বিপিন। কপাল কি বস্তু। কাৰ কেতিয়া কি হয় কোনে কব পাৰে? কোনেও নোৱাৰে। ৰজাৰ যে এনে হব তুমি ভাবিব পাৰোনে?

সচাঁ দাদা, পিচে এটা কথা আপুনি মন কৰিছিলনে বাৰু?

কি কথা কোৱাছোন?

আজি অলপ দিনৰ পৰা তাৰ উপদ্ৰৱ দিনক দিনে বাঢ়ি যোৱা নাছিলনে বাৰু?

সঁচা পাই, সিদিনা আমি ঘৰত নাছিলো। ঘূৰি আহি বাৰীখনত সোমাই মোৰ মগজু ঘুৰাই গ'ল। এটা নহয় দুটা নহয়, পোন্ধৰটাকৈ বন্ধাকবি উভালি, চিঙি ভাঙি লণ্ড-ভণ্ড কৰিলে। নতুনকৈ অহা মানুহ ঘৰৰ মানুহ জনীয়ে দেখি চাইছিলহে মাথোন, সি প্ৰথমে ঘোপাকৈ চালে। তাৰ পিচত মানুহ জনীক খেদি গ'ল। মানুহ জনীয়ে ভয়তে দৌৰি ভিতৰ সোমাই দুৱাৰ মাৰি দিলে। তেহে ৰক্ষা এইবোৰ কিন্তু তাৰ বেয়া কাম। কিন্তু কি কৰিবা।

সিদিনা আমাৰ ঘৰটো একেই কৰিলে নহয়। আমি ভিতৰতে আছিল। সি ক'ৰবাৰ পৰা আহি চোতালত শুকাই ৰখা বগৰী দুটামান খালে, তাৰ পিচত জাতি লাওজোপা ডাল-পাত চব চিঙি তললৈ পেলাই লণ্ড-ভণ্ড কৰি ক'ত গ'ল গমেই নেপালো। পিচত মনতে ভাৱিছো, সেইয়া "ৰজাৰ" বাহিৰে আন কোনো নহয়।

তোমাৰ বাৰু ৰজালৈ ভয় লাগেনে নেলাগে?

আওঁ দাদা, তাক দেখিলে ভয় নেলাগিব কিয়। সিটো দা-যাঠি একোলৈকে কেৰেপ নকৰে। কোনোবাই অকনমান জগৰ লগালেই চিধা খেদি আহে। এটা কথা দাদা, তাৰ দেহাটো দিনক দিনে কেনে লোদোৰ-পোদৰ হৈ আহিছে মন কৰিছেনে? তাৰ হাত ভৰিবোৰ কেনে সবল হৈছিল, তপিনা দুটা কেনেকৈ পঠালি হৈ আহিছে। সি যেতিয়া তাৰ অভিমানেৰে ভৰা লয়-লাস গতিৰে ধীৰ স্থিৰ ভাৱে কাৰোলৈ ভ্ৰক্ষেপ নকৰাকৈ খোজ কাঢ়ি গৈ থাকে। ৰঙা ৰঙা চকুহালে ঘোপা মাৰি চাই তেতিয়া কিন্তু সৰু সুৰা জীৱবোৰ উৰি যায় আকৌ।

সেইদিনা সৰু সৰু লৰা দুটাই কথা পাতি গৈছে। মই সিহঁতৰ পিচে পিচে। এটাই আনটোক কৈছে। মোৰ মাত্ৰ মালৈ ভয় লাগে আৰু ৰজালৈ ভয় লাগে তোৰ...,

মোৰ মাৰলৈ ভয় নেলাগে। মই কিন্তু ঈশ্বৰলৈ ভয় কৰো আৰু ৰজালৈ ভয় কৰো।

দুয়ো ৰজাৰ ওচৰ পালেগৈ।

সি এতিয়াও ইনাই-বিনাই কান্দি আছে। মাতটো লাহে লাহে অলপ সৰু হৈ গৈছে। হয়তু কান্দি কান্দি অৱশ হৈছে। হলেও সি ইমান কাতৰ ভাৱে কান্দিছে, তেনেকৈয়ে সিও কান্দিব পাৰে মই কল্পনাই কৰিব পৰা নাছিলো। মানুহৰ ভিৰ ফালি আমি তাৰ নিচেই কাষ চাপিলো। সি মাজে মাজে ধৰফৰাই আছিল। ক্ষন্তেক পিচতে গাড়ী এখনত তুলি আমাৰ ওচৰৰে লৰা দুটামানে তাক চিকিৎসালয়লৈ লৈ গ'ল। মানুহবোৰেও মাথোন আলোচনা কৰিলে ৰজাৰ অতীত ৰজাৰ বৰ্তমান। ঘড়ীটোলৈ চাই মেয়ো ঘৰলৈ খোজ দিলো। ঘৰ আহি পাই ঘৰৰ ভিতৰলৈ নগৈ মটৰ চাইকেল খন ষ্টাৰ্ট দি ওলাই আহিলো। মটৰ চাইকেলৰ গতিৰ সতে মোৰ মনটোৱেও ৰজাৰ অতীতলৈ মোক কঢ়িয়াই নিলে।

ৰজা, যেন নামে কামে মিলি যোৱা এটা নাম।

মোৰ মনত আছে, সৌ সিদিনা লৈকে সি এটা অতি মৰম লগা শিশু। সময় যে কেনেকৈ আগবাঢ়ে কল্পনাই কৰিব নোৱাৰি। আমাৰ গাৱঁৰ নামঘৰীয়াজন অকলশৰীয়া আছিল। তেখেত নামঘৰৰে আচুতিয়া কোঠালিৰ এটাতে বসবাস কৰি আছিল। ক'ব পৰা জানো, ৰজা আহিল আৰু নামঘৰতে থাকিবলৈ ললে। দিনতো নাম ঘৰতে শুই বহি থাকে। ৰাতিও নাম ঘৰতে থাকে। ক'তো নেযায়। লাহে লাহে সি নামঘৰীয়াৰ লগতে, গাৱঁৰ সকলোৰে লগতে তাৰো মৰমতে তাক 'ৰজা' বুলি মাতে। তাৰ লগত নানা খেলা খেলে। হলেও সি নামঘৰৰ চাৰিসীমাৰ বাহিৰলৈ নেযায়। অৱশ্যে নামঘৰীয়াই লগ ধৰিলে সি নামঘৰীয়াৰ লগতহে বাহিৰলৈ আহে। আনৰ লগত নেথাকে বা কলৈকো নেযায়।

আমাৰ ঘৰলৈ নামঘৰীয়াৰ লগত সি কেইবাবাৰো আহিছে। সি ভিতৰত নোসোমাই। গতিকে নামঘৰীয়াও মানুহৰ ঘৰৰ ভিতৰত বহিবলৈ নেপায়। বাহিৰতে বহে। কল আৰু পিঠা তাৰ বৰ প্ৰিয়। বৰ আগ্ৰহেৰে খায়। অঘটন ঘটিল সেইদিনাৰ পৰা, যিদিনা নামঘৰীয়াৰ মৃত্যু হ'ল।

নামঘৰীয়াৰ মৃতদেহটো যেতিয়া নামঘৰৰ চোতালত শুৱাই দিলে, তেতিয়া সি মৃতদেহটোৰ কাষতে বহি পৰিল। কোনেও তাক উঠাই নিব নোৱাৰা হ'ল। মাত নাই, বোল নাই, নিৰ্বিকাৰ চকুৰ পলক নপৰাকৈ নামঘৰীয়াৰ মূৰটোৰ কাষতে বহি মাথোন চাই আছে নামঘৰীয়াৰ বগা কাপোৰেৰে ঢাকি থোৱা মুখখনৰ ফালে।

একো উপাই নেপাই ৰাইজে তাক বলপূৰ্বক উঠাই নি নামঘৰীয়াক শ্মশানলৈ নিব লগা হ'ল। সি এবাৰ ভিতৰ এবাৰ বাহিৰ এনেদৰে নামঘৰীয়াৰ ঘৰতে দিনটো থাকিল। ৰাতি সি ক'ত থাকিল নেজানো, কিন্তু পিছদিনাৰ পৰা ৰাইজে তাক দেখা পোৱা নাছিল। সি ক'ত গ'ল কোনেও নেজানে। তাৰ উপস্থিতিৰ অবিহনেই ৰাইজে নামঘৰীয়াৰ কাম-সকাম সমাপন কৰিলে। ৰাইজে তাৰ কথা পাহৰিয়েই পেলাইছিল।

সৌ সিদিনা তাক পুনৰ নামঘৰত দেখা পোৱা গ'ল। ৰাতি পুৱাই তাক নামঘৰত দেখি ৰাইজৰ দুই এজনে তাক মৰম-চেনেহ কৰিলে। সি আনন্দত আপ্লুত হৈ উঠিল। ৰাইজেও তাক দেখা পাই তাৰ খোৱা বোৱাৰ যোগাৰ কৰি দিলে। বৰ আগ্ৰহেৰে খোৱা বোৱা কৰি দিনটো শুই বহি নামঘৰতে থাকিল।

দুৰন্ত যৌৱনত ভৰি দিয়া, লোদোৰ-পোদোৰ বলে নোৱাৰা যেন লগা দেহাটো লৈ ধীৰ স্থিৰ গতিত গহীন গম্ভীৰ ভাৱে কলৈকো ভ্ৰুক্ষেপ নকৰাকৈ যেতিয়া খোজ কাঢ়ি যায়, তেতিয়া দেখা জনেহে কব পাৰিব যে সি সচায়ে নামে কামে ৰজা।

কিন্তু পিচ দিনা পুৱাতেই সি অঘটন ঘটালে।

ৰাতিপুৱা ৰাইজে দেখিলে যে নামঘৰৰ চাৰি পাতি সকলো ভাঙি চুৰ মাৰ। কাঢ়ি-বাতি, লোটা-ঘটি যি কেইটা আছিল সেইয়াও লণ্ড-ভণ্ড।

তাৰ পিচত আজি ইঘৰত-কালি সিঘৰত তাৰ ৰাজকীয় উপদ্ৰৱ। গাৱঁৰ লৰা-ছোৱালীবোৰ তাৰ ভয়ত অকলে নোলোৱা হ'ল। ৰাস্তাত তাক কোনোবাই দেখিলেও তাক নেদেখা ভাওত হে পাৰ হব লগা হয়। তাৰ মুখলৈ চালেই সি ফেপেৰী পাতি ধৰে। তাৰ ৰঙা চকুৰ পাক দেখিলে বুকু কঁপি উঠে।

তাক কোনেও নোজোকাই।

অথচ সকলো তাৰ পৰা আঁতৰত থকা হ'ল।

সিও সুযোগ পালেই উদভণ্ডালি কৰিবলৈ ধৰিলে।

দিনকে দিনে তাৰ অত্যাচাৰ বাঢ়ি যাবলৈ ধৰিলে।

সেই ৰজাৰ আজি এক্সিডেন্ট হ'ল।

পিবেলা অফিচৰ পৰা ঘুৰি আমি গম পালো যে ডাক্তৰৰ ওচৰ পোৱাৰ আগতেই তাৰ মৃত্যু হ'ল। গাড়ীত উঠাবলৈ ধৰা ঠিক আগৰ পৰাই সি অজ্ঞান হৈ পৰিছিল। গৈ থাকোঁতে ৰাস্তাতে ঢুকাল। শ্ৰীমতীয়ে চাহ একাপ আনি দিছিল যদিও নেখাও বুলি কলো। তেৱোঁ খোৱা নাই।

হওঁক ৰজা বান্দৰ, হলেও এটা সময়ত সি গাওঁখনৰ ৰাইজৰ লগতে আমাৰ ঘৰখনৰ লগতো মৰমৰ ডোলেৰে একাত্ম হৈ পৰিছিল। ❒

## সুক্তি বচন

'ছাত্ৰ জীৱনৰ অতি সুখৰ আৰু অতি মধুৰ, কিন্তু অতি কঠোৰ বিধি নিষেধৰ দ্বাৰাই সংযত কৰি ৰাখিব লাগে। অলংকাৰ গঢ়াবৰ কাৰণে সোণ যেনেকৈ গলাই, পিটি, পৰিষ্কাৰ আৰু কোমল কৰি ল'ব লাগে, জীৱন অলংকৃত কৰিবলৈ হ'লে সেইদৰে বিধি নিষেধাদি পূৰ্ণ কঠোৰ শাসনেৰে ছাত্ৰ জীৱন যুদ্ধৰ কাৰণে নম্ৰ কৰি ল'ব লাগিব। শৰীৰ আৰু মনৰ বল সঞ্চয় কৰি জীৱন যুদ্ধৰ কাৰণে সাজু হ'ব লাগিব ছাত্ৰ জীৱনতেই। সত্যই বিদ্যা। অবিদ্যা অৰ্থাৎ অসত্য পৰিহাৰ কৰি, সত্যৰ লগত নিগাজী সম্বন্ধ ছাত্ৰ জীৱনতেই পাতি ল'ব লাগিব। ছাত্ৰ জীৱনতে সত্যৰ চিনাকী নাপালে সংসাৰী হৈ সত্যনিষ্ঠ হোৱা টান। বিদ্যাৰ আৱশ্যকতা মনুষ্যত্বৰ পূৰ্ণবিকাশৰ লাভ কৰি নিত্যানিত্যৰ জ্ঞান লাভ কৰাৰ কাৰণে শিক্ষাৰ আৱশ্যকতা নিজক আৰু দেশবাসীক দায়িত্বপূৰ্ণ নাগৰিক কৰি তোলা। তাকে হ'বলৈ হ'লে সকলো প্ৰকাৰৰ উত্তম শিক্ষা পাব লাগিব।'

**- দেশভক্ত তৰুণৰাম ফুকন**

# গোপন অশ্রু



□ লুকুমনী দত্ত বৰা
স্নাতক প্ৰথম বৰ্ষ

পাহি শুনিলেই ভাল লগা এটা সুন্দৰ নাম। ছোৱালীজনী খুউব সহজ-সৰল। কম সময়ৰ ভিতৰতে মানুহৰ লগত এক মধুৰ সম্পৰ্ক গঢ়ি তুলিব পাৰে। অন্তৰত তাইৰ বহু দুখৰ বোজা থাকিলেও আনৰ আগত কেতিয়াও প্ৰকাশ নকৰে। সেইবাবে লগৰ বন্ধু-বান্ধৱী সকলেও তাইক খুউব সুখী বুলি ভাৱে।

প্ৰত্যেক ল'ৰা ছোৱালীৰে কলেজত পঢ়াৰ বাবে এক প্ৰৱল হেঁপাহ থাকে। তেতিয়াই বহুদিনৰ পৰা সাজি পাৰি যোৱা কল্পনাবোৰ বাস্তৱত ৰূপায়িত কৰাৰ সময় পায়। প্ৰথম কলেজলৈ আহিয়েই পাহি কলেজখনৰ সকলোৰে লগত সহজ হৈ পৰিল। তাই পঢ়া-শুনাত বিশেষ ভাল নহয় যদিও সকলোৰে লগত খুউব সহজ ভাৱেই মিলি পৰিব পাৰিছিল। কলেজৰ সকলোবোৰ বন্ধু-বান্ধৱীৰ ভিতৰত তাই গীতা আৰু ৰাহুলৰ লগতে খুউব সুমধুৰ বন্ধুত্ব গঢ়ি উঠিল। এদিন দুদিনকৈ কেতিয়ানো দুটা বছৰ পাৰ হৈ গ'ল সিহঁতে যেন গমকে নাপালে। উচ্চতৰ মাধ্যমিকত ভাল নম্বৰ পাই উত্তীৰ্ণ হোৱাৰ বাবে ৰাহুল গুৱাহাটীলৈ পঢ়িবলৈ গ'ল। গীতা আৰু পাহি স্নাতক বৰ্ষতে পঢ়িবলৈ ললে যদিও সিহঁতৰ মাজত বন্ধুত্বৰ এনাজৰী প্ৰায় চিগিবলৈ ধৰিলে।

বহুদিনৰ মূৰত হঠাৎ ৰাহুলে পাহিক লগ পালে। দুয়ো আগৰ দৰেই সহজ হৈ পৰিল। পাহিৰ মনত ৰাহুলৰ প্ৰতি আগৰ দৰেই বন্ধুত্বৰ ভাৱ গঢ়ি উঠিল যদিও ৰাহুলৰ কিন্তু পাহিৰ প্ৰতি বেলেগ ধৰণৰ অনুভূতি জন্মিছিল। মুখলৈ চাই সি কেতিয়াও সেই ভাৱ তাইৰ আগত প্ৰকাশ কৰিব পৰা নাছিল।

এদিন ৰাহুলে পাহিৰ আগত তাইৰ প্ৰতি থকা দুৰ্বলতাৰ কথা যেনেকৈ প্ৰকাশ কৰিছিল তাৰ কথা শুনি তাইৰ যেন বুজিবলৈ একো বাকী নাথাকিল। লাহে লাহে তাইও ৰাহুলক ভাল পাই পেলালে।

পাহিয়ে অনুভৱ কৰিলে সপোন সপোন যেন লগা এৰি অহা অতীতৰ স্মৃতিবোৰ। ৰাহুলে কোৱা কথাবোৰ শুনি পাহি মন গ'ল মনৰ দাপোনত এৰি অহা দিনবোৰক আকৌ এবাৰ সযতনে জুমি চাবলৈ। তাইৰ এনে লাগিছিল যেন তাইৰ প্ৰতিটো পুৱাই মধুময় হৈ ৰয় ৰাহুলৰ মাথো এটি কণ্ঠস্বৰত। জীৱনত প্ৰথম বাৰৰ বাবে অনুভৱ কৰিছিল এক বিৰাত শূন্যতা। ৰাহুলৰ সঁহাৰি অবিহনে যেন অপূৰ্ণ হৈ ৰ'ব সেই শূন্যতা।

পাহি এজনী গাৱঁলীয়া সৰল ছোৱালী। প্ৰেম ভালপোৱা তাইৰ মানত পবিত্ৰ বস্তু। ভালপোৱাৰ নামত মিছা প্ৰতিশ্ৰুতি, অভিনয় তাই সেইবোৰ নাজানে। অন্তৰেৰে যাক ভাল পাব খোজে তাৰ আশ্ৰয়তেই জীৱনটো সুখে দুখে অতিবাহিত হোৱাটো বিচাৰে। ধনী দুখীয়াৰ প্ৰভেদ ৰাখিব নিবিচাৰে।

এদিন হঠাৎ এটা খবৰে পাহিক বিনা মেঘে বজ্ৰপাত পেলালে। যিদিনা তাই খবৰ পালে ৰাহুলে বিয়া কৰালে, আৰু বিয়া কৰোৱা ছোৱালী জনী আছিল সিহঁতৰ কলেজৰ বান্ধৱী গীতা। সচাকৈয়ে সেইদিনা..... পাহিয়ে সংগোপনে সজা স্বপ্নৰ সোণালী কাৰেং ভাঙি চিন্ন বিচিন্ন হৈ পৰিল। তাইৰ কোমল অন্তৰখন ফুলৰ দৰে মৰহি পৰিল।

সেইদিনাই তাই বুজি উঠিছিল ৰাহুলৰ সেই চঞ্চল মনটোক। ৰাহুলৰ এনে ব্যৱহাৰে পাহিৰ অন্তৰখন গধুৰ কৰি পেলালে। সেইদিনাৰ পৰাই পাহিৰ অন্তৰত এক তীব্ৰ ঘৃণাত পৰিণত হৈছিল "ৰাহুল শইকীয়া' নামটো। সিহঁতৰ মাজত থকা সম্পৰ্কবোৰৰ কোনো উত্তৰ যেন তাই বিচাৰি পোৱা নাছিল। গীতাৰ যৌৱনত মুগ্ধ হৈ ৰাহুলে তাইক বিয়া কৰালে নেকি? নে সি নতুন কৈ চাকৰি এটা পাইছে তাৰ বাবে হোৱা তাৰ অহংকাৰৰ বাবে নেকি? ইত্যাদি বহুত প্ৰশ্ন জাগি উঠিছিল তাইৰ মনত। কিন্তু পাহিৰ প্ৰতি ৰাহুলৰ সহস্ৰ মৰম, ভালপোৱাবোৰ নিমিত্তৰ ভিতৰতে শেষ হৈ গ'ল কেনেকৈ? এইবোৰ কথা ভাৱি ভাৱি শেষ কৰিব নোৱাৰি পাহিয়ে তাইৰ জীৱনলৈ অহা এটি দুঃস্বপ্ন বুলিয়েই পাহৰিবলৈ চেষ্টা কৰিছিল ৰাহুলক আৰু তাৰ ভাল পোৱা বোৰক। কিন্তু নিগৰি আছিল তাইৰ গোপন অশ্ৰু। □

# অপেক্ষা



□ পঙ্কজ মেধী, স্নাতক প্ৰথম বৰ্ষ

অপেক্ষাও যে ইমান দীৰ্ঘমুখী হ'ব পাৰে। যাৰ অপেক্ষাত আজি বাগৰি গৈছে অনেকটা দিন, মাহ, বছৰ আৰু কিমানটায়ে বসন্তকাল, যিটো বসন্ত কালতে আৰম্ভ হৈছিল তাৰ সেই অপেক্ষা।

নাভাবো বুলিও বাৰে বাৰে সেই একেবোৰ কথাকে মনত পৰি আছে জোনৰ। কিয় বাৰু আমনি কৰিছে সেই সহজ সৰল যেন লগা মুখখনে। সিটো কল্পনাও কৰা নাছিল সেই সহজ সৰল যেন লগা মুখখনৰ পৰা এনে এটা যন্ত্ৰণাদায়ক দিন আহিব বুলি। কিয় আজি তাই তাক জ্বলাই মাৰিছে। জ্বলাই ৰং ছোৱাটো 'ধুনীয়া' বুলি কোৱা ছোৱালীবোৰৰ বৈশিষ্ট্য নৈকি? সিহঁতে কিয় বাৰু বুজিবলৈ চেষ্টা নকৰে যে সিহঁতবোৰৰ দৰেই আনৰো এখন অনুভূতিশীল হৃদয় থাকিব পাৰে।

স্বৰ্ণালীক প্ৰথম লগ পোৱাৰ অনুভূতি খিনিক কবিতাৰ ভাষাৰে সি টুকি ৰাখিছে, তাইক দিবলৈ। তাকে ভাবি সি বহি আছে কলেজৰ সন্মুখত থকা কৃষ্ণচূড়া জোপাৰ তলৰ বাঁহেৰে সজা বেঞ্চখনত তাৰ বন্ধুৰ সৈতে। বহুকথা মনতে পাগুলি সি আজি সাজু হৈ আহিছে সি টুকি ৰখা কবিতাটো স্বৰ্ণালীৰ গোপন হৃদয়ত যেনে তেনে হলেও ৰোপন কৰিব।

সি বহি থকা বেঞ্চখনৰ পৰাই দেখা পোৱা দলংৰ ওপৰৰ পৰা নামি অহা শিলগুটি পাৰি দিয়া ৰাস্তাটো। সিহঁত বহি থকাৰ পৰা প্ৰায় দুশ মিটাৰমান আঁতৰতেই আছে সেই পকী দলংখন। দলংখনৰ সিপাৰৰ পৰা উঠি নহালৈকে এজনো পথাচাৰীক বহি থকাৰ পৰা নেদেখি। দলংখনৰ ওপৰলৈ উঠা লগে লগেই প্ৰথমেই জিলিকি উঠিব তাইৰ মিছু ইণ্ডিয়া চাইকেলখনৰ সেই জ্বালনা দিয়া বাস্কেটটোত তাই পেলাই থয় স্কুলীয়া বেগটো। শিলগুটি পাৰি দিয়া ৰাস্তাটোৰে নামি তাই তাৰ সন্মুখেদি স্কুললৈ যাব।

স্বৰ্ণালীয়ে এইবাৰ মেট্ৰিক পৰীক্ষা দিব। ৰঙা পাৰিৰ চাদৰ মেখেলাৰ ইউনিৰ্ফম পিন্ধি আহিলে চাইকেলখনৰ ৰঙটোৰ সৈতে মিলি পৰে। বাহিৰে ৰং চং কৈ তাই কোনোধৰণৰ প্ৰসাধন নকৰে। তাইৰ এনেবোৰ কথাই জোনৰ ভাল লাগে, পচন্দ হয়। সি মনতে ভাৱিলে- 'কিন্তু তাইনো মোক কিহৰ কাৰণে পচন্দ কৰিব। মোৰ আছেনো কি? সৃষ্টিকৰ্তা ভগৱানও যে ইমান নিষ্ঠুৰ! এগৰাকী ছোৱালীৰ প্ৰেমত পৰিব পৰা কৈনো মোক কিবা এটা গুণ দিব নোৱাৰিলে? ইমান কুন্ধচ মোৰ মুখ, মোৰ শৰীৰ, ঠৰঙা চুলি, অনজ্বল চকু, উজলা দাঁত, অস্পষ্ট কণ্ঠ, কাউৰীৰ দৰে কলা দেহৰ বৰণ। তথাপি সি নিজকে বুজনি দিবলৈ যত্ন কৰিলে- 'দেখাতোনো কি? মনটোহে আচল কথা।"

আজি বহুদিন ধৰি এই কৃষ্ণচূড়া জোপাই হৈ পৰিছে তাৰ স্থায়ী এখন ঘৰ। পুৱা, আবেলি, গধূলি, দুপৰীয়া এই ঠাই ডোখৰত থাকি থাকি সকলোবোৰ তাৰ চিনাকী হৈ পৰিছে। কলেজলৈ অহা অনেক জনৰ লগত তাৰ চিনাকী হৈছে। যিমানেই এই ঠাইডোখৰ চিনাকী যেন লাগিছে সিমানেই তাই তাৰ দেহৰ প্ৰতিটো কোণত কুৰুকি কৰুকি সোমাই পৰিছে। তথাপিও সি ক'ব পৰা নাই সেই চিৰ সুন্দৰ শব্দ তিনিটা "মই তোমাক ভাল পাওঁ"। এই শব্দ তিনিটাকে কবলৈ সি অতি দুৰ্বল। কেনেকৈ বাৰু ক'ব? তাই তাক অভদ্ৰ বুলি নাভাবেতো? এনেদৰে অনেকটা কথাই তাক ঝুমুৰি দি ধৰিছে।

হঠাৎ বন্ধুৰ জোকাৰণিয়ে তাক পুনৰ দিঠকলৈ ঘূৰাই আনিলে। দলংৰ মূৰত জিলিকি উঠিছে তাইৰ চাইকেলৰ বাস্কেটটো। সি বহাৰ পৰা উঠি ল'লে। তাই যিমানেই কাষ চাপি আহিছে, সিমানেই তাৰ মনৰ খোৱা-কামোৰাবোৰ বেছি হ'বলৈ

ধৰিছে। বুকুখন ধান বনা মেচিনৰ দৰে কঁপিব ধৰিছে। সি উত্তেজিত হৈও উঠিছে, ভয়ও লাগিছে। এয়া তাই তাৰ সন্মুখেদি পাৰ হ'বলৈ ধৰিছে। এটা গেঙনিৰ দৰে মাতেৰে সি তাইক ৰবলৈ ক'লে। তাই অলপ আঁতৰত গৈ ৰ'লগৈ। সি ওচৰ চাপি গৈ তাইক কঁপা কঁপা মাতেৰে ক'লে- "মই তোমাক কথা এটা ক'ব বিচাৰিছো, মোক তুমি ভুল নুবুজিবা। মই তোমাক ভাল পাওঁ স্বৰ্ণালী"। তাই এটা মৃদু হাঁহিৰে যেন তাকেই সহাঁৰি জনাই গুচি গ'ল, যিটো সি ভাবিবলৈও ভয় কৰিছিল। উল্লাসত তাৰ এপাক নাচি দিবলৈ মন গ'ল, চিঞৰি চিঞৰি ক'বলৈ মন গ'ল - "স্বৰ্ণালী তোমাক বহুত ভাল পাওঁ। তাৰ মুখৰ পৰা অজানিতে এটা গুণ গুণনি ওলাই আহিল-

ভাল পাৱনে মোক সঁচাই
ক'ব পাৰিবিনে
তোৰে বুকুখন নদী নে সাগৰ
এবাৰ জুখিবলে
ঐ..... দিবিনে নিদিবি?

এই গুণ গুণনি শুনি তাই এবাৰ পিছলৈ ঘূৰি চাই পুনৰ এটা মিচিকিয়া হাঁহি মাৰিলে। সিহে তলকিব নোৱাৰিলে।

সেইদিনাৰ পৰাই জোন আৰু স্বৰ্ণালীৰ মাজত এটা শব্দই খোপনি লৈছিল যাৰ নাম 'প্ৰেম'। তাইক লগ পাবলৈ জোন গৈছিল সেই কৃষ্ণচূড়া জোপাৰ তললৈ, দলঙৰ ওপৰলৈ, নহ'লে সিহঁতৰ ঘৰলৈ যাওঁতে পোৱা সেই নিৰ্জন ৰাস্তাটোলৈ। দিনে দিনে বাঢ়ি গৈছিল তাৰ সেই ৰাস্তাটোলৈ অহা যোৱা কৰা আৰু বাঢ়ি গৈছিল হৃদয়ৰ অনুভূতি। বাঁহ লৈছিল বহুতো সপোনে তাৰ হৃদয়ত। এইদৰে বাগৰি গৈছিল ইদিনৰ পিছত সিদিনলৈকে এটুকুৰা কাগজত লিখাৰ দৰে হৃদয়ত সি লিখি লৈছিল তাইৰ সেই মোহনীয়া নামটো 'স্বৰ্ণালী'। কেতিয়াবা গৈ দুয়ো সোৱণশিৰি ঘাটৰ সেই বিৰিণাৰ কাষতে বহি পাতিছিল অনেক মনৰ কথা, চাইছিল দুৰণিৰ আকাশৰ কাষে কাষে যোৰপাতি উৰি যোৱা বগলীজাকৰ অলেখ -লেখ। আবেলি সোৱণশিৰি পাৰত তেতিয়া বলিছিল এছাতি শীতল বতাহ।

যিমানেই সিহঁতৰ মিলন ঘনাই হ'বলৈ ধৰিছিল সিমানেই বাঢ়ি গৈছিল দুয়োৰে হৃদয়ৰ অনুভূতি। কোনেও নজনাকৈ দুয়ো বহুত আগবাঢ়ি গৈছিল। মাথো বাকী আছিল সমাজৰ নীতি অনুসৰি শিৰত ৰঙা জকমকীয়াকৈ সেই সেন্দুৰ কন পিন্ধাই দিবলৈ। কিন্তু আজি কালি সি তাইক বৰকৈ লগ নোপোৱা হৈছে। যোৱা এমাহমানৰ পৰা তাৰ অনুভৱ হৈছে তাই যেন তাৰ পৰা আঁতৰি যাবলৈ ধৰিছে। প্ৰত্যেকটো কথাতে তাৰ সন্দেহ হ'বলৈ ধৰিছে। এতিয়া লগ পাবলৈও বহু টান হৈছে। কাৰণ সিহঁতৰ স্কুল বন্ধ আছিল। ফাইনেল পৰীক্ষা লৈ বেছি দিন আছিল। সেয়েহে তাইক লগ পোৱা দিনক দিনে কঠিন হৈ আহিবলৈ ধৰিছে। কোনোদিন সিহঁতৰ ঘৰলৈও গৈ পোৱা নাছিল বাবে সিহঁতৰ ঘৰলৈ যোৱা সম্ভৱ নাছিল।

এনেতে তাৰ বন্ধু বন্ধুৱে হাতত এখন চিঠি তুলি দি কৈছিল 'স্বৰ্ণালীয়ে দিছে'। কিনো লিখা আছে চাও বুলি সি লৰালৰিকৈ চিঠিৰ খামটো ফালি চিঠিখন মেলি ল'লো। আনদিনা দিয়া চিঠিত এই চিঠিখনৰ লিখা পদ্ধতি বেলেগ আছিল।

"শ্ৰীশ্ৰী প্ৰজাপত্যয়ে নমঃ

সবিনয় নিবেদন,

আগন্তুক ব'হাগ মহাৰ ৯ তাৰিখ শুক্ৰবাৰে' মোৰ যোগলপুৰৰ শ্ৰীমান নিৰ্মল দাসৰ সৈতে.....

আৰু বাকীখিনি পঢ়িবলৈ তাৰ সাহস নহ'ল। তাৰ গোটেই শৰীৰটো দুৰ্বল যেন লাগিল। চকু দুটা সেমেকি উঠিল। মনটো গোমা গোমা অনুভৱ হ'ল। দুচকুৰে বৈ আহিল ধাৰাসাৰে তপত চকুলো। সি ভাৱিবই নোৱাৰিলে ধনৰ বাবেও যে এখন সঁচা হৃদয়ৰ প্ৰতিশ্ৰুতি, সমস্ত দেহৰ আলিংগন সকলো পাহৰি যাব পাৰে। ধন থাকিলেই যেন সকলো পাই। ধনেই যেন ধনঞ্জয়। তাই বাৰু তাক ইমান সহজে পাহৰি থাকিব পাৰিবনে? প্ৰেমৰ নামতো ইমান অভিমান। এয়াই আছিল নেকি সেই সঁচা হৃদয়ৰ সঁচা প্ৰতিশ্ৰুতি। সি ভগৱানক কাতৰ অনুৰোধ কৰিলে তাইক যেন সুখেৰে ৰাখে। তাইৰ সুখেই তাৰো সুখ। ভগৱানক সি কাতৰ অনুৰোধ কৰিলে যেন তাৰ এই প্ৰেমৰ কেতিয়াও ওৰ নেপেলায়। যি বসন্ত কালতে সি খোজ পেলাইছিল প্ৰেমৰ সেন্দুৰীয়া পথত সেই বসন্তকালৰ আগমনেই যেন সকলো শেষ কৰি পেলালে।

এইদৰে বাগৰি গৈছিল এদিন দুদিনকৈ কেইবাটাও দিন। এদিন সি শুনিবলৈ পালে যে নিৰ্মল দাসে ঘৰৰ কাষৰে এজনী ছোৱালীৰ সৈতে হেনো ঘৰৰ পৰা পলাই গ'ল। এই কথা শুনি তাৰ হৃদয়খন পুনৰ ঠন ধৰি উঠিল। কিন্তু ক'তা কেইবাদিনো বাট চাইও সি তাইৰ পৰা কোনো আশাৰ বাৰ্তা নেপালে দেখোন। তাই বাৰু ভাবি চাইছেনে তাৰ এই নিঠৰুৱা হৃদয়খনৰ কথা। সি যে এতিয়াও তাইৰ বাবে অপেক্ষা কৰি আছে। এটা নীৰৱ অপেক্ষা। তাইৰ অবিহনে সি এতিয়াও অসম্পূৰ্ণ। কেতিয়া অন্ত পৰিব এই অপেক্ষাৰ। জোনৰ সন্মুখত বৈ আছে এক প্ৰশ্নবোধক চিন? □

অনুভৱৰ শিল্প



# "যৌৱন যৌৱন সৃষ্টিৰ যৌৱন"

❐ ধৰ্মেন্দ্ৰ গগৈ
স্নাতক প্ৰথম বৰ্ষ

মানৱ জীৱনত যৌৱন কালটো হৈছে এজাক ধুমুহা মাথো। ইয়াৰ প্ৰবাহ মান গতি নাই। এই ধুমুহা মাথো এটা নিৰ্দিষ্ট সময়ৰ বাবে। যি সকলে এই প্ৰচণ্ড ধুমুহাত ধৈৰ্য্য ধৰিব পাৰিব তেওঁহে জীৱন যুদ্ধত জয়ী হ'ব পাৰিব। আৰু যি নোৱাৰে, তেওঁলোকে জীৱনত বহু হেৰুৱাব লগা হয়। যৌৱন কালটো মানৱ জীৱনৰ গুৰুত্বপূৰ্ণ সময়। এই সময়ছোৱা হৈছে জীৱন গঢ়াৰ সময়। এই সময়ছোৱাত আবেগ অনুভূতি, কামনা-বাসনা, পোৱা নোপোৱাৰ বেদনাই আমাক জুমুৰি ধৰেহি। গতিকে আমি এই পিশাচ কেইটাক ধৈৰ্য্য সহকাৰে দমন কৰিব পাৰিব লাগিব নহ'লে আমি জীৱনটোক সুন্দৰ ভাৱে গঢ় দিব নোৱাৰিম। এইখিনি সময়তে হঠাতে কাৰোবাক আমাৰ ভাল লাগি যায়। কাৰোবাৰ লগত আকৌ অকনমান কথাতে সম্পৰ্ক ছেদ কৰা হয়। ভাল লগাজনক একেবাৰে ওচৰত থকাতো বিচাৰো আৰু বেয়া পোৱাজনৰ উপস্থিতি সহজ ভাৱে লব নোৱাৰো। এই সময়ছোৱাত ধৈৰ্য্য সহকাৰে লোৱা এটা সিদ্ধান্তই যিদৰে সুখৰ বতৰা দিব পাৰে ঠিক সেইদৰে আবেগৰ দ্বাৰা পৰিচালিত হৈ অধৈৰ্য্যহীন ভাৱে লোৱা এটা সিদ্ধান্তই জীৱনলৈ অন্ধকাৰ নমাই আনিব পাৰে। সেইবাবে কোনো এটা সিদ্ধান্ত লোৱাৰ আগতে শীতল মস্তিস্কৰে দহ বাৰ ভাবিব লাগে। আৰু যদি উত্তৰ উলিয়াব পৰা নাই তেন্তে এশবাৰ ভৱাৰ প্ৰয়োজন। উদাহৰণস্বৰূপে ঃ সাক্ষাৎকাৰত অৱতীৰ্ণ হৈছে আৰু ভবা মতে তেওঁ উত্তীৰ্ণ হৈছে। কিন্তু তেওঁ লাখ টকা ঘোচ দিব পৰা নাই বাবে চাকৰিটো পোৱা নাই। হাতত টকা নাই যদিও চাকৰিটো লাগে এই কথাযাৰৰ পৰা যুৱকজনৰ মনটো অশান্ত হৈ পৰিব আৰু তাৰ সুযোগ গ্ৰহণ কৰিব উগ্ৰবাদী নেতাসকলে।



এই উগ্ৰবাদী নেতাসকলে এনে পথভ্ৰষ্ট যুৱক- যুৱতীসকলক নানান প্ৰলোভন দেখুৱাব আৰু সমাজৰ প্ৰতি ঘৃণাৰ ভাৱ জগাই তুলিব। আৰু সমাজবিদ্ৰোহী শক্তিসমূহে তেওঁক ব্যৱহাৰ কৰিব শক্তিসমূহে তেওঁক ব্যৱহাৰ কৰিব সমাজ ধ্বংসৰ কামত। গতিকে যৌৱন কালত আমি যিজন মানুহক পথ-প্ৰদৰ্শকৰ আসনত বহুৱাম তেওঁ যাতে এজন সৎ, জ্ঞানী, সমাজপ্ৰিয় লোক হয় তাৰ প্ৰতি নজৰ ৰাখিব লাগে। কিন্তু আমাৰ সমাজত এনে কিছু গৰিষ্ঠ সংখ্যক লোক আছে যি সকল বাহিৰত সৎ আৰু সমাজপ্ৰিয় কিন্তু ভিতৰি দেশদ্ৰোহী সেই সকল লোকেই তেওঁলোকৰ সুন্দৰ সুন্দৰ কথাৰে বহু যুৱক- যুৱতীক ধ্বংসাত্মক কাৰ্যকলাপৰ প্ৰতি আগ্ৰহী কৰি তোলে আৰু আমাৰ যুৱক-যুৱতীসকলে যুক্তি যুক্ততা বিচাৰ নকৰি তেওঁলোকক পথ প্ৰদৰ্শকৰ আসনত বহুৱাই।

পথ-প্ৰদৰ্শকৰ ক্ষেত্ৰত আমাৰ অভিভাৱক সকলেও গুৰু দায়িত্ব পালন কৰিব লাগে। কিন্তু আজিৰ সমাজখনত পিতৃ-মাতৃ আৰু সন্তানৰ মাজত পিতৃ-মাতৃয়ে তেওঁলোকৰ লগত কথা-বতৰা কমাই দিয়ে। বহুতো পিতৃ-মাতৃয়ে সন্তানক পৰামৰ্শ দিয়াৰো প্ৰয়োজনবোধ নকৰে। দেউতাকে যদি কেতিয়াবা কিবা কথাত ল'ৰাটোক গালি পাৰে তেতিয়া মাকে ক'ব "সি এতিয়া কলেজ পালেগৈ কি ভাল, কি বেয়া বিচাৰ কৰি চাব পৰা গুণ তাৰ হ'ল। আপুনি অযথা তাক গালি নেপাৰিব। এই ধৰণৰ বচন আমাৰ গৰিষ্ঠ সংখ্যক লোকৰ ঘৰত শুনিবলৈ পোৱা যায় বুলি কলে হয়তো ভুল নহব। তাৰ সলনি আমাৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ মনৰ ভিতৰখন বুজি সেইমতে সন্তান সকলৰ লগত বন্ধুত্বসুলভ আচৰণ কৰিবলৈ চেষ্টা কৰিব লাগিব। কিশোৰ তথা যুৱ সন্তান সকলে যাতে তেওঁলোকৰ সমস্যাসমূহ মুকলিকৈ মাক-দেউতাকৰ লগত আলোচনা কৰিব পাৰে তেনেধৰণৰ পৰিৱেশ ঘৰখনত থাকিব লাগে। যুৱ-প্ৰজন্মই ভুলক্ৰমেও ভাবিব নেলাগে যে মাক-দেউতাকৰ হাতত সকলো সমস্যাৰে সমাধান নেথাকে বুলি। মাক-দেউতাকহঁতৰ সকলো সমস্যাৰে সমাধান থাকে, কাৰণ তেওঁলোক জীৱনৰ অভিজ্ঞতাৰে পুষ্ট। আৰু আটাইতকৈ ডাঙৰ কথা হ'ল পিতৃ-মাতৃৰ সমান প্ৰকৃত বন্ধু লৰা-ছোৱালীৰ বাবে পৃথিৱীত আন কোনো নাই। গতিকে যুৱক-যুৱতীসকলে পিতৃ-মাতৃৰ সৈতে বন্ধুত্বপূৰ্ণ কথা বতৰা তথা আলাপ আলোচনাৰ মাজেদি তেওঁ লোকৰ সমস্যা সমূহ সমাধান কৰিবলৈ চেষ্টা কৰিব লাগিব। আৰু এইটোৱে সমস্যা সমাধানৰ আটাইতকৈ উত্তম উপায়। ❐

অনুভৱৰ শিল্প

# সুসিদ্ধান্তই জীৱন ধুনীয়া কৰে

□ বৰ্ণালী মহন্ত, স্নাতক তৃতীয় বৰ্ষ

এজন মানুহে জন্মৰ পিচৰে পৰা মৃত্যুৰ আগমুহূৰ্তলৈ বহুতো ঘটনা পৰিঘটনাৰ সন্মুখীন হ'বলগীয়া হয়। কেতিয়াবা এনেকুৱা সময়ো আহে যে অলেখ সমস্যাই একেলগে আগুৰি ধৰি আমাৰ দেহ-মন ভাৰাক্ৰান্ত কৰি তোলে। বহুতো সমস্যা যেতিয়া আহিবই, তেতিয়া কোনটো সমস্যা সমাধানত গুৰুত্ব দিব বা কোনটো ত্যাগ কৰিব সেই সিদ্ধান্ত লোৱাটোহে বৰ গুৰুত্বপূৰ্ণ কথা। আনহাতে এইটোও সঁচা যে মানুহৰ হাতলৈ কেতিয়াবা একে সময়তে কেইবাটাও সুযোগ-সুবিধাই আহি ধৰা দিয়ে। কিন্তু হাতলৈ অহা সুযোগৰ কোনটো এৰি কোনটো গ্ৰহণ কৰা হ'ব, সেই সিদ্ধান্ত ল'ব পৰাটো অতি জটিল কথা। এনে কিছুমান মানুহ আছে যি সকলে হাতত পোৱা সকলোবোৰ সুবিধা ল'বলৈকে আগ্ৰহী, যিটো প্ৰায় অসম্ভৱ কথা। উপযুক্ত সময়ত উপযুক্ত সিদ্ধান্ত ল'ব পৰা ক্ষমতাৰ অধিকাৰীজনেহে জীৱনত সাফল্যৰ মধুৰ হাঁহি মাৰিব পাৰে। সিদ্ধান্তৰ বিষয়ে ক'বলৈ গৈ উইলিয়াম জেইমছে কৈছে- "যি মানুহৰ কাৰণে সিদ্ধান্ত ল'ব নোৱাৰাটো এটা অভ্যাসত পৰিণত হয়, তেওঁতকৈ অসুখী মানুহ আন কোনো হ'ব নোৱাৰে"।

এজন অতি মেধাৱী ছাত্ৰই প্ৰৱেশিকা আৰু উচ্চতৰ মাধ্যমিক (বিজ্ঞান শাখা) পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পিছত কি পঢ়িব সেই বিষয়ে বহুদিনলৈ কোনো এটা সঠিক সিদ্ধান্তত উপনীত হ'ব নোৱাৰি শেষত বিজ্ঞানতে স্নাতকোত্তৰ ডিগ্ৰী লয় যদিও কোনো এটা নিশ্চিত সংস্থাপন পাব নোৱাৰে, তেতিয়া সেই মেধাৱী ছাত্ৰজনৰ বাবে সময়ত এটা সঠিক সিদ্ধান্ত ল'ব নোৱাৰাটো তেওঁৰ জীৱনৰ এক মাৰাত্মক ভুল হ'ব পাৰে।

মনোবিজ্ঞানী সকলে কৈছে যে সঠিক সময়ত সঠিক সিদ্ধান্ত লোৱাৰ ক্ষমতা যিজনৰ নাই সেইজনেই জীৱনত অকৃতকাৰ্য হয়। কিছুমান মানুহে কৰ্মক্ষেত্ৰৰ কেউদিশতে লাভ কৰা অভাৱনীয় সাফল্যৰ মূলতে হ'ল সিদ্ধান্ত ল'ব পৰাৰ অপূৰ্ব ক্ষমতা। তেওঁলোকে গ্ৰহণ কৰা সিদ্ধান্তবোৰ নিতান্তই সঠিক আৰু ইয়াকে সাৰোগত কৰি জীৱনটোক ক্ৰমাৎ উত্তৰণৰ দিশলৈ লৈ যায়। আনহাতে এনে লোকো আছে যাৰ হাতলৈ অনেক সুযোগ অহা সত্বেও কৃতকাৰ্যতা লাভ কৰিব নোৱাৰে। ইয়াৰ প্ৰধান কাৰণ হ'ল তেওঁলোকৰ বিলম্বিত সিদ্ধান্ত গ্ৰহণ আৰু কিবা বাধা-বিঘিনিৰ সন্মুখীন হ'লেও সেই সিদ্ধান্তক ততাতৈয়াকৈ ভৰিৰে মোহাৰি পেলাবলৈ অকনো কুণ্ঠাবোধ নকৰে। গতিকে জীৱনৰ মধু আহৰণ কৰিবলৈ হ'লে সঠিক সিদ্ধান্ত লোৱাৰ ক্ষিপ্ৰতা আৰু দৃঢ়তা থকাতো অতীৱ প্ৰয়োজনীয়। সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সকলো মানুহে দক্ষতা প্ৰদৰ্শন কৰিব নোৱাৰিবও পাৰে। যদি এজন মানুহে কোনো এটা কথা খুব লাহে লাহে বুজি পায়, স্বাধীন মনেৰে কোনো এটা কথা স্পষ্টভাৱে চিন্তা কৰিব নোৱাৰে, নতুবা কোনো কামৰ ভাল বেয়া দিশবোৰৰ পাৰ্থক্য উলিয়াব নোৱাৰে তেনে, মানুহেই সাধাৰণতে সিদ্ধান্ত লোৱাৰ যাদুকৰী ক্ষমতা হেৰুৱাই পেলায়।

জৰুৰী কামৰ ক্ষেত্ৰত ততাতৈয়াকৈ সিদ্ধান্ত লোৱাটো খুবেই আৱশ্যক। উদাহৰণস্বৰূপে যদি কোনো গুৰুত্বপূৰ্ণ কামৰ এটা নিৰ্দিষ্ট সময় ধৰা বন্ধা থাকে তেনেহ'লে বিলম্বিত সিদ্ধান্তই কামটোৰ অপূৰণীয় ক্ষতিহে কৰিব।

যদি এজন মানুহৰ কাম কৰাৰ সামৰ্থ্য, অভিজ্ঞতা আৰু উদ্যম থাকে তেন্তে তেওঁ সঠিক সিদ্ধান্তৰ দ্বাৰা যিকোনো বিপদ-বিঘিনি অতিক্ৰম কৰিবলৈ সমৰ্থ হয়। প্ৰত্যেক বুদ্ধিমান মানুহে প্ৰথমতে সমস্যাটোৰ উৎসটো বিচাৰি লয়। তাৰ পিচত সমস্যাটোৰ সফল সমাধানৰ বাবে কি সিদ্ধান্ত লোৱা হ'ব সেইটো থিৰাং কৰি লয়। সমস্যা এটা ভালদৰে চিনিব পৰা মানে তাৰ আধা সামাধান হৈ যায়। মানুহৰ সমস্যাৰ ওৰ নাই। এটা সমস্যাৰ সমাধানে যিহেতু আন এটা সমস্যাৰ জন্ম দিয়ে সেয়েহে সময় সাপেক্ষে সিদ্ধান্তৰ দ্বাৰা সমস্যাটোৰ সম্ভাব্য সমাধানৰ পথ বিচাৰি লাহে লাহে সেইবোৰ কাৰ্যত পৰিণত কৰাৰ প্ৰয়াস চলাব লাগে।

জীৱনৰ পৰা আমি বৰ বেছি আশা কৰাটো অনুচিত। যদি আমাৰ কোনো কামৰ অগ্ৰগতি মন্থৰো হয় তেতিয়াও হতাশ হ'ব নালাগে। ভুল সিদ্ধান্তৰ বাবে প্ৰত্যেক মানুহেই হয়তো আনৰ সমালোচনাৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে। হাঁহিয়াতৰ পাত্ৰও হ'ব পাৰে। সেইবোৰলৈ মুঠেই কাণসাৰ কৰিব নালাগে। কিয়নো প্ৰতিজন মানুহেই জীৱনত কি হ'বলৈ বিচাৰে বা জীৱনত তেওঁলোকক কি লাগে সেইসিদ্ধান্ত লোৱাৰ অপৰিসীম ক্ষমতা মাথোঁ আমাৰহে আছে। □



# প্রাচীর পত্রিকা শিতান



গল্প

# সপোন

□ধৰ্মেন্দ্ৰ গগৈ, স্নাতক প্ৰথম বৰ্ষ

ৰাতিপুৱা শুই উঠাৰ পৰা মনটো উগুল-থুগুল লাগি আছে। কাৰণ আমাৰ কলেজত আজি নৱাগত আদৰণি সভা পাতিছে। আজি দিনটোত পুৰণি সকলে নতুন সকলক আদৰণি জনাব লগতে চা-চিনাকী অনুষ্ঠান হ'ব। এই সকলোবোৰ কথা দাদাই মোক ৰাতিপুৱা চাহ খাই থকা অৱস্থাত ক'লে। কাৰণ এইবাৰ মই নৱাগত সকলৰে এজন সদস্য। দাদাৰ মুখৰ পৰা চা-চিনাকী অনুষ্ঠানৰ নামটো শুনি ভয়তে মই চাহেই নেখালো। মনতে নানা ধৰণৰ প্ৰশ্ন হ'ল কলেজত কি বা সুধিব? কিবা কবলৈ দিবনে কি? ইত্যাদি ইত্যাদি।

তথাপিতো যথা সময়ত মনটো ডাঠ কৰি চাইকেলখন লৈ কেতিয়ানো কলেজ পালোহি ক'বই নোৱাৰিলো। ইতিমধ্যে কলেজত প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে উপস্থিত আছিল। প্ৰায়াবোৰ কলেজৰ ছোৱালীয়ে ৰঙা, নীলা, হালধীয়া পাটৰ ছেটবোৰ পিন্ধি পখিলা জনীৰ দৰে কলেজখনৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰিছে। লৰা বিলাকেও কোনজনী ছোৱালীক আজি দেখিবলৈ ভাল লাগিছে, কোনে কাৰ মন আজি হৰি নিব ঠিক নাই। এই বিলাক আদ্দা মৰাত ব্যস্ত হৈ আছে। তেনেতে মাইকত ঘোষণা হ'ল কক্ষলৈ সকলোকে আমন্ত্ৰণ কৰা হৈছে। কাৰণ অলপ পাছতে সভা আৰম্ভ হ'ব। কিছু সময়ৰ পাছত সভা আৰম্ভ হ'ল। আমন্ত্ৰীত অতিথি সকলৰ লগতে অধ্যক্ষ বাইদেৱে বক্তব্য আগবঢ়াই নৱাগত সকলক শুভেচ্ছা জ্ঞাপন কৰিলে।

ইয়াৰ পাছত সভাৰ দ্বিতীয় কাৰ্যসূচী চা-চিনাকী অনুষ্ঠান আৰম্ভ হ'ল। নৱাগত সকলে নিজৰ চিনা পৰিচয় দিয়াৰ লগতে প্ৰিয় বিষয় কবলগীয়া হ'ল। তাৰ ফলত কোনোবাই গান গালে কোনোবাই নাচিলে। কিন্তু এইবাৰ মোৰ কোৱা পাল পৰিল। মই মঞ্চলৈ উঠি গৈ নিজৰ নামটো, কলেজখনত পঢ়ি কেনেকুৱা লাগিছে আদি কোৱাৰ পাছত প্ৰিয় বিষয়বস্তুৰ কথা ক'ব লাগে। কিন্তু হঠাৎ মুখৰ পৰা ওলাই আহিল, মই গান গাই ভাল পাওঁ, পিছতে ভাবিছো "এয়াতো সৰ্বনাশ হ'ল, কি গাম এতিয়া।" এফালে গ্ৰীস্ম কালৰ উত্তপ্ত গৰম, আগফালে গান গাব নোৱাৰাৰ বাবে লাজত ঘামিছো। এই দুয়োটা গৰমে মোৰ মুখমণ্ডল সম্পূৰ্ণ তিয়াই পেলাইছে আৰু মই মঞ্চত থিয় হৈ আছো।

কিন্তু এয়া কি মোৰ কাপোৰ কানিবোৰ ক'ৰ পৰা তিতিল আৰু মোৰ কানখনত পানী সোমাইছে যে। কাণ-মূৰ জোকাৰি চকু মেলি চাই দেখিলো ভন্টিয়ে মগ এটাৰে মোৰ গাত পানী ঢালি আছে আৰু চিঞৰিছে দাদা আজি তহঁতৰ কলেজত ফ্ৰেচাচ নাই জানো? সোনকালে উঠ কলেজলৈ যাবৰ হ'লআৰু তই অথনিৰে পৰা কি বকবকাই আছিলি। তাইৰ কথা শুনাৰ পাছতহে মই গম পালো যে মই সপোন দেখি আছিলো তাই নোকোৱা হেতেন মই বিশ্বাসে নকৰিলোহেঁতেন মই যে এটা সপোন দেখি আছিলো............! □

(প্ৰাচীৰ পত্ৰিকা 'অংকুৰ')



# ভাগি যোৱা সপোনবোৰ

গল্প

□পুৰন্দৰ গোহাঁই,
প্ৰাক্তন ছাত্ৰ

দুপৰীয়া গা-পা-ধুই, ভাত পানী খাই ঠাণ্ডা লবলৈ বুলি চকীখনলৈ আগফালৰ গছৰ তলত বহিছোঁহে, এনেতে চহৰত পঢ়ি থকা গোহাঁই চাৰৰ পুতেক ৰূপম হাতত বেগটো লৈ তলতৈ মূৰ কৰি ৰাস্তাইদি গৈছে। মাতিম বুলি ভাবিও নামাতিলো। ইমান গৰমত বেচেৰা আহিছে।

মনতে ইটো-সিটো ভাবি থাকোঁতেই তিনি আলি ফালে হুলস্থুল লাগিল। এই ভৰ দুপৰীয়া কাৰ ঘৰত কি লাগিল। এই ভৰ দুপৰীয়া কাৰ ঘৰত কি লাগিল, কাৰোবাৰ ঘৰত জুই লাগিল নেকি.... এই বুলি খৰ ধৰকৈ পদূলিলৈ ওলাই গৈ দেখিলো আমাৰ চুবুৰীৰ গোহাঁই চাৰৰ পদুলিতহে

মানুহ গোট খাইছে। মোৰ বুকু খন ধমহকৈ মাৰিলে। কিজানি চাৰৰ....।

মোৰ ধাৰণা সত্য নাছিল। আগবাঢ়ি গৈ অন্য এটা সত্যহে আৱিস্কাৰ কৰিলো। অলপ আগতে যোৱা ৰূপম মাটিত বাগৰি আছে। চাৰে হাতত সৌকা এডাল লৈ সেইখিনিৰ পৰা আঁতৰি গৈছে। তাৰ মানে....

ভাবিলে আচৰিত লাগে। হাইস্কুলৰ শিক্ষক যদিও কোনো দিনে হাতত এচাৰি তুলি নোপোৱা চাৰে অতি নিৰ্দয়ভাৱে ৰূপমক কোবাল। স্কুলত চাৰে নিজেই কৈছিল, "এচাৰিয়ে শৰীৰত সাঁচ বহুৱাতকৈ মনত সাঁচ বহুৱাটোহে ডাঙৰ কথা।"

সেয়ে চাৰৰ খং উঠিলেও দাবি ধমকিহে দিছিল। কোনো দিনে হাতত এচাৰি তুলি লোৱা নাছিল। তেনেস্থলত সেইজন চাৰৰ আজি কি হ'ল? বিস্ময় ভাৱেৰে মানুহবোৰে বু-বু-বা-বা কৰিব ধৰিলে। মইও ঠিৰাং কৰিব নোৱাৰি ৰূপমক ধৰি নি চকী এখনত বহাই দিলোগৈ। তাৰ অৱস্থাটো সহিব নোৱাৰি বৰমাকে গাত হাত পাত ফুৰাই কৈছিল, "ল'ৰাটো চহৰৰ পৰা আহিছেহে, অলপ জিৰাবও দিব নোৱাৰিলেনে? সি বেয়া হৈছে ভালদৰে বুজাব নোৱাৰে জানো। এনেই আনক বৰ বুজাব পাৰে।"

সঁচাকৈ চাৰ বাইদেউৱে কিমান কষ্টেৰে ৰূপমক পঢ়াই মেট্ৰিকত প্ৰথম বিভাগত পাছ কৰালে। চহৰত ল'ৰা পঢ়াইছো বুলি বাইদেউৱে জহ নমৰা কৈ নাথাকেই। আলহী অতিথিৰ আগত এবাৰ ল'ৰাটোৰ কথা নুলিয়ালে বাইদেউৰ ভালেই নালাগে। সঁচাকৈ চাৰ-বাইদেউৱে ৰূপমক লৈ বহু কল্পনা কৰিছিল, কিন্তু নিষ্ঠুৰ নিয়তিয়ে তেওঁলোকৰ কল্পনা বোৰ বাস্তৱায়িত হোৱাৰ আগতেই মোহাৰি পেলালে। গাৱঁৰে ৰুণু পেহীক আজি ঘটনাটোৰ বিষয়ে সোধাত পেহীয়ে ক'বলৈ লৈ ৰূপমলৈ চালে। আজি গোহাঁই চাৰে হেনো পুৱাতে উঠি চাহ কাপ খায়েই ল'ৰাটোৰ ওচৰলৈ যাওঁ বুলি ৰমেন দোকানীৰ পৰা পোন্ধৰশ টকা ধাৰে আনি আগদিনা মাকে পুতে কলৈ বুলি বনাই দিয়া নাৰিকলৰ লাডু, হেঁচা পিঠা আৰু কেইটামান শাক-পাচলি লৈ পুতেকৰ ওচৰ ওলালেগৈ। ৰূপমৰ ৰুমৰ সন্মুখত পোণাকন বুলি দৰ্জাত টোকৰ মাৰিলে। দৰ্জা খোল নাখালে। আকৌ এবাৰ দৰ্জাত টোকৰ মৰাৰ লগে লগে দৰ্জা খুলি দিলে কিন্তু....

ৰূমৰ ভিতৰত সোমাই চাৰে দেখিছিল মাথো 'ধোঁৱা'। সাউংকৰে এখোপা ধোঁৱা আহি চাৰৰ শ্বাস প্ৰশ্বাস বন্ধ কৰি দিছিল। ধোঁৱাৰ মাজতে সেমেনা সেমেনিকৈ দৰ্জাৰ চুক এটাত ৰৈ আছিল ৰূপম। তাৰ ভৰিৰ পাছফালে দেখিছিল দহটা মান খালী ফ্লেক চিগাৰেটৰ বাহ। চাৰিওফালে সিচৰিত হৈ আছিল চিগাৰেটৰ টুকুৰা আৰু খালী খালী শিখৰ আৰু ত্ৰিৰঙ্গা পেকেট। চাৰে লাহেকৈ হাতত থকা মোনাটো মাটিত থৈ একে থৰে বহুত পৰ চাই তাৰ গালত চৰ মাৰিলে। লগে লগে চাৰ ওলাই আহিল আৰু আজিয়েই তই ঘৰলৈ আহ বুলি ঘৰলৈ উভতিল।

পেহীৰ পৰা কথাটো শুনি বহুত কিবা কিবি কথা মনলৈ আহিল। কেৱল চিগাৰেটৰ ধোঁৱায়েনে...। আজি কিছুদিনৰ আগতে ৰূপমৰ বিষয়ে মোৰ ভতিজা দীপাংকৰে আন বহুতো কিবা কিবি কৈছিল। তাৰ কথা খিনি শুনি দুখ লাগিল, চাৰ আৰু বাইদেউলৈ। সঁচাকৈ ভাবিবলৈ গ'লে সেই ৰামায়ন, মহাভাৰতৰ ঋষি মুণিসকল এই শিক্ষক জাতিটোৱেই নহয়নে পৰিবৰ্তন মাথো পোচাক যোৰহে। মুখত এটা চিগাৰেট নিদিয়াকৈ কিমান কষ্টৰে পঢ়ি, স্কুল খুলি, মমবাতিৰ দৰে জ্ঞানৰ পোহৰ বিলাই বিলাই আজি চাৰে ৫৫বছৰ বয়সত ভৰি দিলে। কিন্তু আজি নিজ পুত্ৰৰ এনে অৱস্থা।

হঠাৎ মোৰ এটা দিনলৈ মনত পৰিল চাৰে আমাৰ ক্লাছ টেনত কথাৰ প্ৰসংগত কৈছিল কৈশোৰ আৰু ছাত্ৰ জীৱন অতি সুন্দৰ, কিন্তু ইয়াক কঠোৰ বিধি নিষেধৰ দ্বাৰা সংযত কৰিব লাগিব (শ্বেক্সপীয়েৰ)

সেই সময়ত কথাষাৰ বৰকৈ হৃদয়ংগম কৰিব নোৱাৰিছিলো। কিন্তু আজি সেই কথাষাৰে মোক ভবাই তুলিছে।

কথাবোৰ বেছি ভাবি নাথাকিলো, এই সৰুসুৰা ঘটনাবোৰৰ পৰা বহুতো ডাঙৰ ডাঙৰ কথা মনলৈ আহে আৰু ভবাই তোলে। ৰূপমক তাতে এৰি চাৰৰ ওচৰলৈ গ'লো। পিছফালৰ বাৰান্দাত নিৰ্দিষ্ট চকী খনতচাৰে তললৈ মূৰকৰি বহি আছে।

'চাৰ' লাহেকি মাত লগালে। চাৰে মুৰ তুলি মোলৈ এপলক চাই থাকিল। তাৰ পিছত অতি কাতৰে কৈ উঠিল—

'নোৱাৰিলো বোপাই! মই এইটোক তহঁতৰ দৰে পঢ়ুৱাব নোৱাৰিলো।

হাতৰ মুঠিতে মুখখন গুজি চাৰে হুক হুকাই কান্দি পেলালে। চৰম হতাশাত চাৰে উচ্চাৰণ কৰা শব্দ কেইটাই মোক তীব্ৰভাৱে খুন্দিয়াই গ'ল। সান্তনা দিবলৈও ভাষা বিচাৰি নাপালো। মাথো কান্দোনত ভাগি পৰা চাৰৰ ওচৰত একে থৰে ৰৈ গ'লো। □

(প্ৰাচীৰ পত্ৰিকা 'অংকুৰ')

গল্প

# আশ্ৰয়ৰ সন্ধানত

□ জ্যোতিকা দেৱী
উঃ মাঃ দ্বিতীয় বৰ্ষ



মমী অতি দুখীয়া ঘৰৰ ছোৱালী। তাই সৰুৰপৰাই অতি দুখত ডাঙৰ হৈছে। স্বভাৱতে তাই শান্ত প্ৰকৃতিৰ, কিন্তু পঢ়া শুনাটো তাই অতি মেধাৱি আছিল। তাই যোল্ল বছৰ বয়স হ'ল। তাই এতিয়া দশম শ্ৰেণীৰ ছাত্ৰী। মাকে তাইক অতি যত্ন কৰি লোকৰ ঘৰত ভুই-ৰুই পঢ়াইছিল। সেয়েহে তাই ভালদৰে পঢ়া-শুনা কৰে। লোকৰ ল'ৰা - ছোৱালীক মাক-দেউতাকে পঢ়ুৱাৰ দৰে তাইক মাকে পঢ়াব পৰা নাই। কিন্তু বিভিন্ন ধৰণৰ কল্পনাই তাইৰ মন ভৰপুৰ। এদিন মমীয়ে লগৰ ছোৱালীবোৰে বিনন্দ চাৰৰ ওচৰত টিউছন কৰাৰ কথা কলে। গতিকে তাইও টিউছন কৰিব। মাকে বিশেষ একো নকলে। কাৰণ মাক আৰু তাইৰ অকলশৰীয়া জীৱনত সহায় কৰাৰ কোনো মানুহ নাছিল। সেই কাৰণেই মাকে খুৰাকৰ ঘৰলৈ গৈ মমীৰ টিউছনৰ কথা কলে। সোণ, মমীয়ে এতিয়া মেট্ৰিক দিব। তাইৰ লগৰ ছোৱালীবোৰে বিনন্দ মাষ্টৰৰ ওচৰত টিউছন কৰিছে। সেয়েহে তাইকো"........। তেতিয়া খুৰাকে একেবাৰতেই কৈ পেলালে যে আজিকালি দুখীয়া মানুহে পঢ়ি শুনিনো কি কাম কৰিব। টকা পইছা নহলেতো চাকৰী নাই। গতিকে নবৌ, আমাৰ পথাৰত ধান পকি আছে, তাকে তাইখ দাবলৈ ক'বা। আমাৰ দাৱনীও কেইবাজনীও যাব। যেতিয়া খউৰাকৰ মুখত ভয়ংকৰ বাক্য শুনিলে তেতিয়া মমীৰ মাকৰ দুচকুত দুখৰ অশ্ৰুধাৰা বৈ আছিল আৰু তেওঁ খুৰাকক একো নোকোৱাকৈ গুছি আহিল।

সন্ধিয়াৰ ৰাঙলী আভাই পশ্চিম আকাশ বৰ উজ্বল কৰি তুলিছিল। চৰাইবোৰে জাক পাতি পাতি নদীৰ তীৰে তীৰে উভতিছিল। সেই সময়ত মমীৰ মাকৰ মনত পৰিল দেউতাকলৈ, আজি যদি মমীৰ দেউতাক থাকিলেহেতেন তেতিয়াটো লোকৰ এনে বাক্য শুনিব লগা নহ'লহেতেন। এনেদৰে অতীতৰ স্মৃতি ৰোমন্থন কৰি বহি থাকোতেই মমীয়ে মাত লগালে। মা, খুৰাদেৰে টিউছনৰ কথা কি ক'লে। তেতিয়া মাকৰ চলচলীয়া চকুহালে মমীলৈ চাব নোৱাৰা হ'ল। আৰু ক্ষন্তেক পাছতে মাকে কৈ পেলালে যে তই আৰু পঢ়িব নালাগে। খুৰাৰ পথাৰত ধান পকি আছে তাকে দাবলৈ কৈছে।

মাকৰ মুখত এনে অদ্ভুত বাক্য শুনি মনত বহুতো দুখ অনুভৱ কৰিলেও তাই সেই দুখ বাহ্যিক জগতত নেদেখুৱাই পাৰ্যমানে মাকক দুখৰ সমভাগী হৈ মাকক শান্তনা দিবলৈ ধৰিলে। মাকৰ দুচকুৰে বৈ অহা চকুলো মচি দিয়ে আৰু মমীয়ে মাকে নেদেখাকৈ নীৰৱে চকুলো চুকে।

ইতিমধ্যে দিনৰ চাৰিমান বজাত মমীৰ বান্ধৱী বীণাই, খবৰ দিলে যে মমীক বিনন্দ মাষ্টৰে কোনো বিনিময় নোলোৱাকৈ টিউছন কৰি দিব, এনে সকৰুণ খবৰ শুনি মূহুৰ্ত্ততে মমীৰ দুগালত চকুলোৰে ভৰি পৰিল আৰু তাই মনৰ দুখৰ মাজতো সুখৰ ৰঙীন আভাস দেখিবলৈ পালে। আৰু তাই একেদৰে গৈ মাকক ক'লে গৈ যে মা, মোকহনো চাৰে কোনো বিনিময় নিদিয়াকৈ টিউছন কৰি দিব। মাকে আচৰিত হ'ল বিনিয়ম নোহোৱাকৈ। তথাপি মাকে তাইক ইমান হেপাঁহৰ মাজত কোনো বাধা নিদি টিউছন কৰিবলৈ যাব কলে। পিছদিনাখন ছয় বজাৰ পৰা মমীয়ে টিউছনলৈ যাবলৈ আৰম্ভ কৰিলে। সপ্তাহৰ দেওবাৰৰ দিনাও টিউছন কৰিম বুলি কৈ পঠালে। আৰু সেইমতেই মমীয়ে দেওবাৰৰ দিনা টিউছন কৰিবলৈ ৰাতিপুৱা ছয় বজাত ওলাই আহিল তেনেতে তাই দেখিছে যে বিনন্দ মাষ্টৰ তাই আগুৱাই আহিছে আৰু তাই তেতিয়া অতি আচৰিত জনকভাৱে বৈ পৰিল। তাইৰ চকুৰ আগত ভাঁহি উঠিল বিনন্দ মাষ্টৰৰ অন্য এটা ৰূপ, যিটো ৰূপ তাই চিনাকী নাছিল। ক্ৰমে সেই ৰূপটো তাইৰ চকুত স্পষ্ট হৈ পৰিল। সেইয়া..... তাইফালে এটা পশুৱে খেদি আহিছে......। জ্বৰে ঘামে আৰি পেলোৱা মমীৰ মুখৰপৰা মাত নোলোৱা হ'ল... হাত ভৰি কঁপিছে অণ্ঠ-কণ্ঠ শুকাই গৈছে.... শৰীৰ অৱশ হৈ পৰিছে। পিছ মুহূৰ্ত্ততে তাই ক'ৰ পৰা জানো শক্তি পালে প্ৰাণতাকি দৌৰিবলৈ ধৰিলে............... আশ্ৰয়ৰ সন্ধানত!! □

(প্ৰাচীৰ পত্ৰিকা 'অংকুৰ')

গল্প

# বৰষা আগমন

□ সবিতা গগৈ, স্নাতক তৃতীয় বৰ্ষ

সিদিনা দুপৰীয়া ভাত-পানী খাই উঠি জিৰণি লওঁ বুলি বিচনাত পৰিছোহে হঠাতে এজাক বৰষুণ, লগতে টুপুৰ টুপুৰ টক্ টক্ জিৰ জিৰ ঝৰ ঝৰ শব্দ খিৰিকীয়েদি জুমি চাই দেখো আস ই কি' চোতাল ভৰি বগা শিল দেখোন। যেন শেৱালি ফুলেৰে চোতালখন ঢাক খাই আছে। তাৰ মানে শিল বৰষুণ! কনমাণি ছোৱালীজনীৰ দৰে দৌৰি দুৱাৰ খুলি ওলাই গৈ শিল বোটলাত লাগিলো। বাৰিষাৰ প্ৰথমজাক বৰষুণ। এতিয়াই বৰষা কি যে মোহনীয় দৃশ্য শৈশৱলৈ মনটো উৰা মাৰি গ'ল, শিল বুটলি বৰফ চোৱাৰ তৃপ্তি যে অনুভৱ কৰিছিলো।

কিছুদিনৰ পৰা ধুলি বালিৰ প্ৰকোপত ৰক্ষ হৈ পৰা প্ৰকৃতিজনী যেন হঠাতে অহা বৰষুণজাকত গা ধুই নিকা হৈ উঠিল। গছ লতিকাৰ পাত চিকচিকীয়া হৈ পৰিল। প্ৰকৃতিজনী যেন সজীৱ হৈ উঠিল। সিদিনা নিশালৈ এজাক ধুমুহা বতাহ আহিল। অ'ত ত'ত গছ বিৰিখ উভালি পৰিল, ঘৰ দুৱাৰ ভাগিল বহুতো। মৌচুমীকো লগত লৈ অহাৰ আগজাননী দিলে। কিন, কিনীয়া, নেৰা নেপেৰা, দবাপিতা কলহৰ কাণে ঢলা ক'ত যে ৰূপেৰে মৌচুমী নামিব এই ধৰাত, চিনাকী অচিনাকী ঘাঁহ বনেৰে ধৰণী সেউজীয়া হৈ উঠিব। সঁচাই বৰষাৰ এক সুকীয়া সৌন্দৰ্য আৰু বৈশিষ্ট্য আছে। ৰঙা, নিলা, কলা ছাতিৰ তলত খুপি খুপি মেখেলা উজাই যোৱা স্কুলীয়া ছোৱালী কেইজনী, ছাতি লৈ খৰধৰকৈ কৰ্মথলীলৈ যোৱা মানুহবোৰ। বৰষুণত তিতিলে আজিকালি স্কুল অদ্ধ ছুটী দিয়েনে নিদিয়ে জানো। বৰষুণৰ পানীৰ ডোঙাত কাগজত নাওঁ উটুৱাই কৰা নিভেজাল স্মৃতিবোৰে ঘৰিয়ালৰ পানীত নামিলো, খেলেনে বাৰু যান্ত্ৰিক জীৱনৰ অভ্যস্ত, পাঠ্যক্ৰমৰ গধুৰ বুজাত দিন অতিবাহিত কৰি কংক্ৰীটৰ অৰণ্যত বাস কৰা ভাইটি ভন্তিহঁতে। কুলি কেতেকীৰ মৌ-বৰষা মাতৰ তালে তালে গোলাপ, তগৰ, বকুল, কৃষ্ণচুৰা, সোণাৰু, জবা, কৰবীৰ সুবাসে চৌপাশ মতলীয়া কৰে এনে লাগে যেন প্ৰকৃতিয়ে ফুলৰ সাতসৰীহে পিন্ধিছে মোক খা-মোক খা কৈ থকা আম, কঠাল লেটেকু, পনীয়ল, লিচুবোৰতো আছেই। খাল ডোং জান জুৰিত বৰশী টোপাই বহি থকা মোক দেখাটো এক সুন্দৰ দৃশ্য যেন কোনোবা চিত্ৰকৰে পৰিপাটিকৈ সজাই তোলা এখন কেনভাছহে।

কবি, গীতিকাৰ, গায়ক-গায়িকা শিল্পীৰ প্ৰেৰণাৰ উৎস এই বৰষা। সুকণ্ঠী গায়ক ৰাজন গোহাঁই কণ্ঠত প্ৰাণ পাই উঠিছে বৰষা তুমি আহানা, গায়িকা সান্তনা বৰুৱাই গাইছে ৰিম ঝিম-ঝিম বৰষুণ পৰিছে মাজে মাজে বিজুলিয়ে নাছিছে। এনেহেন লাগিছে যেন ময়ো সুৰ হৈ তাত মিলি যাম। আমাৰ অতি শ্ৰদ্ধাৰ সুগায়ক ভূপেন হাজৰিকাই গাইছে। "মেঘে গিৰ গিৰ কৰে, গিৰ গিৰ মেঘে কৰে।" ক'ত কাহিনী গীত গাই এই বৰষাক লৈ ৰচিত।

বৰষা মাদকতা ভৰা দিনবোৰত অৱগাহন কৰি থাকোতে কোনোৱা সুৰঙাইদি বৰষাৰ সংহাৰী ৰূপটোৱে মনবোৰ ম্লান, মষিমূৰ কৰি পেলায়। মৌচুমীৰ ওপৰত নিৰ্ভৰশীল আমাৰ কৃষক শ্ৰেণীৰ কেতিয়াবা হোৱা অনাবৃষ্টিত মুখ শুকায় যায় অকাল অনাবৃষ্টিত মুখ তেওঁলোকৰ চিন্তাত বিতত কৰে। মহ, জোকত, কেঁচু, কুমজেলেকুৱা, সাপ, বেংৰ উপদ্ৰৱে জুৰুলা কৰে ভেকুলীৰ টোৰ টোৰণিত যেন সুৰ সমলয় বাৰিষাৰ বান এক বিভিষিকা বানপানীৰ তাণ্ডৱ লীলাৰ কথা ভুক্তভোগীৰ বাদে কোনে বুজিব। তাৰ লগত আনুষংগিক বিপদ বিধিনি আছেই। ৰিমঝিম বৰষাৰ সৌন্দৰ্য আৰু বিভিষিকা দুয়োটা ৰূপেই হাতত ধাৰধৰিকৈ যেন আমাৰ মাজলৈ আহে। তথাপি বৰষা তুমি অনন্যা প্ৰকৃতিৰ এক প্ৰতাহিক নিয়ম ঋতু পৰিৱৰ্তন কালচক্ৰৰ এক এমোঘ নিৰ্দেশ যেন এক নিৰ্দিষ্ট পৰিক্ৰমাত আমি বন্দী। বৰষা তোমালৈ উষ্ণ আদৰণী বৰষা তুমি অহা মৰহা এই ধৰণৰ সেউজীয়া কৰা। □

(প্ৰাচীৰ পত্ৰিকা 'প্ৰতিশ্ৰুতি' অসমীয়া বিভাগ)

## জানেনে ?

- সূৰ্য্যৰ অন্তৰভাগ ইমানেই গৰম যে, ইয়াৰ এটা স্ফুলিংগই ৭৫০ কিঃ মিঃ দূৰত থকা যিকোনো এটা বস্তুক নিমিষতে ছাই কৰি দিব পাৰে।
- প্ৰতিদিনে এজন মানুহৰ চুলি বৃদ্ধি হয় .১৭৪ ছেঃ মিঃ, হৃদপিণ্ডৰ স্পন্দন হয় ১,০৩,৬৮০ বাৰ।
- অষ্ট্ৰেলিয়ান কুকুৰে ভুকিব নাজানে।

প্ৰবন্ধ

# আধুনিকীকৰণ আৰু ভাৰতীয় সমাজত পৰিৱৰ্তন

বন্দিতা সন্দিকৈ, স্নাতক তৃতীয় বৰ্ষ

আধুনিকীকৰণ হ'ল এক সামাজিক পৰিৱৰ্তন প্ৰক্ৰিয়া। আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজতো বিভিন্ন দিশত পৰিৱৰ্তনৰ সূচনা কৰিছে। আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত হোৱা প্ৰতিটো পৰিৱৰ্তনৰ কথা উল্লেখ কৰাটো সহজসাধ্য নহয়। তলত মূল কেইটামান পৰিৱৰ্তনৰ কথা উল্লেখ কৰা হ'ল -

প্ৰথমতে আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজব্যৱস্থাৰ বহুতো দিশত পৰিৱৰ্তন সাধন হৈছে। আধুনিক শিক্ষা, ঔদ্যোগিকৰণ, নাগৰিকীকৰণ, গণতান্ত্ৰিক আদৰ্শ, ধৰ্ম নিৰপেক্ষতাৰ ধাৰণা আদিৰ ফলত পৰম্পৰাগত ভাৰতীয় সামাজিক জীৱনৰ পৰিৱৰ্তন ঘটিছে। ভাৰতীয়ৰ মনৰ পৰা অন্ধবিশ্বাস, জাতি ভেদ প্ৰথা, ধৰ্মীয় গোড়ামী, বাল্যবিবাহ, বিধবা বিবাহৰ নিষেধ, যৌতুক প্ৰথা, কন্যা মূল্য, স্ত্ৰী শিক্ষাৰ বন্ধ, পদা প্ৰথা, নাৰীৰ নিম্ন প্ৰস্থিতি আদি বিভিন্ন ধাৰণাবিলাক আধুনিকীকৰণৰ ফলত দূৰ হৈছে। ভাৰতীয়সকলৰ মনত যুক্তি যুক্ত আৰু প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি নতুন সামাজিক মূল্যবোধ আৰু নতুন সমাজ পদ্ধতিৰ সূচনা হৈছে। আধুনিকীকৰণৰ প্ৰভাৱত বিভিন্ন দিশত নাৰীৰ সম অধিকাৰ, ধৰ্মীয় আদৰ্শ, সামাজিক সচেতনতা, যুক্তি যুক্ত ব্যৱহাৰিক সামাজিক মূল্যবোধ, আদি বহুতো দিশত নতুন দিগন্তৰ সূচনা হৈছে।

দ্বিতীয়তে, আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজৰ অৰ্থনৈতিক পদ্ধতি ক্ষেত্ৰতো বহুতো পৰিৱৰ্তন হোৱা দেখা যায়। পৰম্পৰাগত কৃষিভিত্তিক অৰ্থনীতি কেৱল প্ৰকৃতিৰ ওপৰতেই নিৰ্ভৰশীল আছিল। জৈৱিক শক্তিকেইটা মূল উৎপাদিকা শক্তি বুলি ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান আধুনিকীকৰণৰ ফলত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ সহায়েৰে উন্নত কৃষি কৰিবলৈ লৈছে। বৈজ্ঞানিক পদ্ধতিৰে অধিক উৎপাদনক্ষম বীজ, উৎপাদনৰ বৃদ্ধিৰ বাবে ৰাসায়নিক সাৰ, ৰোগ প্ৰতিৰোধ আৰু নিবাময়ৰ বাবে বিভিন্ন ঔষধ আদিৰ ব্যৱহাৰ কৰা হৈছে। এইদৰে কৃষি ক্ষেত্ৰত হোৱা আধুনিকীকৰণৰ ফলত উৎপাদন বৃদ্ধি সম্ভৱ হৈছে আৰু লগে লগে ভাৰতীয় অৰ্থনীতিত পৰিৱৰ্তনো আহি পৰিছে। আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত ব্যৱসায় বাণিজ্য আদিৰ দিশটো যথেষ্ট প্ৰসাৰ হৈছে। কৃষি উদ্যোগ আদি বিভিন্ন দিশত হোৱা উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱসায় বাণিজ্য সুচল হোৱাত ভাৰতীয় অৰ্থনীতিত বাণিজ্যিক দিশতো যথেষ্ট পৰিৱৰ্তন পৰিলক্ষিত হয়।

তৃতীয়তে, আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত ৰাজনৈতিক দিশতো পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। প্ৰাচীন ভাৰতত বিভিন্ন অঞ্চলত বিভিন্ন ৰজা মহাৰাজাই চলাই থকা শাসনৰ অৱসান ঘটিল। সাংবিধানিক গণতান্ত্ৰিক শাসন পদ্ধতিত আইনৰ দৃষ্টিত সকলো ব্যক্তিয়ে সমান সুৰক্ষা আৰু সুবিধা পোৱা হ'ল। এইদৰে আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত ৰাজনৈতিক পদ্ধতিত আমূল পৰিৱৰ্তন ঘটিল।

চতুৰ্থতে, আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত যাতায়াত আৰু যোগাযোগৰ ক্ষেত্ৰতো পৰিৱৰ্তন সূচনা হ'ল। ঔদ্যোগিকৰণ, নগৰীকৰণ, বাণিজ্যিক প্ৰসাৰ, শিক্ষাৰ প্ৰসাৰ ৰাজনৈতিক সুবিধা আদিৰ বাবে যাতায়াত আৰু পৰিবহন ব্যৱস্থাৰ যথেষ্ট উন্নতি ঘটিছে। স্থলপথ, জলপথ আৰু আকাশীপথৰ উন্নয়নে ভাৰতীয় সমাজক কম সময়তে বিভিন্ন স্থানলৈ যাব পৰাৰ সুবিধা কৰি দিলে।

পঞ্চমতে, আধুনিকীকৰণৰ ফলত ভাৰতীয় সমাজত নতুন সামাজিক মূল্যবোধ, আদৰ্শ আৰু বৈজ্ঞানিক ভাবধাৰাৰ উদয় হৈছে। ফলত পৰম্পৰাগত পৰিয়াল পদ্ধতি বিবাহ পদ্ধতিৰ ঠাইত অন্য নতুন পদ্ধতিয়ে গঢ় লৈছে। পাত্ৰ-পাত্ৰী নিৰ্বাচনৰ ক্ষেত্ৰত পুৰুষ-মহিলা সকলোৱেই সমান সুবিধা পোৱা গৈছে। সতীত্ব ৰক্ষা আদি পৰম্পৰাগত আদৰ্শ ক্ৰমাৎ লোপ পাব ধৰিছে। বিভিন্ন লোকৰ লগত সংযোগ স্থাপনৰ ফলত মানুহৰ আচাৰ-ব্যৱহাৰ, সামাজিক আদান-প্ৰদান, ভক্ষ্য-ভক্ষস খাদ্যাভাগ, সাজপাৰ আদি বিভিন্ন দিশত পৰিৱৰ্তন হ'ব ধৰিছে। এইবোৰৰ লগে লগে সামাজিক প্ৰতিমান, প্ৰমূল্য, সামজিক সম্বন্ধ, জীৱন নিৰ্বাহৰ মানদণ্ড আদিৰ ক্ষেত্ৰতো পৰিৱৰ্তন হ'ব ধৰিছে। ধৰ্ম নিৰপেক্ষতাৰ নিচিনা ধাৰণাই ধৰ্মীয় দিশত বহু উদ্যম কৰি তুলিছে।

ওপৰত উল্লেখ কৰা দিশবোৰৰ লগতে আনুসংগীক প্ৰায় সকলো দিশতে ভাৰতীয় সমাজত আধুনিকীকৰণৰ প্ৰভাৱ পৰিৱৰ্তন হ'ব ধৰিছে। ইয়াৰে কিছুমান দিশৰ পৰিৱৰ্তনৰ গতি ধীৰ আৰু কিছুমানৰ পৰিৱৰ্তনৰ গতি ক্ষীপ্ৰ হ'লেও প্ৰায়বোৰ দিশতে আধুনিকীকৰণৰ প্ৰভাৱৰ বিষয়ে সহজে অনুমান কৰিব পাৰি। □

(প্ৰাচীৰ পত্ৰিকা 'সমন্বয়' সমাজশাস্ত্ৰ বিভাগ)

প্ৰবন্ধ

# অসমৰ নিবনুৱা আৰু স্বনিয়োজন

□ দিগন্ত বৰা, স্নাতক তৃতীয় বষ

অপৰ্যাপ্ত প্ৰাকৃতিক সম্পদ থকা সত্বেও অসম আৰ্থিক ভাবে এখন পিছপৰা ৰাজ্য। অসমৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে কেৱল চৰকাৰী চাকৰি কৰিব পৰাকৈ যুৱক-যুৱতীসকলক গঢ় দিয়া হৈছে।

জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা ভয়াবহ সমস্যাৰ পৰিপ্ৰেক্ষিতত অসমৰ নিবনুৱা সমস্যাও ক্ৰমান্বয়ে জটিল হৈ আহিছে। অৰ্থনৈতিক বৈষম্য, আঞ্চলিক অসমতা, সমান সুযোগ সুবিধাৰ অভাৱ, দুৰ্নীতি ইত্যাদিয়ে অসমৰ যুৱ সমাজক অনাগত ভৱিষ্যত সম্বন্ধে হতাশ কৰি তুলিছে। স্বাধীনোত্তৰ কালত অসমৰ উদ্যোগীকৰণ, ব্যৱসায়, বানিজ্যৰ প্ৰসাৰৰ উন্নয়ন মূলক যিখিনি কাম হৈছে তাত অসমৰ স্থানীয় লোকৰ অংশ গ্ৰহণ নিচেই সীমিত। অন্যহাতে অসমৰ বাহিৰত তুলনামূলক ভাবে শিক্ষাৰ সা সুবিধা বেছি থকাৰ বাবে কাৰ্যকৰী ভাবে আৰু কাৰিকৰী ভাবে অধিক অৰ্হতা সম্পন্ন লোকে অসমত অতি সহজতে কৰ্মসংস্থাপন যোগাৰ কৰি ল'ব পাৰিছে। বৰ্তমান ব্যৱস্থাত অসমৰ যুৱক-যুৱতীসকলে স্বনিয়োজনমুখী শিক্ষা আৰু কাৰিকৰী অৰ্হতা অৰ্জন কৰি ল'ব নোৱাৰা বাবে আত্মসংস্থাপন সম্ভৱ হোৱা নাই। ফল স্বৰূপে সকলোৰে মাজত এক চাকৰিমুখী প্ৰৱনতাই গা কৰি উঠিছে।

জীৱনৰ সৰ্বোচ্চ কৰ্মশক্তি থতা সময় বিশ (২০) বছৰৰ পৰা চল্লিছ (৪০) বছৰলৈকে যিকন সময়ক কোৱা হয় 'প্ৰাইম টাইম'। এই সময়কন কেৱল চৰকাৰী চাকৰি বিচাৰোতেই অপচয় হয়। অসমৰ ক্ৰমৰ্বদ্ধমান জনসংখ্যাৰ ৰাজ্য এখনত কেৱল চৰকাৰী চাকৰিয়েই নিবনুৱা সমস্যা সমাধান কৰিব পৰা নাযায়। বৃহৎ উদ্যোগ, ব্যৱসায় প্ৰতিষ্ঠান আদিও অসমত নাই বুলিয়েই ক'ব পৰা যায়। গতিকে আমাৰ যুৱক-যুৱতীসকলৰ বাবে চাকৰি সম্ভাৱনাখিনি অতি সীমিত। জীৱনৰ প্ৰথম পদক্ষেপত উপযুক্ত পথ নিৰ্দেশনা নোপোৱাৰ হেতু অধিক সংখ্যক অসমৰ যুৱক-যুৱতীয়ে আজিৰ প্ৰয়োজনীয় নিপূৰ্ণতা গঢ়ি তুলিব পৰা নাই।

মুক্ত অৰ্থনীতিয়ে কঢ়িয়াই অনা সুযোগ সুবিধা ভাৰতৰ অন্যান্য উন্নত ৰাজ্যসমূহৰ যুৱ শক্তিয়ে বিশ্বৰ বজাৰ দখল কৰিবলৈ লোৱাৰ সময়ত আমাৰ যুৱ শক্তিয়ে উপযুক্ত কৰ্ম সংস্থাপনৰ বাবে নিজৰ সকলো শক্তি সামৰ্থ কেৱল এটা চাকৰিৰ পিছত ব্যয় কৰিছে।

'যোগ্য ভোগ্য এই বসুন্ধৰা' প্ৰতিযোগিতাত যোগ্যতা প্ৰতিপন্ন কৰিব পৰাকৈ জাতি, ধৰ্ম, বৰ্ণ নিবিশেষে অসমৰ সমূহ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীক উপযুক্ত কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষাৰে শিক্ষিত কৰি তুলিব লাগিব তেতিয়াহে নিয়োগ সম্ভাৱনাময় হ'ব আৰু ইয়াৰ বাবে প্ৰয়োজন স্বনিয়োজনৰ বাবে ৰূপায়ণ কৰা আঁচনি যেনে [Self Help Group, NGO (Non Government Organisation] ইত্যাদিৰ।

(প্ৰাচীৰ পত্ৰিকা 'সমন্বয়' সমাজশাস্ত্ৰ বিভাগ)

# সমাজৰ সামাজিক পৰিৱৰ্তন

কংকনা সোণোৱাল, উঃ মাঃ দ্বিতীয় বৰ্ষ

পৃথিৱীৰ কোনো সমাজেই স্থবিৰ নহয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগেই সময়ৰ লগত খাপ খোৱাকৈ সকলো সমাজতে পৰিৱৰ্তনৰ সূচনা হয়। আজিৰ পৰা হাজাৰ হাজাৰ বছৰৰ আগতো মানৱ সমাজৰ বিভিন্ন দিশত অহৰহ পৰিৱৰ্তন ঘটিছিল। ইয়াৰ ফলতেই মানৱ সমাজে আজিৰ এই অৱস্থা পাইছেহি। মানৱ সভ্যতা আগবঢ়াৰ মূলতেই হ'ল সামাজিক পৰিৱৰ্তন। ইতিহাসৰ পাত লুটিয়ালেই ইয়াৰ সত্যতা প্ৰতিপন্ন হয়।

আমি দেখাপোৱা অসম আজিৰ পৰা পাঁচশ বা এহেজাৰ বছৰৰ আগতে এই অৱস্থাত নাছিল। পঞ্চাচ বছৰৰ আগতে অসমীয়া সমাজ বুলি কলে বুজা সমাজখন আজি আৰু নাই। অতীতৰ আৰু আজিৰ ৰাজনৈতিক পদ্ধতিৰ মাজত স্বৰ্গ-মত্য পাৰ্থক্য দেখিবলৈ পোৱা যায়। ৰাজনীতিৰ লগতে সামাজিক পদ্ধতি, সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সামাজিক সম্বন্ধ আদিতো যথেষ্ট পৰিৱৰ্তন হোৱাৰ পৰিলক্ষিত হৈছে। অসমৰ আজিৰ শিক্ষা ব্যৱস্থা, অতীতৰ শিক্ষা ব্যৱস্থাৰ লগতে তুলানামূলক ভাবে একে নহয়। ধৰ্মীয় দিশতো বহুতো পৰিৱৰ্তন দেখা গৈছে।

আমি যদি ভৰতবৰ্ষলৈ লক্ষকৰো তেন্তে অতীত আৰু বৰ্তমানৰ মাজত বিৰাট পাৰ্থক্য চকুত পৰে। অতীতৰ আৰু বৰ্তমান সভ্যতা বহু বেলেগ। দৰ্শন, জ্ঞান, বিশ্বাস, বিজ্ঞান, সামাজিক কাৰ্যকলাপ সকলোতে পৰিৱৰ্তন হৈছে। সমাজ ব্যৱস্থা ৰীতি-নীতি আদিতো পৰিৱৰ্তন আহিল। কৃষিভিত্তক ব্যক্তিগত ভাৰতীয় অৰ্থনীতিৰ ঠাইত ভিন্ন মিশ্ৰ অৰ্থনীতিয়ে গঢ় ললে। একেদৰেই শিক্ষা পদ্ধতি বা অন্যান্য দিশ সমূহৰো আমোল পৰিৱৰ্তন আহিল।

মানুহ সমাজ প্ৰিয় প্ৰাণী। কিন্তু মানৱ

সমাজৰ সৃষ্টি হয় পৰিৱৰ্তনৰ মাজেৰেহে। আদিতে মানুহে অঘৰী জীৱন যাপন কৰিছিল। মানুহে পৰ্বত পাহাৰৰ গুহা, বা গছৰ ধোন্দত বাস কিৰছিল। হাবিৰ ফলমূল বা জীৱ জন্তুৰ মাংস কেচাই খাইছিল। বলীয়ে দুৰ্বলীৰ ওপৰত অত্যাচাৰ কৰিছিল। মানুহে ক্ৰমে লজ্জা নিবাৰণৰ বাবে গঠৰ বাকলি জন্তুৰ ছাল ইত্যাদি ব্যৱহাৰ কৰিবলৈ শিকিলে। খাদ্যৰ নাটনি দূৰ কৰিবৰ বাবে লাহে লাগে পশুপালন কৰিবলৈ ললে। কৃষিকাৰ্য কৰিবলৈ আৰম্ভ কৰিলে। মানুহে বাসগৃহ নিৰ্মাণ কৰিবলৈ জনা হ'ল। পৰিয়ালৰ সৃষ্টি কৰিলে। এইবোৰৰ দ্বাৰা সমাজত আমোল পৰিৱৰ্তনৰ সূচনা হ'ল।

কেৱল জীৱিকা নিৰ্বাহৰ দিশতেই যে পৰিৱৰ্তন হৈছে তেনে নহয়। লাহে লাহে মানুহে যেতিয়া সমাজপাতি বসবাস কৰিবলৈ ললে তেতিয়া সমাজ সুস্থিৰ ভাবে গঢ় দিবলৈ শাসকৰ প্ৰয়োজন হ'ল। ক্ষমতা সম্পন্ন অথবা উৎপাদনৰ উপাদান থকা ব্যক্তিসকলৰ নিৰ্দেশমতেই সমাজৰ বাকীসক ল লোক চলিবলৈ ধৰিলে। শাসক আৰু শাসিতৰ সম্পৰ্কৰ বিভিন্ন পৰিৱৰ্তনৰ মাজেৰেই আহি বৰ্তমানৰ এই অৱস্থা পাইছেহি। সমাজত শান্তি শৃংখলা ৰক্ষাৰ বাবে সমাজত আইন প্ৰণয়ন কৰি আইনৰ সুৰক্ষা দিয়াৰ ব্যৱস্থা কৰা হ'ল।

সামাজিক পৰিৱৰ্তন এক চিৰন্তন আৰু বিশ্ব ব্যাপক প্ৰক্ৰিয়া হ'লেও এতিয়াও এনে কিছুমান মানৱ সমাজ আছে যে তেওঁলোকে প্ৰায় পূৰ্বৰ ববৰ আৰু সু-সভ্য মানৱ সমাজৰ পৰা বহু নিলগত।

ক্ৰয় বিৱৰ্তনৰ পথেদি আগবাঢ়ি আহি থকা সমাজব্যৱস্থাই নানান পৰ্যায় অতিক্ৰয় কৰি এই অৱস্থা পাইছেহি। ফলত সামাজিক পৰিৱৰ্তনৰ সূচনা হৈছে। □

(প্ৰাচীৰ পত্ৰিকা 'সমন্বয়'সমাজশাস্ত্ৰ বিভাগ)

প্ৰবন্ধ

## আধুনিক সমাজৰ ব্যাধি

# অনুশাসনহীনতা

□ ৰিংকুমনি বৰা, স্নাতক দ্বিতীয় বৰ্ষ

এখন সমাজ সুচাৰুৰূপে পৰিচালিত হোৱাটো নিৰ্ভৰ কৰে, সেই সমাজৰ প্ৰত্যেকজন সদস্যৰ দায়িত্ব, কৰ্তব্য উপলব্ধি আৰু সহায় সহযোগিতাৰ ওপৰত। ইয়াৰ অবিহনে এখন সমাজ বিশৃংখলতা আৰু অৰাজকতাই দেখা দিয়ে। তাৰ ফলত সমাজ ধ্বংস হোৱাৰ সম্ভাৱনাও থাকে। সমাজখন শান্তি আৰু সুচাৰুৰূপে পৰিচালিত হ'বলৈ কিছুমান নীতি নিয়ম মানি চলিব লাগিব। এই নীতি নিয়মবোৰ বাধ্যতা মূলক। অনুশাসন মানে হ'ল নিজৰ আশা, আকাংখ্যা চিন্তাধাৰাৰ সংযত আৰু জ্ঞানৰ অধীনস্থ কৰা।

এজন ব্যক্তি সবাংগীন বিকাশৰ স্থল হ'ল ঘৰ, বিদ্যালয় সমাজ আৰু পৰিৱেশ। ইয়াৰ বাবে প্ৰয়োজন অনুশাসন। অনুশাসনহীন পৰিৱেশ, ঘৰ আৰু বিদ্যালয় সকলোৱে অনিষ্টকাৰী বুলিব পাৰি। সেইবাবেই অনুশাসহীনতা আধুনিক সমাজৰ ব্যাধি বুলি পৰিগণিত হৈছে। অনুশাসনহীনতাৰ কবলত পৰি প্ৰতিদিনে নৃশংস গণহত্যা বৃদ্ধি পাবলৈ ধৰিছে।

অনুশাসনহীন লোকে কোনো ধৰণৰ নীতি নিয়মৰ অধীনস্থ হ'ব নোখোজে ফলত নিজৰ সংস্কৃতি আৰু ব্যক্তিত্ব কলুষিত কৰিছে। বৰ্তমান সমাজৰ এনে অনুশাসনহীনতা বাবে কেৱল উঠি অহা চামক দায়ী বুলিব নোৱাৰি। ঘৰুৱা পৰিৱেশত পিতৃ-মাতৃয়ে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন নকৰাৰ ফলত এনে পৰিৱেশৰ সৃষ্টি হৈছে। এইবোৰৰ পৰা মুক্ত হ'লে হ'লে সন্তানক পিতৃ -মাতৃ জ্ঞান অৰ্জন কৰিবলৈ দিব লাগে। তাৰ ফলত সন্তানৰ এটা বয়সত আত্মনিয়ন্ত্ৰণ হৈ স্বতঃস্ফুতভাৱে অনুশাসন মানি চলিবলৈ শিকে। শিক্ষানুষ্ঠানতো অনুশাসনহীনতা ফলত শৈক্ষিক পৰিৱেশ বিনষ্ট হৈছে। আজিৰ ছাত্ৰ ভৱিষ্যতৰ দেশৰ নাগৰিক বা ধৰণী। সেই ছাত্ৰক কেৱল বাহ্যিকতাৰ প্ৰলেপ দি ঢাকি ৰাখিলেই নহয়। সমাজৰ দেশৰ দায়িত্ব সমূহৰ বিষয়ে এই সময়ৰ পৰাই যদি ছাত্ৰ সচেতন হয় তেন্তে সেইজন ছাত্ৰই কেতিয়াও সমাজত এক অপ্ৰিয় পৰিস্থিতিৰ সৃষ্টি নকৰে।

এজন ভাল ফলাফল দেখুৱাই অহা ছাত্ৰই একোজন ঘোচ খোৱা উচ্চ পদস্থ বিষয়া হয় গৈ। তেনে ক্ষেত্ৰত ভাল ফলাফল সেইজন ছাত্ৰৰ যোগ্যতাৰ মাপ কাঠি নহয়। এজন যোগ্য ছাত্ৰই শিক্ষানুষ্ঠানৰ বাহ্যিক অনুশাসনৰ লগতে আভ্যন্তৰিন অনুশাসনৰ দ্বাৰা নিজকে পৰিচালিত কৰিবলৈ শিকাব লাগিব। শিক্ষানুষ্ঠানত যিদৰে অনুশাসনহীনতাৰ বাবে শাস্তি দিয়াৰ ব্যৱস্থা থাকে। তেনেদৰে সমাজতো থকা উচিত। চৰম অনুশাসনহীনতাৰ আজিৰ সমাজৰ ৰুগ্নতাৰ বাবে দায়ী। ইয়াৰ বাবে আমি সচেতন হৈ মানৱ জীৱনৰ পৰা হেৰাই যোৱা মূল্যবোধ আৰু নৈতিক অনুশাসন ঘুৰাই আনিবৰ বাবে অশেষ যত্ন কৰিব লাগিব। নহ'লে সমাজৰ ধ্বংস হোৱাটো অনিবাৰ্য। □

(প্ৰাচীৰ পত্ৰিকা 'সমন্বয়' সমাজশাস্ত্ৰ বিভাগ)



## ব'হাগ আহিবানে

□ লিলি বৰা
স্নাতক প্ৰথম বৰ্ষ

বহাগৰ অপেক্ষাত তোমাৰ বাবে
তুমি আহিবানে বসন্তৰ বা লগাই
লাজুকী যৌৱনৰ আঁচল উৰুৱাই,
তোমাৰ হিয়াৰ বতৰা লৈ?

তুমি আহিলেই ফুলি উঠিব মোৰ
কল্পনাৰ কপৌ পাহি, মৰমৰ খৰিকাজাঁই
প্ৰফুল্লিত হ'ব মোৰ সপোনৰ কলিটি
আঁতৰি যাব বিৰহৰ কলীয়া ডাৱৰ।
তোমাৰ দুচকুৰ নীলাভৰ মাজত
বিচাৰি চাম অতীতৰ দিনৰ
'পায়ো হেৰুৱাৰ ঠিকনা'।
তুমি আহিবাদেই
লাজুকী যৌৱনৰ আঁচল উৰুৱাই
ন বসন্তৰ পৰশেৰে আবৃত্ত হৈ
দুয়ো পাঠ কৰিম
'সপোনত দেখা দিঠকত ভৰা ভাৱনাবোৰ'
পাহৰণিৰ গৰ্ভত এৰি দিম
অতীতৰ ত্ৰুটি বিচ্যুতি
ন সান্নিধ্যৰ নতুনত্বৰে
দুয়ো ৰচিম সেন্দুৰীয়া ভৱিষ্যতৰ
হেঙুলীয়া সপোন।

(প্ৰাচীৰ পত্ৰিকা 'প্ৰতিশ্ৰুতি' অসমীয়া বিভাগ)

## নতুন হাঁহি

□ বন্তি বৰা
স্নাতক প্ৰথম বৰ্ষ

কথাটো নাছিল এনে দৰে
হৃদয় জঠৰ হোৱাৰ
ক'ত হেৰাল,
তোৰ ফুলৰ দৰে অপৰূপ হাঁহি?
সোণগুটি বুটলা এবুকু সপোন।
উদং বুকুত এবুকু দুখৰ হুমুনিয়া দি
গুচি গ'লি নিৰৱে অজান দেশলৈ।
চা মা, আজি তোৰ সপোনৰ বুকুত
বহাগৰ গোন্ধ।
তোৰ আশাৰ পক্ষীয়ে আজি ডেউকা
কোবাইছে,
নিষ্ঠুৰ সময়ৰ লগত।
সজাইছো নতুন জীৱন
তোৰ অবিহনেই,
তোৰ অনন্ত হেঁপাহ বোৰ
জীয়াই ৰখাৰ বাবেই।

(প্ৰাচীৰ পত্ৰিকা 'অংকুৰ')

## তোমাৰ বুকুৰ উপন্যাস

□ চুচনা কাণ্ডিৰ
স্নাতক তৃতীয় বৰ্ষ

এখন উপন্যাস দুদান্ত সোঁতত
এজন নিসংগ নাবিকৰ দৰে
উঠি গ'ল......
তেওঁ উঠি গ'ল......
চোৱাহি এতিয়া
থক্ থক্ কৰে কঁপিছে।
নল-খাগৰি বোৰত লাগি নহয়
এনেই হাঁহি থকা পানীবোৰ ধৰিহে
তেওঁক পাৰলৈ তুলিছে
উপন্যাস পঢ়িলেই এই অঘটন নহয়।
কিয় দিলা পঢ়িবলৈ?
কিয় দিলা পঢ়িবলৈ...... তেওঁক
তোমাৰ বুকুৰ উপন্যাস??

(প্ৰাচীৰ পত্ৰিকা 'প্ৰতিশ্ৰুতি' অসমীয়া বিভাগ)

# দ্বীপ

□ পৰিস্মিতা শৰ্মা
স্নাতক তৃতীয় বৰ্ষ

কোনো প্ৰাচুৰ্য নাই জীৱনৰ
মুৰৰ ওপৰত পানী পিয়া চৰাই
পানী নাই পানী নাই
জিভাৰ লালতি কোৱাৰি শুকাই।
শোকৰ নীলা সাজবোৰ পিন্ধি
বিষাদৰ নৈ
কুতা এগছৰ দৰে হাউনিবিহীন
ঘূৰ্ণীৰ আবতত চল মান
কলিজা ফাটি চিৰাচিৰ
খহি পৰে খুৱাগুৰী চোতাল
বৰ্নহীন উশাহৰ সেউজীয়া
জুয়ে পোৰা দেহৰ উপকুলত ধুসৰ দিনৰ
আকৃতি
বুকুৰ সুতে পিন্ধে দুখৰ দুগদুগী
কুঁৱলীৰ ওৰণি টানি আকাশখন বহি থাকে
নিঃ খাউতাৰ জয়ল অচ্ছাদন বুকুত বান্ধি
নৈপৰীয়া বেদনাত কপি থাকে ৰাতিৰ পথাৰ
দুৰ দুৰ ধুলি ধোৱাৰ ছাঁ
তথাপিও জীৱন এখন নদীৰ নাম
তথাপিও জীৱন এটা বাঁহীৰ নাম।
সাগৰৰ নাম দ্বীপৰ নাম
জয়াল অৰণ্য বাটৰ শিলৰ কৰ্ষণ
নাজানো মই নাজানো
অন্ধকাৰ সুযোগলৈ
কৰ সোণালী ঈগলে গিলে
মোৰ শস্য শ্যামলা পৃথিৱী।



# সংগ্ৰাম

□ সৱিতা দত্ত
স্নাতক তৃতীয় বৰ্ষ

ভাগৰি নপৰিবা
নিৰাশ নহবা
কৃষিজীৱী
এই ডৰা পথাৰকে
ৰঙা নৈয়ে উৰ্বৰা কৰিছিল
পলস ঢালি।
ৰোৱনীয়ে দেখিছিল
সোণগুটিৰ সপোন
আৰু তুমি
প্ৰাণ খুলি হাঁহিছিলা
সকলো পাহৰি।
উচ্ছন্ন হ'ল পথাৰ ডৰা
ৰঙা নৈৰ বাণত,
উটি গ'ল উৰ্ব্বৰতা।
জীয়াই থাকিব লাগিব,
হাঁহিব লাগিব,
এই বালিকেই কৰ্ষণ কৰি
লাগিব মাথোন 'সংগ্ৰাম'।



# আমাৰ গৌৰৱ



শ্ৰীমতী পপী ৰাজখোৱা
Panchayatiraj and Rural Development
বিষয়ৰ ওপৰত পানীগাওঁ অ পি ডি কলেজত অনুষ্ঠিত
হোৱা জিলা ভিত্তিক উচ্চতৰ মাধ্যমিক আৰু স্নাতক
পৰ্যায়ৰ আলোচনা চক্ৰত দ্বিতীয় স্থান প্ৰাপ্ত।



শ্ৰীমতী পৰিস্মীতা শৰ্মা
মাধৱদেৱ কলেজত অনুষ্ঠিত লখিমপুৰ জিলা ভিত্তিক
বৰগীত প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত।



